# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOL. - 1

No. 27

Dated the 6th April 1987

Price Rs. 20·00

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**VOL. - 1**

**No. 27**

**Dated the 6th April 1987**

Price Rs. 20·00

## Contents

**( BUDGET SESSION )**

Volume—I

**No. 27**

Dated, the 6th april 1987


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1 |
| 2. | Announcement From the Chair | 53 |
| 3. | Miscellaneous Discussion | 53 |
| 4. | Announcement from the Chair | 60 |
| 5. | Call Attention notice | 60 |
| 6. | Matter under Rule 301 | 63 |
| 7. | Laying of Reports | 66 |
| 8. | Laying of Rules | 66 |
| 9 | Matter under Rule 49 | 66 |
| 10. | Statement by the Minister | 72 |
| 11. | Announcement from the Chair | 76 |
| 12 | Adjournment | 77 |
| 13 | Annexure | 78 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday, April 6, 1987

The House met at 10 AM in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED

## QUESTIONS & ANSWERS

### বিষয় – প্ৰাথমিক আৰু মজলীয়া স্কুলৰ খালি পদত নিয়োগ পদ্ধতি

বিধায়ক শ্ৰীগনেশ কুটুমে সুধিছে :

* ৪৮১। মানীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰী প্ৰাথমিক মজলীয়া বিদ্যালয় সমূহৰ খালি পদ সমূহৰ নিয়োগ পদ্ধতি কি আৰু কাৰ যোগেদি নিযুক্তি দিয়া হয়?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষা মন্ত্ৰীয়ে ) উত্ত দিছে :

(ক) চৰকাৰী প্ৰাথমিক/মজলীয়া বিদ্যালয় সমূহৰ খালী পদ বিলাকত চৰকাৰে বান্ধি দিয়া নিয়ম অনুযায়ী জিলা প্ৰাথমিক শিক্ষা বিষয়া সকলৈ স্থানীয় ভাবে নিয়োগ জাননী দি আবেদন সংগ্ৰহ কৰি প্ৰাথমিক শিক্ষা সঞ্চালকলৈ পঠোৱা হয়। সঞ্চালকলয়ে আবেদনবোৰৰ পৰা উপযুক্ত প্ৰাৰ্থী নিৰ্ব্বাচন কৰি চৰকাৰে বান্ধি দিয়া নিয়ম অনুযায়ী নিযুক্তি দিয়ে।

শ্ৰীগনেশ কুটুম : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে বান্ধি দিয়া নিয়ম অনুসৰি প্ৰাথমিক আৰু মজলীয়া বিদ্যালয় সমূহত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে আৰু কি নিয়মৰে প্ৰাৰ্থী বাছনি কৰা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে? এতিয়া আমাৰ কেইবাখনো জিলাত যিবোৰ চৰকাৰী মজলীয়া আৰু প্ৰাথমিক বিদ্যালয় আছে সেইবোৰত নিযুক্তিৰ ক্ষেত্ৰত দিশপুৰৰ পৰাই ব্যৱস্থা ৰখা হৈছে। এই খালী পদবোৰ আমি বিধায়ক হোৱাৰ পিচতো মকৰল কৰা দেখিবলৈ পাইছো। এনে খালী পদবোৰ পূৰণ কৰাত বৰ্তমান জিলা প্ৰাথমিক শিক্ষা বিষয়াই তেনেকৈ আবেদন পত্ৰ কিবা গ্ৰহণ কৰিছেনেকি? আৰু সেই আবেদন পত্ৰ যদি গ্ৰহণ কৰিছে তেনেহলে নিয়োগৰ কি ব্যৱস্থা লৈছে আৰু বৰ্তমান এইবোৰ কি পৰ্য্যায়ত আছে সেইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰী প্ৰাথমিক আৰু মজলীয়া বিদ্যালয় সমূহত খালী পদত নিযুক্তি দিব লগীয়া হলে জিলা প্ৰাথমিক শিক্ষা বিষয়া সকলে স্থানীয় ভাবে নিয়োগ জাননী দিয়ে। উক্ত জাননী মতে পোৱা আবেদনবোৰৰ এখন তালিকা বনাই, তালিকাৰ লগত আটাইবোৰ আবেদন এই কাৰ্যালয়লৈ বিহীত ব্যৱস্থাৰ বাবে পঠাই দিয়ে। আবেদনবোৰৰ পৰা উপযুক্ত প্ৰাৰ্থী নিৰ্বাচন কৰি চৰকাৰে বান্ধি দিয়া নিয়ম অনুযায়ী নিযুক্তি দিয়া হয়। ইয়াৰ লগত চৰকাৰী নীতি আৰু এই কাৰ্যালয়ৰ পৰা জিলা প্ৰাথমিক শিক্ষা বিষয়া সকলক প্ৰয়োজনীয় নিৰ্দ্দেশ দিয়া হয়। এই ধৰণে আমাৰ এটা নিৰ্দেশ দিয়া হৈছে। ইতিমধ্যে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ কাৰণে বহু আবেদন পত্ৰ হেজাৰ হেজাৰ হিচাবত পোৱা হৈছে। কিন্তু খালী পদ মাত্ৰ কেইটামানহে আছে। আমি প্ৰাথমিক শিক্ষা পৰিষদৰ সভাপতি সকলক অনুৰোধ জনাইছো যিহেতু খালী পদ মাত্ৰ কেইটামানহে আছে আৰু আবেদনকাৰী বহুত প্ৰাৰ্থী আছে সেয়েহে ভালদৰে পৰীক্ষা নিৰীক্ষা কৰি চাই নীতি অনুসৰি তালিকা প্ৰস্তুত কৰিবলৈ কোৱা হৈছে। আৰু সেই তালিকাৰ পৰাই উপযুক্ত প্ৰাৰ্থীক নিযুক্তি দিবলৈ কোৱা হৈছে।

শ্ৰীগনেশ কুটুম : অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই এটা প্ৰশ্ন কৰিব বিচাৰিছো শোনিতপুৰ জিলাৰ চৰকাৰী কাৰিবীল প্ৰাথমিক বিদ্যালয়ত নিযুক্তিৰ ক্ষেত্ৰত এটা খেলি-মেলি বহুত দিনৰ পৰাই চলি আহিছে আৰু উচ্চ ন্যায়ালয়ে শ্ৰীমথুৰা বৰদলৈ নামৰ এগৰাকী প্ৰাৰ্থীক তাত কাম কৰিব লাগে বুলি ৰায়দান কৰিছে। আৰু অসমৰ শিক্ষা সচিবে প্ৰাথমিক সঞ্চালকলৈ এই শিক্ষক জনক নিয়োগৰ কাৰণে নিৰ্দ্দেশ দিছে। কিন্তু আজিলৈকে উক্ত শিক্ষক গৰাকীয়ে নিয়োগ নোপোৱাৰ কাৰণ কি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( শিক্ষামন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে-শোনিতপুৰ জিলাৰ কলংপুৰ মৌজাৰ, কাৰিবীল প্ৰাথমিক বিদ্যালয়ৰ উক্ত শিক্ষক জনৰ সম্পৰ্কত বিভাগীয় কৰ্তৃপক্ষৰ পৰা সকলো তথ্য-পাতি বিচৰা হৈছে। এইখিনি পালেই এই ক্ষেত্ৰত সিদ্ধান্ত লোৱা হব।

শ্ৰীচিলবিউচ কন্দপান : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰী মহোদয়ে শিক্ষক নিয়োগৰ ক্ষেত্ৰত চৰকাৰী নীতি নিয়মৰ যিখিনি কথা কলে, আমি

ভাল পাইছো। বিজ্ঞাপন অনুসৰি শিক্ষক নিযুক্তিৰ বাবে যিবোৰ আবেদন পত্ৰ গ্ৰহণ কৰিলে, তাৰ পৰিপ্ৰেক্ষিতত-যিখিনি খালী পদ আছে উক্ত খালী পদবোৰ কিমান মাহ মানৰ ভিতৰতে পূৰণ কৰিব পৰা হব মন্ত্ৰী মহোদয়ে কবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এনে প্ৰশ্নৰ উত্তৰ মই ইতিমধ্যে দিছো। ইতিমধ্যে গঠন কৰি দিয়া প্ৰাথমিক জিলা পৰিষদবোৰ তিনিজনীয়া শিক্ষাবিদক লৈ কৰা হৈছে। যিবোৰ তালিকা দিয়া হৈছিল তাৰে কেইখনমান জিলাত শিক্ষক নিয়োগৰ ব্যৱস্থা কৰা হৈছে। কিছুমান জিলা, মহকুমাই কৰ্তৃপক্ষৰ ওচৰত তালিকা দাখিল কৰিছে। আমি প্ৰত্যেকখন জিলা আৰু মহকুমাইকেই নিৰ্দেশ দিছো যিমান সোনকালে পৰা যায় যিমান সোনকালে এই নিযুক্তিৰ ব্যৱস্থা সম্পূৰ্ণ কৰিব লাগে। আৰু এইটো সোনকালে হব বুলি আমি আশা কৰিছো।

শ্ৰীদেবেশ্বৰ বৰা: অধ্যক্ষ মহোদয়, শিক্ষক নিয়োগৰ গোটেইখিনি কথাই মন্ত্ৰী মহোদয়ে কলে, এচ-টি, এচ-চিৰ কথা মই জানো কিন্তু অ'ৰি' চিৰ ক্ষেত্ৰত নিয়োগৰ কাৰণে কি নীতি লোৱা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী): অধ্যক্ষ মহোদয়, মই শিক্ষক নিয়োগৰ ক্ষেত্ৰত সাংবিধানিক ভাবে যিখিনি ব্যৱস্থা আছে সেই গোটেইখিনি সন্নিবিষ্ট কৰি নিৰ্দেশ জাৰি কৰিছো। আৰু মাননীয় সদস্য সকলৰ মাজত এই সন্দৰ্ভত নিৰ্দিষ্ট বিষয়বোৰো উত্থাপন কৰিছো। মই ভাবো ইয়াৰ কাৰণে বেলেগে নীতি লোৱাৰ প্ৰয়োজন নাই।

শ্ৰীআব্দুল জব্বৰ: মাননীয় অধ্যক্ষ মহোদয়, যি সকলে অসমীয়া মাধ্যমক মাতৃভাষা হিচাবে লৈছে তেওঁলোকক নিযুক্তি আৰু বৃত্তি দিয়াৰ ক্ষেত্ৰত বিশেষ কিবা সুযোগ সুবিধা দিয়াৰ কথা মন্ত্ৰী মহোদয়ে বিবেচনা কৰিবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, নিয়োগৰ ক্ষেত্ৰত ইতিমধ্যে যিখিনি নিৰ্দেষ্ট নীতি নিয়ম প্ৰস্তুত কৰা হৈছে সেইখিনি মাননীয় সদস্য সকলক জনোৱা হৈছে। মই মাননীয় সদস্য গৰাকীৰ আন এটা প্ৰশ্নৰ উত্তৰত জনাইছোৱেই যিহেতু এইটো এটা কম দৰমহা লোৱা কৰ্ম্মচাৰীৰ পদ সেয়েহে যিমান পৰা যায় প্ৰাথমিক বিদ্যালয়ৰ ওচৰে পাজৰে থকা প্ৰাৰ্থীক নিযুক্তি দিলে ভাল হয়।

বিঃ কৰিমগঞ্জ পৌৰ সভা ও বদৰপুৰ টাউন কমিটিৰ নিৰ্ব্বাচন

শ্রীরামেন্দ্র দেই জিজ্ঞাছা করিয়াছেন :

*৪৮২। মাননীয় পৌৰ প্রশাসন ৰিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানবেন কিঃ

(ক) কৰিমগঞ্জ ও বদরপুৰ পৌর সভায় ভোটদাতার সংখ্যা কত ?

(খ) করিমগঞ্জ পৌর সভা ও বদরপুর টাউন কমিটির নির্ব্বাচন করে হবে ?

(গ) বদরপুর রেল কলোনী বদরপুর টাউন কমিটিৰ এলেকাভূক্ত কিনা ?

(ঘ) যদি না হয় তা এলেকাভূক্ত করা হবে কি ?

শ্রীচহিদুল আলম চৌধুরী পৌর প্রশাসন বিভাগের মন্ত্রী উত্তর দিয়েছেন :

(ক) ১৯৮৫ সালের ভোটার লিষ্ট অনুযায়ী করিমগঞ্জ পৌর সভার ভোটারের সংখ্যা ৩০,৯৫৬ জন এবং ১৯৬৯ সালের নগর সমিটির ভোটার লিষ্ট অনুযায়ী বদরপুর টাউন কমিটির ভোটারের সংখ্যা ৯,০৩৫ জন ছিল।

(খ) বিষয়টা চরকারের পরীক্ষাধীন।

(গ) না।

(ঘ) পরীক্ষা করা যেতে পারে।

শ্রীরামেন্দ্র দে – অধ্যক্ষ মহোদয়, গত জানুয়ারী মাসে করিমগঞ্জ পৌর ভার নির্বাচনের দিন ঠিক করা হয়েছিল। কিন্তু নির্বাচন না হওয়ার কারন কি মন্ত্রী মহোদয় জনাবেন কি? আমার দ্বিতীয় প্রশ্নের উত্তরে মন্ত্রী মহোদয় জানিয়েছেন যে করিমগঞ্জ পৌর সভায় ভোট দাতার সংখ্যা হলো ৩০,৯৫৬ জন (১৯৮৫ সালের ভোটার লিষ্ট অনুযায়ী) এবং ১৯৬৯ সালের টাউম কমিটির ভোটার লিষ্ট অনুযায়ী বদরপুর পৌর সভার ভোটারের সংখ্যা মাত্র ৯,০৪৫ জন। এর অর্থ কি এর অর্থ কি এই যে ১৯৬৯ সালের পর বদরপুর পৌর সভার আর কোন জনসংখ্যার গননার কাজ করা হয় নি?

শ্রীসহীদুল আলাম চৌধুরী (মন্ত্রী) : অধ্যক্ষ মহোদয়, এর কারণ হচ্ছে বদরপুরে যে রেলওয়ে কলোনী আছে সেটা কোন গ্রাম পঞ্চায়তের অধীনে নয় এবং বদরপুর টাউন কমিটির অধীনেও নয়। এই অঞ্চল একটা খাস জমিতে এবং রেলুওয়ের অধীনে রয়েছে বলে টাউন কমিটির সঙ্গে যুক্ত করা সম্ভব হয় নি।

Shri Ramendra Dey : I am not putting the queastion regarding the railway here করিমগঞ্জ ও বদরপুর পৌর সভায় ভোট দাতার সংখ্যা কত ? this is my questions. I am coming to the

questions next time after getting the reply from the minister.

বদরপুর পোরসভার লোক গননার কাজ গত ২০ যাবত্‌ কেন করা হয়নি মন্ত্রী মহোদয়ে জনাবেন কি ?

শ্রীসহীতুল আলাম চৌধুরী (মন্ত্রী) : যিহেতু রাজ্যে সেন্সস করা হয়নি সেইজন্য কোন লোক গননা করা সম্ভৱ হয় নি।

শ্রীজয়নাথ শৰ্মা : বদৰপুৰ চহৰৰ শেষৰ টাউনৰ কমিটিৰ নিৰ্বাচন কেতিয়া হৈছিল ?

শ্রীচহিদুল আলাম চৌধুৰী (মন্ত্রী) ১৯৬৯ চনত

শ্রীজনাথ শৰ্মা : ১৯৬৯ চনতেই শেষ নিৰ্বাচন হৈছিল। তেতিয়াৰ পৰা আজিলৈ ইমান দিনে তাৰ নিৰ্বাচন পাতিব নোৱাৰাৰ কাৰণ কি ?

শ্রীচহিদুল আলাম চৌধুৰী ( মন্ত্রী ) : কিয় নিৰ্বাচন হোৱা নাছিল সেই বিষয়ৰ তথ্যপাতি বৰ্ত্তমান মোৰ হাতত নাই। পিচত দিব পৰা হব।

শ্রীরামেন্দ্র দে : কেন হয়নি সেতা সরকারের অজানার কথা নয়। গত ডিচেম্বর মাসে বিধান সভার অধিবেশনে মন্ত্রী মহোদয় বলেছিলেন যে

Shri Ramendra Dey : Sir, it is a very important question as the Hon. Member Shri Zoi Nath Sharma has also participated. কিন্তু আমি বলেছিলাম যে বদরপুর নির্বাচন করা সম্ভব পর নয়। কারন, ১৯৬৯ সালের পর সেখানে কোন ডিলিমিটেচন বা ডিমার্কেশনের কাজ করা হয় নি। সেটা বোধ হয় সরকার জানেন না? যদি সরকার তা না জানেন তাহালে তা জানার জন্য কোন পদক্ষেপ গ্রহন করবেন কি ?

শ্রীসহীতুল আলাম চৌধুরী (মন্ত্রী) : এই ব্যাপারে সরকার জ্ঞাত আছেন। এবং মাননীয় সদস্য যে পরামর্শ দিয়েছেন তা বিবেচনা করা হবে।

Shri Ramendra Dey : Sir, it is only in Badarpur that the Railway colony has not been included যদি গৌহাটির রেলওয়ে কলোনী গৌহাটী পৌরসভার অধীনে থাকতে পারে এবং আসামের অন্যান্য স্থান যেমন— শিলচর, লামডিং প্রভৃতি স্থানের রেলওয়ে কলোনীগুলী যদি পৌর সভার অধীনে থাকতে পারে তাহালে বদরপুরের রেলওয়ে কলোনীকে কেন বদরপুর পৌরসভার সঙ্গে যুক্ত করা সম্ভব হচ্ছে না তা মন্ত্রী মন্ত্রী মহোদয় জানাবেন কি।

শ্ৰীনহীতুল আলাম চৌধুরী (মন্ত্ৰী) : স্যার, আমি আগেই বলেছি যে এই কলোনী একটা খাস মাটীতে থকার জন্য বদরপুর পৌর সভার সঙ্গে 'ইনক্লুড' করা সম্ভব হয়নি।

**বিষয় : গোৱালপাৰা স্কুল পৰিদৰ্শকৰ দ্বাৰা ষ্টেনোগ্ৰাফাৰ নিযুক্তি**

শ্ৰীমজিৰুদ্দীন আহমদ, সদস্যই সুধিছে

৪৮৩/ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে :

(ক) কোনো জাননী নিদিয়াকৈ গোৱালপাৰাৰ Inspector of School's মহোদয়ই এজন Stenographer নিযুক্তি দিয়া কথাটো সচানে?

(খ) যদি সচা হয় তাৰ বাবে কি ব্যৱস্থা লোৱা হব?

শ্ৰীবৃন্দাবন গোস্বামী শিক্ষা মন্ত্ৰীয়ে উত্তৰ দিছে :

(ক) জাননী নিদিয়াকৈ নিযুক্তি দিয়া কথাটো সঁচা নহয়।

(খ) প্ৰশ্ন নুঠে

শ্ৰীমজিৰুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে উক্ত পদৰ কাৰণে জাননী কোন বছৰৰ কোন তাৰিখে দিয়া হৈছিল, কত কত জাননী দিয়া হৈছিল, কিমানজন দৰ্খস্তাকাৰী আছিল আৰু ইয়াৰ কাৰণে ইনটাৰভিউ লোৱা হৈছিল নে নাই, ইনটাৰভিউ যদি লোৱা হৈছিল কিমান তাৰিখে লোৱা হৈছিল? এই কেইটা কথা মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীবৃন্দাবন গোস্বমী (শিক্ষা মন্ত্ৰী) : গোৱালপাৰা জিলাৰ স্কুল পৰিদৰ্শিকাৰ কাৰ্যালয়ত এটা আশুলিপিকাৰ পদ খালি আছে বুলি গোৱালপাৰা জিলাৰ উপায়ুক্তক জনোৱাত উপায়ুক্তই শ্ৰীসুৰেন দাস নামৰ এজন প্ৰাৰ্থীক বাচনি কৰি তেওঁৰ নাম পঠিয়াই দিয়াত সেই মতে ১৯৮৬ চনত নিযুক্তি দিয়া হয়। কিমানজন প্ৰাৰ্থীৰ নাম উপায়ুতই পঠাইছিল সেইটো জানিব পৰা হোৱা নাই।

শ্ৰীমজিৰুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, উপায়ুক্তই প্ৰাৰ্থী বাচনি কৰি দিয়া হৈছিল বুলি মন্ত্ৰী মহোদয়ে কৈছে। মই জানিব বিচাৰিছো যে পদটো খালি আছিল বুলি কেতিয়া এডভাৰ্টাইজ কৰা হৈছিল? কিমানজন প্ৰাৰ্থীয়ে আবেদন কৰিছিল, সেই মতে কিমানজনক বাচনি পৰীক্ষালৈ মতা হৈছিল এই সম্পৰ্কৰ মই মন্ত্ৰী মহোদয়ৰ পৰা যথাযম উত্তৰ পোৱা নাই। মই জনাত তেওঁ নিজৰ জিলাৰ পৰা এজন লোক নি নিযুক্তি দিছে।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী): অধ্যক্ষ মহোদয়, এইটো এটা পুৰণি বিষয়। ১৯৮৫ চনতেই গোৱালপাৰা জিলাৰ স্কুল পৰিদৰ্শিকা মহোদয়াই তেওঁৰ কাৰ্য্যালয়ত এটা আশুলিপিকাৰ পদ খালি থকা বুলি জনোৱাত গোৱালপাৰা জিলাৰ উপাধ্যক্ষই বাচনি কৰি শ্ৰীসুৰেন দাস নামৰ এজন প্ৰৰ্থীৰ নাম নিযুক্তিৰ কাৰণে পঠাই দিয়ে। সেই মতেই স্কুল পৰিদৰ্শিকা মহোদয়াই তেওঁক নিযুক্তি দিয়ে। যিহেতুকে এই নিযুক্তি সম্পৰ্কত মাননীয় সদস্য গৰাকীৰ সন্দেহ উপজিছে সেই কাৰণে এই গোটেই বিষয়টো মই জানিবলৈ বিচাৰিম। জাননী দিয়া হৈছিলনে নাই বা ইনটাৰভিউ লোৱা হৈছিলনে নাই, কেইজন প্ৰাৰ্থীয়ে আবেদন কৰিছিল, এই সকলো কথা মই অনুসন্ধান কৰিম।

শ্ৰীমজিৰুদ্দিন আহমদ: অধ্যক্ষ মহোদয়, মই আজি কিছুমান দিনৰ পৰা তিনিটা প্ৰশ্নৰ উত্তৰ পালো, মোৰ ব্যক্তিগত যি জ্ঞান তাৰ পৰা কব পাৰো যে এই প্ৰশ্ন বিলাকৰ উত্তৰ সচাঁ নহয়। গতিকে আজি অসম গণপৰিষদ চৰকাৰে যেতিয়া এটা নিজা প্ৰশাসন চলাইছে সেইকাৰণে আমি আশা কৰিছোঁ এই প্ৰশ্নবিলাকৰ উত্তৰ মিছা, মই প্ৰমাণ কৰি দিম। গতিকে মন্ত্ৰী মহোদয়ে ইয়াৰ এটা তদন্ত চলাবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী): অধ্যক্ষ মহোদয়, মই ইতিমধ্যেই কৈছোঁ যে আমি ১৯৮৫ চনৰ ডিচেম্বৰ মাহতহে ক্ষমতালৈ আহিছো আৰু এইটো যে' মাহৰ কথা। গতিকে তেখেতে যেতিয়া সন্দেহ প্ৰকাশ কৰিছে মই অনুসন্ধান কৰিম বুলি প্ৰতিশ্ৰুতি দিছোঁ।

**বিষয়: Block Education Office,**

শ্ৰীগোপীনাথ দাসে সুধিছে

৪৮৩ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) কামৰূপ জিলাৰ ছমৰীয়া উন্নয়ন খন্দৰ Block Education Officeটো স্থাপন কৰা হৈছে নে?

(খ) যদি হোৱা নাই তেন্তে কিয় হোৱা নাই জনাবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) উত্তৰ দিছে:

(ক) কামৰূপ জিলাৰ ছমৰীয়া উন্নয়ন খন্দ প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্য্যালয়টো এতিয়াও স্থাপন কৰা হোৱা নাই।

(খ) খন্দ প্ৰাথমিক শিক্ষা বিষয়া গৰাকী দীঘলীয়াকৈ ছুটী (Leave) ত

থকা কাৰণে এই কাৰ্য্যালয় স্থাপন হোৱা নাই।

শ্ৰী গোপী নাথ দাস : অধ্যক্ষ মহোদয়, এই অফিচটো কেতিয়া আৰু কত স্থাপন কৰা হব মন্ত্ৰী মহোদয়ে জনাবনে ? আৰু কেতিয়াৰ পৰা কাৰ্যালৰ কাম আৰম্ভ হব জনাবনে ?

শ্ৰীবৃন্দাৱন গোস্বামী (শিক্ষা মন্ত্ৰী) : অধ্যক্ষ মহোদয়, অসম চৰকাৰে ১৯৮৫ চনৰ ফেব্ৰুৱাৰী মাহতেই ১২১ টা খন্দ প্ৰাথমিক শিক্ষা বিষয়া পদত বিভাগীয় বিষয়াক পদোন্নতি দিছিল। কামৰূপ জিলাৰ ছমৰীয়া উন্নয়ণ খন্দৰ প্ৰাথমিক শিক্ষা বিষয়া পদত ও এগৰাকী বিভাগীয় বিষয়াক পদোন্নতি দিয়া হৈছিল আৰু ছমৰীয়া উন্নয়ণ খন্দৰ কেন্দ্ৰীয় ঠাইত কাৰ্যালয় স্থাপনৰ কাৰণে বিভাগীয় নিৰ্দ্দেশ দিয়া হৈছিল। ব্যক্তিগত কাৰণ বসতঃ শ্ৰীসলিত মোহন দাস নামৰ বিষয়া গৰাকী দীঘলীয়াকৈ ছুটীত থকাৰ কাৰণেই এতিয়াও কাৰ্য্যালয়টো স্থাপন হোৱা নাই আৰু বিভাগীয় নিৰ্দ্দেশ কাৰ্য্যাকৰী হোৱা নাই। বিষয়া গৰাকী যোৱা ২। ৫। ৮৬ ইং তাৰিখৰ পৰা এতিয়াও ছুটীত আছে। নিৰ্দ্দেশ দিয়ামতে কাৰ্যালয় স্থাপনৰ ব্যৱস্থা লোৱা হব। অন্য বিষয়া নিয়োগ কৰি উক্ত কাৰ্যালয় চলোৱাৰ ব্যৱস্থা লোৱা হব।

শ্ৰীগোপী নাথ দাস : অধ্যক্ষ মহোদয়, ছমৰীয়া ব্লক অফিচটো বৰ্ত্তমান যত আছে মই জনা মতে তাত স্থাপন নকৰি বেলেগ ঠাইত স্থাপন কৰাৰ চেষ্টা চলাইছে কথাটো সচাঁনে ? যদি সচাঁ হয় তেন্তে যতে আছে ততে স্থাপন নকৰাৰ কাৰণ কি ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) : অধ্যক্ষ মহোদয়, বৰ্ত্তমান ঠাইখন কেন্দ্ৰীয় ঠাই নহয় বাবেই এই কাৰ্যালয়টো কেন্দ্ৰীয় ঠাইত স্থাপন কৰিব লাগে বুলি পৰামৰ্শ আহিছে সেইকাৰণে বেলেগ এখন কেন্দ্ৰীয় ঠাইত স্থাপন কৰাৰ কথা বিবেচনা কৰা হৈছে।

শ্ৰীদেৱেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, কলিয়াবৰ খন্দ উন্নয়ণ বিষয়াজন বহু দিন থৰি কাৰ্যালয়ত উপস্থিত নাই, এই কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী : অধ্যক্ষ মহোদয়, প্ৰশ্নটো আছিল ছমৰীয়াৰ মই আগতেই কৈছোঁ যে ১৯৮৫ চনৰ ফেব্ৰুৱাৰী মাহতে ১২১ টা খন্দ প্ৰাথমিক শিক্ষা বিষয়া পদত এগৰাকী বিভাগীয় বিষয়াক পদোন্নতি দিয়া হৈছিল, কিন্তু বিভিন্ন কাৰণত কাৰ্যালয়টো এতিয়াও আৰম্ভ কৰিব পৰা নাই। মই উত্তৰত কৈছোঁৱেই যে কাৰ্যালয়বিলাক মহকুমাতেই আৰম্ভ

কৰিবলৈ বিচৰা হৈছে। যি সকল বিষয়াক পদোন্নতি দিয়া হৈছে তেওঁলোকে যোগদান নকৰিলে ব্যৱস্থা লোৱা হব।

শ্ৰীমুক্তাৰ হুচেইন: অধ্যক্ষ মহোদয়, এই কাৰ্য্যালয়বিলাক শিক্ষা বিভাগৰ নে পঞ্চায়তৰ? এই অফিচ বিলাকত অফিচাৰ থকাৰ কাৰণে কোৱাটাৰৰ কিবা ব্যৱস্থা আছে নেকি? অফিচাৰ থকাৰ সুবিধা নোহোৱাৰ কাৰণে অফিচাৰে জইন কৰা নাই, এই ব্যৱস্থাটো কোনে কৰিব জনাবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী): অধ্যক্ষ মহোদয়, সদস্য জনে ঠিকেই কথাটো ধৰিছে। বিষয়া সকলক পদোন্নতিহে দিয়া হৈছিল, থকাৰ ব্যৱস্থা কৰা হোৱা নাছিল। কোৱাটাৰৰ বাহিৰেও আৰু আন আন সমস্যা আছে, সেইকাৰণে কাৰ্য্যালয়বিলাক কেন্দ্ৰীয় ঠাইত স্থাপন কৰাৰ কথা ভবা হৈছে যাতে বিষয়া সকলৰ থকা মেলাৰ সুবিধা হয়। এইদৰে সকলো কথা চিন্তা কৰি পৰ্য্যায়ক্ৰমে কামটো আৰম্ভ কৰিবলৈ বিচৰা হৈছে।

শ্ৰীগোপী নাথ দাস: অধ্যক্ষ মহোদয়, ছমৰীয়া ব্লকতে অফিচটো স্থাপন কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী: আমি স্বাভাৱিকতে ব্লকবিলাকৰ লগতে স্থাপন কৰিবলৈ চেষ্টা কৰিছোঁ।

**বিষয়: ব্যক্তিগত খণ্ডত গঢ় উঠা ফাইনান্স কোম্পানী॥**

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে

*৭৮৫/ মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) অসমত বহুত বিলাক Finance Company ব্যক্তিগত খণ্ডত গঢ় লৈ উঠা আৰু উক্তফাইনেন্স কোম্পানী সমূহে ৰাইজৰ পৰা টকা সংগ্ৰহ কৰাৰ বিষয়ে জানেনে?

(খ) যদি জানে, এই Finance Company অথবা ৰাইজৰ পৰা আদায়কৃত টকাৰ কিবা নিৰাপত্তা আছে বুলি চৰকাৰ নিশ্চিতনে?

(গ) যদি নাই তেন্তে এই Finance Company বিলাক বন্ধ কৰাৰ ক্ষেত্ৰত চৰকাৰে সুনিৰ্দ্দিষ্ট নীতি ঘোষনা কৰি ৰাজইৰ নিৰাপত্তাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) উত্তৰ দিছে

(ক) অসমত কেতবোৰ ব্যক্তিগত খণ্ডত গঢ় লৈ উঠা Finance Company ৰ এখন গোপনীয় তালিকা চৰকাৰৰ হাতত আছে। এই

কোম্পানী সমূহৰ কাৰ্য্য কলাপ সম্বন্ধে তদন্ত কৰিবলৈ চোৰাংচোৱা বিভাগক নিৰ্দ্দেশ দিয়া হৈছে। তদন্দৰ বিতং প্ৰতিবেদনলৈ অপেক্ষা কৰা হৈছে।

(খ) এই কোম্পানী সমূহৰ বা তেওঁলোকৰ দ্বাৰা আদায়কৃত ধনৰ নিৰাপত্তা আছে বুলি চৰকাৰে নিশ্চয়তা দিব নোৱাৰে।

(গ) এই Finance Company বিলাকৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ নীতি অনুসৰণ কৰা হয় আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰণয়ন কৰা ১৯৭৮ চনত prize chits Money Circulation Schemes (Banning) Act খন ১২-১২ ৭৮ তাৰিখৰ পৰা বলবৎ কৰা হয় এই আইণৰ দ্বাৰা কোনো ব্যক্তিয়ে Prize Chit বা Money Circulation Scheme পৰিচালনা কৰাবা এনেধৰণৰ আচনিৰ জৰিয়তে ধন সংগ্ৰহ কৰা নিষিদ্ধ কৰি দিয়া হৈছে। ইয়াৰ অন্যথায় আইণমতে শাস্তি বিহাৰ ব্যৱস্থা আছে। ৰাজ্যচৰকাৰে ৰাজপত্ৰ যোগে এনেবোৰ অনুষ্ঠানৰ কাৰ্য্যকলাপ বন্ধ কৰি দিয়া সম্পৰ্কে ৩১-৭-৮০ তাৰিখে নিয়মাৱলী প্ৰকাশ কৰে। এনেবোৰ অনুষ্ঠান বন্ধ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ নীতি সুস্পষ্ট আৰু তাৰ কোনো পৰিবৰ্ত্তন হোৱা নাই।

শ্ৰীদেৱেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, আজি অলপ দিনৰ আগতে নাজিৰা শাখা পুৰ্ব্বাঞ্চল চেন্দিকেট বেংকে দহ লাখ টকা লৈ পলাই গৈছে তেনেধৰণৰ অন্যান্য কিছুমান বেংকে অসমৰ বহুতো চিট ফাৰ্মৰ টকা লৈ পলায়ণ কৰিছে, চৰকাৰে এই বোৰ বন্ধ কৰাৰ কথা চিন্তা কৰিছে নে?

শ্ৰীভৃগুকুমাৰ ফুকন (গৃহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই (গ) প্ৰশ্নৰ উত্তৰত প্ৰাইজ চিট্চ মানি চাৰকুলেশ্যন স্কীম এক্টৰ কথা কৈছোঁৱেই। এই আইনখন ব্যৱহাৰৰ বাবে ইতিমধ্যে কৰা হৈছে।

---o---

**Re : Finalisation of the list of teachers**

Shri Abdul Muqtadir Choudhury, asked

* 486. will the Minister, Education be plaased to State :

(a) In how many district interview for selection of candidates for L.P. and Middle school teacher have been completed by the Selection Board? (A statement stating name of the district and date

of interview may be furnished on the table of the House)

(b) In how many district selection of finalisation of list of teaeher for both L.P. and M.E. Schools have been completed by the Selection Committee ? (A statement stating name of the district may placed on the table of the House).

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এই সম্পৰ্কত তথ্য বিচাৰি পঠোৱা হৈছে। পালে জনাব পৰা
(খ) হব।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে (ক) (খ) প্ৰশ্ন উত্তৰ লিখিত ভাবে পঢ়ি দিয়াৰ পাছত এই কথা খিনি সংযোগ কৰে—

ধেমাজী মহকুমাৰ উপদেষ্টা পৰিষদে তালিকা প্ৰস্তুত কৰিছে আৰু লক্ষীম পুৰতো এইদৰেই কৰা হৈছে। এই সম্পৰ্কত তথ্য পাতি পোৱা নাই কাৰণে সদনক জনাব পৰা নাই।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী : অধ্যক্ষ মহোদয়, নিয়োগৰ সময় সীমা বান্ধি দিয়া হৈছে নে কি যে ইমান সময়ৰ ভিতৰতে গোটেই অসমৰ তালিকা আহিব লাগিব? মই আগতেও এই কথা কৈছিলো আৰু এতিয়াওকও যে যিবিলাক স্কুলত একজনীয়া শিক্ষক আছে বিশেষকৈ গাৱলীয়া স্কুলত সেই বিলাক স্কুলত কিবা কাৰণত শিক্ষক জনে ছুটী ললে স্কুল বন্ধ দিব লগীয়া হয়, এনেবোৰ স্কুলত যত অধিক শিক্ষক আছে তাৰ পৰা আনি নিয়োগ দিয়াৰ কথা চৰকাৰে ভাবিছে নেকি?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) : মই কৈছোঁৱেই যে ইতিমধ্যে জিলা উপদেষ্টা পৰিষদক সোনকালে তালিকা নিৰ্ধাৰণ কৰিবলৈ দিয়া হৈছে আৰু একজনীয়া স্কুলৰ কথা আমি উপলব্ধি কৰিছোঁ আৰু এনে কাৰণ বশতঃ মুকালমুৱাত পৰীক্ষাই নহল। আমি জিলা কৰ্তৃপক্ষক নিৰ্দেশ দিছো যে অধিক শিক্ষক থকা স্কুলৰ পৰা একজনীয়া শিক্ষক থকা স্কুললৈ শিক্ষক বদলি কৰিব লাগে।

—•—

Re .:—LOUD SPEAKER SYSTEM OF SILCHAR TOWN

Shri Karhendu Bhattacharyya asked.

*487. Will the Chief minister be pleased to stat :

(a) Whether it is a fact that the fixed Loud Speaker System of Silchar Town is not fuctioning for a long time?

(b) If so wh at measures Government have taken to repair and keep the essential media of the town in perfect condition ?

Shri Prafulla Kumar Mahanta, (Chief Minister) replied

(a) no.

(b) Steps for repairs where needed are being taken.

বিষয় খণ্ড ঃ উন্নয়নত কুৰিদফীয়া আচঁনি ৰূপায়ন।

শ্ৰীচিলভিয়াচ কন্দপানে সুধিছে ঃ

* ৪৮৮/ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

যোৱা ১৯৮৬-৮৭ চনৰ বাবে দৰং জিলাৰ প্ৰতিটো খণ্ড উন্নয়ন এলেকাৰ বাবে কুৰিদফীয়া আচঁনিখন ৰূপায়নৰ বাবে মুঠ কিমান টকা ধাৰ্য্য কৰা হৈছিল।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) উত্তৰ দিছে।

পৰিকল্পনা আৰু উন্নয়ন বিভাগে খণ্ড উন্নয়নলৈ সংশ্লিষ্ট বিভাগৰ জৰিয়তে বিত্তীয় অনুদান আগবঢ়ায়, সেয়েহে উক্ত প্ৰশ্নৰ তথ্য পাতিৰ কাৰনে বিভাগীয় আয়ুক্ত আৰু সচিবৰ লগত যোগাযোগ কৰা হৈছে।

শ্ৰীচিলভিয়াচ কন্দপান ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোৰ জাননী বহুত আগতেই দিয়া হৈছিল আৰু এইটো 'এড্‌মিটো' কৰা হৈছিল। তত্‌স্বত্বেও মাননীয় মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিলে সেইটোত আমি সন্তুষ্ট হব পৰা নাই।

শ্ৰীভৃগুকুমাৰ ফুকন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰৰ পৰিকল্পনা আয়োগে ২০ দফীয়া আচনি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগৰ জৰিয়তে বিত্তীয় অনুদান আগবঢ়ায়। জিলা ভিত্তিত হে এই আচঁনিৰ টকা বিলাক দিয়া থাকে। সেয়েহে উক্ত প্ৰশ্নৰ তথ্য পাতিৰ কাৰণে বিভাগীয় আয়ুক্ত আৰু সচিবৰ লগত যোগাযোগ কৰা হৈছে।

শ্ৰীচিলভিয়াচ কন্দপান ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো গ্ৰামোন্নয়ণ বিভাগৰ ফালৰ পৰাহে পাবলগীয়া আছিল। খন্দ উন্নয়ণ বিভাগ সমূহৰ উন্নয়নৰ কাৰণেহে টকাটো ধাৰ্য্য কৰাৰ কথা আছিল। মোৰ প্ৰশ্নটো আছিল বিশেষকৈ দৰং জিলাক লৈহে। তাত কমেও ৪। ৫ টা ব্লক আছে।

তাত কিমান টকা ধাৰ্য্য কৰা হৈছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীসৰেণ মেধি (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটোৰ উত্তৰ বোধকৰো গ্ৰামোন্নয়ণ বিভাগৰ ফালৰ পৰাহে দিব লগীয়া আছিলনেকি ?

শ্ৰীভৃগুকুমাৰ ফুকণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেই। কুৰি দফীয়া আচঁনি বিলাক কৰ্য্যকৰী কৰাৰ কাৰণেহে টকা বিলাক ধাৰ্য্য কৰা থাকে। খণ্ড ভিত্তিত টকা বিলাক ধ্যৰ্যা কৰা নেথাকে, জিলা ভিত্তিত হে কৰা থাকে।

শ্ৰীচিলভিয়াচ কন্দপান : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নটো দৰং জিলাৰ খণ্ড উন্নয়ণৰ সন্দৰ্ভত সুধিছিলো।

Sir, will the answer remain pending like that ? Mine is a very simple question, and the answer by the Hon. Minister would have beem also simple, and the question was admitted on its own mreit, but we have not got the proper answer to question. Can we not expect to get jutice from the Government. ?

শ্ৰীভৃগুকুমাৰ ফুকণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো ২০ দফীয়া আচঁনিৰ লগত জড়িত প্ৰশ্ন। খণ্ড ভিত্তিত টকা বিলাক কণ্টন কৰা নেথাকে, জিলা ভিত্তিত হে বণ্টনা কৰা থাকে।

বিষয় :— কলিয়াবৰ আৰু ধিঙত শাখা কোষাগাৰ স্থাপন।

শ্ৰীস্বহীতুল ইছলামে সুধিছে

*৪৮৯/ মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ?

(ক) ধিং অঞ্চলৰ মুক্তি যুজাৰু পেঞ্চন ভোগী সকলে সুবিধা অনুযায়ী পেঞ্চন লোৱাৰ সুবিধাৰ কথা লক্ষ্য ৰাখিও জনসাধাৰণৰ সুবিধাৰ অৰ্থে নগাওঁ জিলাৰ ধিঙত এটি শাখা কোষাগাৰ খোলাৰ ব্যৱস্থা কৰিব নে ?

(খ) যদি কৰে, কেতিয়ালৈ কৰিব ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই (মুখ্য মন্ত্ৰী) উত্তৰ দিছে :

(ক) আৰু (খ) চৰকাৰী ৰাজহ সংগ্ৰহ আৰু ব্যয়, নিকটতম কোষাগাৰৰ পৰা দুৰত্ব আৰু প্ৰশাসনীয় আৱশ্যকতা আদি বিবেচনা কৰিহে কোনো অঞ্চলত কোষগাৰ স্থাপম কৰা হয়। কোষোগাৰৰ বিত্তয় লেনদেন বেংকৰ জৰিয়তে হয় আৰু ৰিজাৰ্ভ বেংকৰ অনুজ্ঞাপত্ৰ নহলে বেংকে মুদ্ৰা চন্দুক স্থাপন কৰি এনে লেনদেন কৰিব নোৱাৰে। এনে পৰিস্থিতিত নতুন কোষাগাৰে কেতিয়ামানে স্থাপন কৰিব পৰা হয়, কোৱা টান।

শ্ৰীছহিদুল ইছলাম : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ প্ৰশ্নোত্তৰত আমি দেখা পাইছো যে, কলিয়াবৰ আৰু ধিঙ এই যি দুখন ঠাইৰ কথা উল্লেখ কৰা হৈছে তাৰ ভিতৰত কলিয়াবৰত চিয়াহিৰ দাগ লগোৱা আছে। মোৰ প্ৰশ্ন হৈছে যে, মুক্তি যুদ্ধাৰু সকলৰ প্ৰতি সন্মান জনাই ধিং আৰু কলিয়াবৰ অঞ্চলত দুটা কোষাগাৰ স্থাপন কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীভৃগুকুমাৰ ফুকণ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ এই কথাটো বিবেচনা কৰি চাৰ পৰা হব।

**Re : Vacant post of teachers of High and Higher Secondary Schools of Barpeta.**

Secondary Schools of Barpeta.

Shri Sheikh Abdul Hamid askd

* 490. Will the Minister, Education be pleased to state.

(a) whether it is a fact that several post of Graduate teachers are lying vacant in High and Higher Secondary Schools of Barpeta district? (Please state the names of Schools and number of vacancies).

(b) Whether it is a fact that posts of graduate teacher in Moinabari H. S. School and Bamundongra H. S. School are lying vacant for a long period?

(c) If so, the reasons thereof?

শ্ৰীবৃন্দাবন গোস্বামীয়ে (শিক্ষা মন্ত্ৰী) উত্তৰ দিছে।

(ক) হয়, ১৭ টা স্নাতক শিক্ষকৰ পদ খালি হৈ আছে।

(খ) বামনদংৰা উচ্চতৰ মাধ্যমিক স্কুলত ১ টা স্নাতক পদ খালি আছে। মইনাবাৰী উচ্চতৰ মাধ্যমিক স্কুলত কোনো স্নাতক পদ খালি হৈ থকা নাই।

(গ) জিলা বাচনি কমিটি গঠন নোহোৱাৰ বাবে উক্ত পদ সমূহ পূৰণ কৰিব পৰা হোৱা নাই।

**বিষয় : পুৰণি সত্ৰ আৰু দেৱালয় সমূহৰ ৰক্ষণা বেক্ষণ।**

শ্ৰীসুৰেন স্বৰ্গীয়াৰীয়ে সুধিছে

* ৪৯১/ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমৰ গ্ৰাম্যাঞ্চলৰ বিভিন্ন ঠাইত সিচঁৰিত হৈ থকা পুৰণি ভগা ছিগা সত্ৰ আৰু দেৱালয় সমূহৰ ৰক্ষনা বেক্ষণ আৰু পুনঃ নিৰ্মাণৰ আচঁনি চৰকাৰৰ হাতত আছে নেকি ?

(খ) যদি আছে, আচঁনি সমূহ কি কি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই (মুখ্য মন্ত্ৰী) উত্তৰ দিছে :

(ক) হয়, আছে।

(খ) যিবোৰ সত্ৰ, দেৱালয় আৰু পুৰনি কীৰ্তিস্তম্ভ কেন্দ্ৰীয় আৰু ৰাজ্যিক প্ৰত্নতাত্ত্বিক আইনৰ ভিতৰত পৰে, সেইবোৰৰ প্ৰাচীনত্বক ৰক্ষা কৰি (১) সংৰক্ষণ (২) মেৰামতি আৰু (৩) সৌন্দৰ্য্যবৰ্দ্ধনৰ কাম কৰি অহা হৈছে।

শ্ৰীসুৰেণ স্বৰ্গীয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ গ্ৰাম্যাঞ্চলৰ বিভিন্ন ঠাইত সিচঁৰিত হৈ থকা পুৰণি ভগা ছিগা সত্ৰ আৰু দেৱালয় সমূহৰ ৰক্ষণাবেক্ষণ আৰু পুনঃ নিৰ্মাণৰ আচঁনি চৰকাৰে লবনে? সেইটো মোৰ প্ৰশ্ন আছিল।

শ্ৰীভৃগুকুমাৰ ফুকণ (মন্ত্ৰী) • কেৱল গাৱঁ ভূয়েই নহয়, ৰাজ্য খনৰ ভিতৰত পৰা সকলোবোৰ সৰু বৰ প্ৰশ্নতাত্বিক কীৰ্ত্তি চিন সংৰক্ষণৰ আচঁনি প্ৰত্নতত্ব সঞ্চালকালয়ৰ আছে। সত্ৰ আৰু দেৱালয় সমূহৰ যি বোৰত এশ বছৰতকৈ পুৰণি সাক্ষ্য আছে, সেইবোৰক প্ৰত্নতত্বৰ আইন অনুসৰি ৰক্ষণা-বেক্ষণ দিব পাৰি।

**Re : Grant for repair or stonm damaged schools.**

Snri Aminul Islam asked

• 492. Will the Minister, Edufation be pleased to state

Whether the Suckchar Higher Secondary School and the Kakripara High School of Mankachar Constituency have received any financial grants for repairing of the School buildings which were damaged by storms (last ?

শ্ৰীবৃন্দাবন গোস্বামীয়ে (শিক্ষা মন্ত্ৰী) উত্তৰ দিছে:

(ক) নাই পোৱা।

শ্ৰীআমিনুল ইছলাম : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল এয়ে যে, চোকচৰ হাইয়াৰ চেকেণ্ডৰী আৰু কাক্ৰিপাৰা হাইস্কুল খন

যোৱা বছৰৰ ধুমুহাত বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল, স্থানীয় ৰাইজেহে ইয়াৰ মেৰামতিৰ কাৰণে যাৱতীয় ব্যৱস্থা আদি কৰিছিল। মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে, ইয়াৰ মেৰামতি ইত্যাদিৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কিবা সাহার্য্য আগবঢ়াবনে?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ ৪ হেজাৰ খন প্ৰাথমিক আৰু উচ্চ মাধ্যমিক স্কুল ধুমুহাত বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। সেই বিলাকৰ মেৰামতিৰ বাবত প্ৰায় চাৰে ন লাখ টকা সাহার্য্যৰ কাৰণে পোৱা হৈছিল। চৰকাৰে ১৯৮৬-৮৭ চনৰ বিত্তীয় বছৰত ৭৫ খন ধুমুহাত ক্ষতি হোৱা স্কুলৰ বাবে ৪ লাখ ৭৫ হেজাৰ টকা মঞ্জুৰী দিয়ে। মাননীয় সদস্য জনে যি কেইখন স্কুলৰ কথা উল্লেখ কৰিছিল তাৰ ক্ষতিৰ পৰিমাণ যথেষ্ঠ সামান্য আছিল।

বিষয়: চৰ উন্নয়ন নিগমৰ সাহায্য।

বিধায়ক শ্ৰীআব্দুল জলিলে সুধিছে।

* ৪৯৩/ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ জনাবনে?

(ক) অসম চৰ উন্নয়ন নিগমৰ যোগেদি বৰ্ত্তমানলৈ চৰ্ৱবাসী লোকসকলৰ কি কি সা-সুবিধা দিয়া হৈছে?

(খ) কোন মহকুমাত কিমান স-সুবিধা কিমান জন লোকক দিয়া হৈছে

(গ) ১৯৮৬-৮৭ বিত্তীয় বছৰত এই নিগমৰ কিমান টকাৰ আঁচনি গ্ৰহন কৰা হৈছে?

(ঘ) এই আচঁনি অনুসৰি এই বিত্তীয় বছৰত কি কি সা-সুবিধা দিয়া হৈছে আৰু ক'ত ক'ত দিয়া হৈছে জনাবনে? (খণ্ড উন্নয়ন ভিত্তীত)

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) উত্তৰ দিছে।

(ক) চৰ উন্নয়ন কতৃপক্ষৰ যোগেদি চৰবাসী লোক সকলক উপকৃত কৰাৰ অৰ্থে পাওৱাৰ টিলাৰ, থে.চাৰ, হস্ত চালিত পাম্প, দমকল অগভীৰ নলীনাড, চিলাইকল বীজ, সাৰ ঔষধ, মৎস, গাই-গৰু কুকুৰা-চৰাইৰ যোগান ইত্যাদিৰ সা-সুবিধা দিয়া হৈছে।

(খ) মহকুমা ভিত্তীত আঁচনি সমূহৰ যোগেদি উপকৃত হোৱা লোকৰ অনুমানিক হিচাব এখনৰ তালিকা সদনৰ মেজত ৰখা হৈছে।

(গ) ১৯৮৬-৮৭ বিত্তীয় বছৰত এই নিগমে বিভিন্ন উন্নয়ন মূলক আঁচনিৰ বাবে ৪৪ লাখ টকা ধাৰ্য্য কৰিছে।

(ঘ) আঁচনি অনুসৰি বছৰটোৰ ভিতৰত বিভিন্ন খণ্ড উন্নয়ন ভিত্তিত দিয়া সা-সুবিধাৰ হিচাবৰ এখন তালিকা সদনৰ মেজত ৰখা হৈছে।

শ্ৰীমোক্তাব হোচেইন: মাননীয় মন্ত্ৰী ডাঙৰীয়াই 'ক' প্ৰশ্ন উত্তৰত জনাইছে যে অন্যান্য সুবিধাৰ লগতে গাইগৰুৰ সা-সুবিধা দিয়া হৈছে, কিন্তু জানিব পৰা মতে গাইগৰুতকৈ ষাড় গৰুহে বেচিকৈ দিয়া হৈছে। এতিয়া মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে কেইটা গাই-গৰু আৰু কেইটা ষাড় গৰু দিয়া হৈছে?

শ্ৰীভৃগু কমাৰ ফুকন, (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে বিতং তথ্য মোৰ হাতত নাই। চৰত গৈ বিচাৰ কৰিলেহে সংখ্যাটো জানিব পৰা হব আৰু তেতিয়া দিব পৰা হব।

Starred Q. no 494 was not Called for However writen reply deemed to have been laid on the Table as follows.

**বিষয়: দোকানী উচ্ছেদ।**

শ্ৰীমছিৰ উদ্দিন সেখে সুধিছে:

• ৪৯৪ মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে?

(ক) ধুবুৰী চহৰত প্ৰায় ৩০। ৪০ বছৰ ধৰি নিয়মিত ভাবে পৌৰ সভাৰ অনুমতি ক্ৰমে নিয়মিত ভাৰা দি থকা স্বত্বেও জিলা উপায়ুক্তই কিছুমান দোকানৰ মালিকক উচ্ছেদ কৰি থকাৰ বিষয়ে চৰকাৰ অবগতনে?

(খ) যদি অবগত এনে উচ্ছেদ কাৰ্য্য বন্ধ কৰাৰ কিবা ব্যৱস্থা হাতত লৈছে নে?

শ্ৰীচহিদুল আলম চৌধুৰী (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) উত্তৰ দিছে:

(ক) এতিয়ালৈ কোনো দোকানীক উচ্ছেদ কৰা হোৱা নাই।
(খ) প্ৰশ্ন নুঠে।

**Re: Service conditions of Muuicipal/Town Committees employees.**

Shri Abdul Jabbar, asked:

• 495. Will the Minister Municipal Administration be pleased to state;

(a) Whether the service conditions and pay scale of

the Municipal/ Town Committees employees are at per with that of the other State Government Employees ?

(b) If not will the Government consider the case of those employees ?

Shri Sahidul Alam Choudhury (Minister of Municipal Administration,) replied :

(a) No

(b) Municipal Boards/ Town Committees are autonomous Bodies and under the provisions of the Assam Municipal Act 1956, these Bodies appoint their employees and determine their pay scales and service conditions.

শ্ৰীআব্দুল জব্বৰ : মাননীয় অধ্যক্ষ মহোদয়, (এ) প্ৰশ্ন উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে মিউনিচিপেলিটি আৰু টাউন কমিটিৰ কৰ্মচাৰী সকলৰ চাৰভিচ কন্দিশান আৰু পে ইত্যাদি চৰকাৰী কৰ্ম্মচাৰী সকলৰ লগত একে নহয় সেই ফালৰ পৰা মই কৈছো এইবাৰ এইটো একে কৰাৰ ব্যৱস্থা কৰিব নে ? হয়তে এইটো অটোনমাচ বডি বুলি কৈছে কিন্তু কাৰ্য্যক্ষেত্ৰত দেখা যায় অটোনমাচ হৈ থকা নাই চৰকাৰৰ ডাইৰেক্ট কন্ট্ৰোলত চলা যেন লাগে তেনেস্থলত কৰ্মচাৰী সকলৰ গ্ৰেচুইটি আৰু পেনশ্যন ইত্যাদি পোৱাত অসুবিধা হৈছে, এই বিষয়ে চিন্তা কৰি জনাবনে ?

Shri Sahidule Alam Choudhury (Minister) — Mr. Speaker, Sir. Since the service conditions and the pay scales of the employees of urban bodies are governed by the Assam municipal Act, 1956, it is the discretion of the local. bodies make any change in these matters. However, the Municipal Finance Commitee which has been constituted by Government in the year 1986 is likely to recommend improvement in the staffing pattern and their relevant pay scales, so as to streamline the financial and accounting arrangements of the Municipalities.

Shri Ramendra Dey — Mr. Speaker, Sir. I will ask only one supplementary. The question is whether the

services of the employees of the Municipal/town Committees will be provincialised, or not ?

Shri Sahidul Alam Choudhury, (Minister)— No, Sir.

বিষয় : হোজাই মহকুমাৰ উন্নয়নৰ বাবে টকা ধাৰ্য্য।

শ্ৰীআব্দুল জলিল ৰাগিবীয়ে সুধিছে :

* ৪৯৬। মানীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) হোজাই মহকুমাৰ উন্নয়নৰ বাবে যোৱা বিত্তীয় বছৰটোত কিমান টকা ধাৰ্য্য কৰা হৈছিল ?

(খ) এতিয়ালৈকে উক্ত মহকুমাৰ বাবে বিভিন্ন শিতানত কিমান টকা খৰচ কৰা হৈছে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বিকেন্দ্ৰীত পৰিকল্পনাৰ অধীনত আচনিৰ ৰূপায়ন কৰাৰ কাৰণে যোৱা বিত্তীয় বছৰটোত বাজেটত টকা ধাৰ্য্য কৰা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীআব্দুল জলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, হোজাই মহকুমাৰ বিভিন্ন দিশৰ উন্নয়নৰ কাৰণে যথেষ্ট পৰিমানৰ টকা প্ৰয়োজন। তেনে ক্ষেত্ৰত মাননীয় গৃহ মন্ত্ৰী মহোদয়ে উত্তৰত কোৱাৰ দৰে যে কোনো টকা ধাৰ্য্য কৰা হোৱা নাই যোৱা বিত্তীয় বছৰটোত, এতিয়া এটা বছৰ এটা মহকুমাত কোনো টকা-পইচা নিদ্ধাৰণ নকৰাটো কেনে ধৰণৰ কথা, এই বিষয়ে মন্ত্ৰী মহোদয়ে অলপ ৰাখ্যা কৰিলে ভাল হব।

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৯৮৬ চনৰ ১লা এপ্ৰিলৰ পৰা মহকুমা পৰিকল্পনা পৰিষদ সমূহ গঠন কৰি ১৯৮৭-৮৮ বিত্তীয় বছৰৰ বাবে পৰিকল্পনা যুগুত কৰাৰ কাম ন্যস্ত কৰা হৈছে। নগাঁও জিলাৰ তিনিখন মহকুমাৰ পৰিকল্পনা, যুগুত কৰিবৰ বাবে নিযুক্তি দিয়া বিষয়া আৰু কৰ্মচাৰী সকলৰ মাহেকীয়া দৰ্মহা ইত্যাদিৰ কাৰণে ১৯৮৬-৮৭ চনৰ নগাওঁৰ উপায়ুক্তক ১লাখ ৩ হাজাৰ টকা দিয়া হৈছিল। আৰু এই সমূদায় ধন খৰচ হয়। হোজাই মহকুমাৰ ১৯৮৭-৮৮ চনৰ পৰিকল্পনাৰ খচৰা ৯২৬,৫১ লাখ টকাৰ ভিতৰত যুগুত কৰিবৰ বাবে ঠাৱৰ কৰা হৈছিল। (পৰিকল্পনা আয়োগে অনুমোদন কৰা মুঠ ধনৰ আধাৰত ১৯৮৭-৮৭ বিত্তীয় বছৰৰ কাৰণে ভৈয়াম অঞ্চলৰ মহকুমা সমূহক মুঠ ১০৭

কৌটি টকা আবণ্টন কৰা হৈছে। এই ধনৰ শতকৰা ৯০ ভাগ অৰ্থাত মুঠ ৯৬ কৌটি টকা মহকুমা পৰ্য্যায়ৰ আঁচনি যুগুতাবৰ কাৰণে আৰু অবশিষ্ট শতকৰা ১০ ভাগ অৰ্থাত ১১ কোটি টকা মহকুমা সমূহৰ বিশেষ সমস্যাৰ বাবে আছুতিয়াকৈ ৰখা হৈছে। মহকুমা পৰ্য্যায়ৰ আঁচনি যুগুতাবৰ বাবে ধাৰ্য্য কৰা এই ৯৬ কোটি টকাৰ ১৯'৩২ কোটি টকা অনুসূচিত জাতিৰ পৰিকল্পনাৰ শিতানত আছুতিয়াকৈ ৰাখি বাকী ধন (৭৬'৩৮ কোটি টকা নিম্ন উল্লেখিত ভিত্তিত মহকুমা সমূহৰ মাজত আবণ্টন দিয়া হৈছে। জনসংখ্যা শতকৰা ৫০ ভাগ, ভৌগলিক কালি শতকৰা ২০ ভাগ, ভৈয়াম জনজাতিৰ লোকসংখ্যা শতকৰা ৩০ ভাগ, অনুসুচিত জনজাতিৰ লোকসংখ্যা শতকৰা ৭ ভাগ। যদিও ১৯৮৫-৮৬ বিত্তীয় বছৰত বিকেন্দ্ৰীকিত পৰিকল্পনাৰ যোগেদি কোনো উন্নয়ন মূলক আঁচনি ৰূপায়ন কৰা হোৱা নাই তথাপিয়ো ৰাজ্যিক পৰ্য্যায়ৰ যোগেদি হোজাই মহকুমাকে ধৰি সকলো মহকুমাতে বিভিন্ন উন্নয়ন মূলক আঁচনী চলি আছে।

বিষয়ঃ চৰকাৰী প্ৰচাৰ মাধ্যম।

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে :

*৪৯৭। মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ?

(ক) চৰকাৰী আঁচনি সমূহ সকল ৰূপায়নৰ বাবে চৰকাৰে কি কি মাধ্যমেৰে প্ৰচাৰ কাৰ্য্য হাতত লৈছে ?

(খ) বৰ্ত্তমান চলিত প্ৰচাৰ মাধ্যমক গাওঁৰ পিচপৰা জনসাধাৰণৰ বাবে যথোপযুক্ত বুলি চৰকাৰে বিবেচনা কৰে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মূখ্য মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) বাতৰি কাকত, দূৰদৰ্শন, আকাশবাণী, পুস্তিকা প্ৰকাশ, প্ৰদৰ্শনী, সাংস্কৃতিক অনুস্থান, কথাছবি প্ৰদৰ্শন, চিত্ৰ ইত্যাদি মাধ্যমেৰে চৰকাৰী আঁচনি সমূহ প্ৰচাৰ কৰা হয়।

(খ) প্ৰচলিত মাধ্যম সমূহ যথোপযুক্ত বুলি কব পাৰি। যদিও চৰকাৰে সকলো সময়তে ইয়াৰ উন্নতিৰ কাৰণে চেষ্টা কৰি আছে।

শ্ৰীকিৰণ কুমাৰ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে প্ৰচাৰ কাৰ্য্য এইদৰে কৰা হয় বুলি আমি জনাব বিচাৰিছো ব্ৰক আৰু মহকুমাত আৰু অন্যান্য জিলাত কিছুমান আচঁনিৰ কথা আমাৰ গাৱঁৰ মানুহে নাজানে। পুস্তিকাৰ মাধ্যমত কৰা হৈছে বুলি জনোৱা হৈছে

কিন্তু পুস্তিকাৰ মাধ্যমেৰে কিমান কৰা হৈছে সেইটো আমি নাজানো। ব্লক লেভেলতো গাৱঁৰ মানুহ বিশাকে এই সম্পৰ্কে নাজানে বিশেষকৈ গাৱঁৰ মানুহে আৰ, এল, ই, জি, পি এন, আৰ, ই, পি ইত্যাদি আচঁনিৰ কথা ভালকৈ নাজানে, গতিকে ব্লক লেভেলত ইয়াৰ গুৰুত্ব দিব নেকি? ২য় কথা হ'ল জিলা বিষয়া বা গ্ৰাম সেৱক সকলে ৰেডিয়তহে খেতি কৰে, মীন বিষয়া সকলে ৰেডীয়তে মাছ পোহে তেনেহলে এইটো কেনে ধৰণৰ কথা হব। গতিকে গাৱত প্ৰচাৰ মাধ্যমৰ ব্যৱস্থা উপযুক্ত কৰাৰ কাৰণে গ্ৰাম সেৱক সকল আৰু বিষয়া সকলে নিজে গাৱলীয়া অঞ্চলবিলাকত যাব লাগে। এনেধৰণে মন্ত্ৰী মহোদয়ে গাৱঁ অঞ্চলত প্ৰচাৰ মাধ্যমটো উন্নত কৰিবৰ ব্যৱস্থা লবনে?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰী আচনি সমূহ প্ৰচাৰ কৰি থকা হৈছে আৰু আগলৈকে প্ৰচাৰ কৰি থকা হ'ব আৰু বিষয়া সকলে বিভিন্ন অঞ্চলৰ ৰাইজৰ মাজলৈ গৈ প্ৰচাৰ কৰাৰ যিটো কথা কৈছে সেইটো অৱগত কৰাৰ কাৰণে ব্যৱস্থা কৰা হব।

বিষয় :— হজ যাত্ৰীৰ সংখ্যা।

শ্ৰীমুক্তাৰ হুছেইনে সুধিছে:

* ৪৯৮। মাননীয় হজ কমিটি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) এই বছৰ কিমান জন ইচ্ছুক প্ৰাৰ্থীয়ে হজত যাবলৈ আবেদন কৰিছিল? (জিলা ভিত্তিত পৰিসংখ্যা দিব)

(খ) হজ যাত্ৰী সকলক কি ভিত্তিত এই বছৰ বাচনি কৰা হৈছে জনাবনে?

(গ) এই বছৰ অসমৰ পৰা কিমান জন হজ যাত্ৰীক বাচনি কৰা হৈছে? (জিলা ভিত্তিত পৰিসংখ্যা দিব)

শ্ৰীছহিদুল আলম চৌধুৰী (হজ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) এই বছৰত সৰ্বমুঠ ১০৫৬ জন ইচ্ছুক প্ৰাৰ্থীয়ে হজত যাবলৈ আবেদন কৰিছে। (জিলা ভিত্তিত পৰিসংখ্যা তলত গাঠি দিয়া হল)

(খ) কেন্দ্ৰীয় হজ কমিটিৰ নিৰ্দ্দেশাৱলী অনুসৰি ৰাজ্যিক হজ কমিটিয়ে নতুন আবেদন কাৰী (এক) শ্ৰেণীক সমুদায় ডেক শ্ৰেণীৰ চিটৰ শতকৰা ৩০ ভাগ জিলা ভিত্তিত আবেদন কাৰীৰ সংখ্যানুপাতে লটাৰীৰ মাধ্যেমেৰে প্ৰাৰ্থী বাচনি কৰা হয়। বাকী ৭০ ভাগ (আৰ)

শ্ৰেণীৰ ৬০ বছৰ বা তাৰ ওপৰৰ বয়সৰ আৰু আগতে আবেদন কৰি নিৰ্ব্বাচিত নোহোৱা প্ৰাৰ্থীক কমিটিৰ সদস্য সকলৰ মত সাপেক্ষে জিলা ভিত্তিত আবেদন কাৰীৰ সংখ্যানুপাতে বয়সৰ জেষ্ঠতাৰ ভিত্তিত বাচনি কৰা হয়।

(গ) এই বছৰত উত্তৰ-পূব ভাৰতৰ পৰা অৰ্থাৎ অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু চিকিমক/সৰ্ব্বমুঠ ২৬২ জন (ডেক শ্ৰেণীৰ ২৫০ জন আৰু ১ম শ্ৰেণীৰ ১২ জন) হজ যাত্ৰী বাচনি কৰা হৈছে। (জিলা ভিত্তিত পৰিসংখ্যা তলত গাঠি দিয়া হল)

শ্ৰীমুক্তাৰ হুচেইন: মাননীয় অধ্যক্ষ মহোদয়, সহস্ৰ মানুহে হজত যাবলৈ বিচাৰে। তাৰ পৰা মাত্ৰ ২৫০ জন মানুহকে আমি কেৱল হজলৈ পঠোৱা গম পাইছো আৰু তালিকা দিয়াৰ পাচতো হজযাত্ৰী যোৱাৰ আগতে মন্ত্ৰী মহোদয়ৰ আৰু বিধায়কৰ ওচৰত খুব ভীৰ হয়। গতিকে ৰাজ্যিক হজ কমিটিয়ে কেন্দ্ৰীয় কমিটিৰ লগত যোগাযোগ কৰি আবেদন দাখিল কৰিবনে যাতে অহা বাৰলৈ অসমৰ অধিক সংখ্যাক লোকে হজলৈ যাব পাৰে। যিহেতু আমিও যাব বিচাৰো মন্ত্ৰী মহোদয় ইয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীছহিদুল আলম চৌধুৰী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ তৰফৰ পৰা বাৰে বাৰে তেনেধৰণৰ অনুৰোধ কৰা হৈছে কিন্তু এতিয়ালৈকে কেনো ব্যৱস্থা হোৱা নাই। তাৰ কাৰণে আমি চেষ্টা চলাই আছো।

Shri A. F. Golam Osmani : May I know from the Hon'ble Minister that the pilgrims who are allowed to Haj this time, the number of those pilgrims who earlier went to Mecca and are going for second or third or 4th time ?

শ্ৰীছহিদুল আলম চৌধুৰী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা সুকীয়া প্ৰশ্ন। বেলেগে দিলে ইয়াৰ উত্তৰ দিব পৰা যাব।

কুমাৰ দীপক দাস: মাননীয় অধ্যক্ষ মহোদয়, যিসকল লোক হজলৈ যায়, তেওঁলোকে হজত যাওঁতে বাটত যদি মৃত্যু ঘটে তেনেহলে তেওঁলোকক কবৰ ইত্যাদি দিয়াৰ কাৰণে কোনে দায়িত্ব লয়।

শ্ৰীছহিদুল আলম চৌধুৰী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয়

হজ কমিটিয়ে দায়িত্ব লয়।

শ্রীকুলবাহাদুৰ ছেত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, হজলৈ নাযাও যদিও জানিবলগীয়া আছে কাৰণেই সুধিছো। বিধায়ক বা মন্ত্ৰীয়ে হজত অন্তৰ্ভুক্ত হৈ যায় নেকি আৰু তেখেত সকলে চৰকাৰৰ পৰা খৰচ আদি লয় নেকি?

শ্ৰীছহিদুল আলম চৌধুৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী বা বিধায়ক গলেও নিজৰ খৰচত যাব লাগে, চৰকাৰী খৰচত যাব নোৱাৰে।

শ্ৰীআব্দুল জলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, জিলা ভিত্তিত, কোন জিলাৰ পৰা কিমান জন হজ যাত্ৰীক এইবাৰ পঠোৱা হ'ল তাৰ উত্তৰ দিওঁতে এইটো উত্থাপন নকৰিলে। কাচাৰ জিলাৰ পৰা কিমান পঠোৱা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীচহিদুল আলম চৌধুৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই এইবাৰৰ হজযাত্ৰীৰ তালিকা খন পঢ়ি দিব বিচাৰিছো। ৰাজ্য আৰু জিলা ভিত্তিত মই জনাব বিচাৰিছো। তালিকা পঢ়ি দিয়ে :

এই বছৰত জিলা ভিত্তিত দৰখাস্ত পোৱা আৰু বাচনি কৰা হজ যাত্ৰী সকলৰ পৰিসংখ্যা তলত দেখুৱা হল।

| ৰাজ্য/ জিলাৰ নাম। | আবেদন কাৰীৰ সংখ্যা | বাচনি কৰা যাত্ৰী সকলৰ সংখ্যা। |
|---|---|---|
| ১) অৰুণাচল | ১ | ১ জন। |
| ২) নাগালেণ্ড | ৫ | ২ ”। |
| ৩) মেঘালয় | ৭ | ২ ”। |
| জিলা। | | |
| ৪) কৰিমগঞ্জ | ৩১২ | ৭৫ ”। |
| ৫) কাছাৰ | ২৪০ | ৬৩ ”। |
| ৬) নগাওঁ | ১৪৭ | ৩৭ ”। |
| ৭) ধুবুৰী | ৫০ | ১২ ”। |
| ৮) গোৱালপাৰা | ৪৩ | ১০ ”। |
| ৯) কোক্ৰাঝাৰ | ৪ | ১ ”। |

| | | |
|---|---|---|
| ১০) বৰপেটা | ৪৪ | ১১ ”। |
| ১১) কামৰূপ | ৪২ | ১২ ”। |
| ১২) নলবাৰী | ৯ | ৪ ”। |
| ১৩) দৰং | ৩৭ | ১০ ”। |
| ১৪) শোণিতপুৰ | ১৩ | ৩ ”। |
| ১৫) শিৱসাগৰ | ৩ | ১ ”। |
| ১৬) ডিব্ৰুগড় | ৩ | ১ ”। |
| ১৭) লক্ষীমপুৰ | ১৯ | ৫ ”। |
| মুঠ পৰিসংখ্যা = | ৯৭৯ | ২৫০ জন। |
| ১৮) প্ৰথম শ্ৰেণীৰ | ৩২ | ১২ ” |
| সৰ্ব্বমুঠ = | ১০১১ জন | ২৬২ জন। |
| ১৯) ক্ৰুটি পূৰ্ণ | ২৬ ” | |
| ২০) (বয়সৰ আইন ভঙ্গকাৰী) | ১৮ ” | |
| ২১) মৃত্যু | ১ ” | |
| সৰ্ব্ব মুঠ= | ১০৫৬ জন । | |

শ্ৰীপ্ৰদীপ হাজৰিকা: মাননীয় অধ্যক্ষ মহোদয়, যদি আবেদন কৰা তেতিয়াহলে অন্য ধৰ্ম্মৰ মানুহকো হজ্জ কৰিবলৈ যাব দিয়ে নেকি?

শ্ৰীছহিতুল আলম চৌধুৰী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, অন্য ধৰ্ম্মৰ মানুহে আবেদন কৰিলে সেইটো বিবেচনা কৰি চোৱা হব।

**বিষয়: বোকাখাট সমষ্টিত খালী থকা শিক্ষকৰ পদ।**

শ্ৰীবলোভদ্ৰ তামুলীয়ে সুধিছে:

* ৪৯৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) বোকাখাট বিধান সভা সমষ্টিৰ অন্তৰ্গত উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত শিক্ষক আৰু প্ৰদৰ্শকৰ (Demonstrator) কিমান পদ খালী আছে?

(খ) পদ পূৰণৰ বাবে আবেদন সংগ্ৰহ কৰাৰ পাছতো কি, অসুবিধাৰ বাবে নিযুক্তি দিয়া হোৱা নাই?

(গ) অনতিবিলম্বে নিযুক্তিৰ ব্যৱস্থা কৰা হবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) মুঠতে ৭ টা পদ খালী আছে।

(খ) জিলা বাচনি কমিটীবোৰ গঠণ নোহোৱাৰ বাবে খালী পদ সমূহ পূৰণ কৰিব পৰা হোৱা নাই। এই উদ্দেশ্যে ১৯৮২ চনৰ মাধ্যমিক শিক্ষা প্ৰাদেশিকীকৰণ) সেৱা বিধিৰ সংশোধনৰ ব্যৱস্থা কৰা হৈছে।

(গ) ওপৰত উল্লেখ কৰা সেৱা বিধিৰ সংশোধনী হোৱাৰ লগে লগে জিলা বাচনি সমিতি গঠণ কৰি পদ সমূহ পূৰণ কৰা হব।

শ্ৰীবলোভদ্ৰ তামুলী : মাননীয় অধ্যক্ষ মহোদয়, উচ্চ মাধ্যমিক বিদ্যালয় সমূহত বিজ্ঞান শাখা খোলাৰ পাচত এই নতুনকৈ হোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত স্থায়ীয়াকৈ ডেমনেষ্ট্ৰেটৰ দিয়া হোৱা নাই। যাৰ ফলত ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক দিশতোৰ অৱস্থা বিপদাপন্ন হৈছে। সেই কাৰণে অতি সোনকালে ডেমনেষ্ট্ৰেটৰ দিয়াৰ ব্যৱস্থা আৰু লেবোৰেটোৰিৰ সুবিধা দিয়াৰ ব্যৱস্থা এই চলিত বছৰৰ ভিতৰতেই কৰিবনে?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, ডেমনেষ্ট্ৰেটৰ পদ সমূহৰ সাক্ষাত গ্ৰহণ ইতিমধ্যে হৈ গৈছে আৰু সাক্ষাতকাৰ লোৱাৰ পাচত নিযুক্তি দিয়াৰ লগে লগে এই বিষয়ে বিবেচনা কৰা হব।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক ডেমনষ্ট্ৰেটৰ মাষ্টাৰ ডিগ্ৰী লৈ আছে সেই সকলক চাৰজেণ্ট হিচাবে আপ গ্ৰেডেচন কৰাৰ কিবা নীতি আছে নেকি? আৰু সেইটো ব্যৱস্থা কৰিছে নেকি?

শ্ৰীবৃন্দাবন গোস্বামী মন্ত্ৰী): মাননীয় অধক্ষ মহোদয়, ইতিমধ্যে এই ক্ষেত্ৰত যিবিলাক খালি পদ আছিল সেই বিলাক পূৰণ কৰাৰ কাৰনে আবেদন বিচৰা হৈছিল আৰু আবেদন পত্ৰ দিছিল। সেই সকলে যদি সাক্ষাতকাৰ দিছে তেনেহলে তেওঁলোকৰ নিয়ুক্তি হব পাৰে।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথা হৈছে যি সকল এম, এচ, চি পাচ কৰি থৈছে সেই সকলক আপগ্ৰেড কৰাৰ ব্যৱস্থা আছে নেকি? যিহেতু তেওঁলোকৰ অভিজ্ঞতাৰ ওপৰত বিবেচনা কৰা হব নেকি বা অভিজ্ঞতা কাউণ্ট কৰা হব নেকি?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, তেনেধৰণৰ আপগ্ৰেডচনৰ ব্যৱস্থা নাই। বিজ্ঞান শাখাৰ কেইবাটাও বিষয়তো প্ৰয়োজনতকৈ কম সংখ্যক শিক্ষক আছে যেনে-ফিজিক্স জুলোজি ইত্যাদি। যিমান

বিলাক খালি পদ আছে সেই বিলাক উপযুক্ত শিক্ষকৰ অভাবত পূৰন কৰিব পৰা হোৱা নাই। স্বাভাবিকতে এই ক্ষেত্ৰত আবেদন কৰিলে সেই পদ বিলাক পূৰণ কৰাৰ ক্ষেত্ৰত বিবেচনা কৰা হব।

শ্ৰীমতি দাস : মাননীয়, অধ্যক্ষ মহোদয়, আমাৰ পাঠদানৰ বিষয়ে ভাবিবলগীয়া হৈছে। গতিকে সেৱা বিধিৰ সোনকালে সংশোধন কৰি স্কুল সমূহৰ পাঠদানত সহায় কৰিব লাগে।

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : ইতিমধ্যে আমি এই কথা বিলাক লক্ষ্য কৰি আবেদন বিচাৰিছো। বহুসংখ্যাক আবেদন পৰি আছে। আমি সোৱাবিধিখন সংশোধন কৰিব পৰা নাই। অতি কম সময়ৰ ভিতৰতে সংশোধন কৰি নিযুক্তি দিবলৈ ব্যৱস্থা কৰিম।

**Undisposed Starred Question**

(To which oral answer was not Called for want of time. However written answer deemed to Have been laid on the Table as follows:)

**Re: Establishment of District Library**

Shri Dewan Joynal Abedin. Asked :

* 500. Will the Minister, Education be pleased to state :

(a) Whether there is any proposal to set up a district Library at every District Headquarters ?

(b) Is the Government contemplating to establish a District Library at Goalpara, the Headquarter of the newly created Goalpara district ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছেঁ :

(ক) হয়।

(খ) ইতিমধ্যে স্থাপন কৰা হৈছে।

SHORT NOTICE QUESTION

বিষয় : মীৰ্জা টাউনৰ মাটি বেদখল।

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে :

১৫ অনুগ্ৰহ কৰি ৰাজহ মন্ত্ৰীয়ে জনাবনে ?

(ক) মীৰ্জা টাউন প্ৰকৃত বৰ্ত্তমান চৰকাৰী মাটি কিমান আছে?

(খ) জনৈক শ্ৰীপ্ৰানেশ্বৰ দাস নামৰ এজন লোকে ইয়াত ৫ বিঘা চৰকাৰী মাটি বেদখল কৰি থকাটো সচানে ?

(গ) যদি সঁচা হয়, তেন্তে এনে বেদখল উচ্ছেদ কৰিবলৈ তৎক্ষনাত চৰকাৰে ব্যৱস্থা লবনে ?

(ঘ) মীৰ্জা টাউনত থকা সকলো চৰকাৰী মাটি বেদখল কৰিব নোৱাৰাকৈ ব্যৱস্থা লবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মীৰ্জা টাউনত বৰ্ত্তমান চৰকাৰী মাটিৰ পৰিমান ৫৫২ বিঘা ২কঠা ১৪½ লেচা।

(খ) জনৈক প্ৰানেশ্বৰ দাস নামৰ লোক এজনে ৫ (পাঁচ) বিঘা সাধাৰণ চৰকাৰী মাটি বেদখল কৰি থকা কথাটো সঁচা।

(গ) সংশ্লিষ্ট আইনৰ বিধান অনুসৰী উক্ত ব্যক্তিৰ বিৰুদ্ধে বেদখল গোচৰ ৰুজু কৰা হৈছে আৰু বৰ্ত্তমান অসম ৰাজহ বোৰ্ডে স্থিতাৱস্থা বাহাল ৰাখিবলৈ আদেশ দিছে।

(ঘ) এই সম্পৰ্কত বিবেচনা কৰি চোৱা হ'ব।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এইজন মানুহে ৫ বিঘা মাটি মিৰ্জা চহৰৰ ঠিক ওচৰতে বে-দখল কৰিছে। এই ব্যাক্তিজনক আগৰ চৰকাৰে নিজৰ দলৰ কৰ্মী হোৱা হেতুকে বে-দখলৰ পৰা উচ্ছেদ নকৰি প্ৰশাসনীয় ভাৱে ৰক্ষণাবেক্ষন দিয়া কথাটো সচা নেকি ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, পলাশবাৰী চক্ৰৰ উপ পতি সমাহৰ্তাৰ প্ৰতিবেদন মৰ্মে ১৮৮৬ চনৰ অসম ভূমি আৰু ৰাজহ অধিনিয়মৰ ১৮ ( ৩ ) ধাৰা মতে বেদখলকাৰ শ্ৰীপ্ৰানেশ্বৰ দাসৰ বিৰুদ্ধে ১৪।৮৭ নং বেদখল গোচৰ ৰুজু কৰি জাননী জাৰি কৰা হৈছিল। সেই উচ্ছেদৰ জাননী পাই বেদখলকাৰীয়ে ৰাজহ বোৰ্ডত আপিল দাখিল কৰে। ৰাজহ বোৰ্ডে ৫৮ আৰু এ (কে)। ৮৭ নং ৰাজহ আপীল গোচৰ ২১।২।৮৭ ইং তাৰিখৰ হুকুমতে আপীলকাৰীক তেওঁৰ বক্তব্য উপায়ুক্তৰ ওচৰত দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে আৰু লগতে উল্লেখিত বেদখলী গোচৰৰ স্থিতাৱস্থা বাহাল ৰাখিবলৈ হুকুম দিয়ে। উক্ত বোৰ্ডৰ হুকুম মৰ্মে আপীলকাৰীয়ে উপায়ুক্তৰ ওচৰত ৯।৩।৮৭ তাৰিখে তেওঁৰ বিবেচনাৰ বাবে

দাখিল কৰে। বৰ্ত্তমান উক্ত আবেদন বিচাৰাধীন হৈ আছে।

**বিষয়ঃ বৰপেটা আই, টি, আইৰ প্ৰশিক্ষক শ্ৰীসুৰেণ সিংহৰ বিৰুদ্ধে অভিযোগ।**

কুমাৰ দীপক দাসে সুধিছেঃ

১৬। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰপেটা জিলাৰ বংলাদেশী অধ্যুষিত অঞ্চলৰ এগৰাকী তিৰোতাক আই-টি- আইৰ শ্ৰীসুৰেন সিংহ নামৰ লোক এজনে অবৈধভাৱে ৰাখি এল, টি, চি, লোৱাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰা কথাটো চৰকাৰে জানেনে?

(খ) যদি নাজানে ইয়াৰ বাবে দায়ী কোন এই বিষয়ে অনুসন্ধানৰ ব্যৱস্থা লবনে?

(গ) বৰপেটা আই-টি- আইৰ পৰা যোৱা ২২।২।৮৭ ইং তাৰিখে ১৫খন খিৰিকীৰ গ্ৰিল 'একলব্য' নামৰ বৰপেটা গুৱাহাটী পথত চলাচল কৰা গাড়ী এখনত গুৱাহাটীলৈ লৈ অহা কথাটো সচানে?

(ঘ) যদি সঁচা হয় বন্ধৰ দিনত চৰকাৰৰ বস্তু আই-টি-আইৰ পৰা কেনেকৈ বাহিৰলৈ যায় এই বিষয়েও অনুসন্ধান কৰিবনে?

(ঙ) বৰপেটা আই-টি আইৰ প্ৰশিক্ষণৰ নামত কিনা সকলো বস্তু প্ৰশিক্ষণৰ কামত ব্যৱহাৰ হৈছেনে?

(চ) যদি ব্যৱহাৰ হোৱা নাই কিয় হোৱা নাই?

শ্ৰীবাৰকী প্ৰসাদ তেলেঙ্গা, (শ্ৰম ও নিয়োগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) বৰপেটা আই-টি-আইৰ প্ৰশিক্ষক শ্ৰীসুৰেন সিংহই বৰপেটা জিলাৰ ভনিয়া অঞ্চলৰ শ্ৰীমতী যমুনা দেৱী নামৰ এগৰাকী তিৰোতাক বিয়া কৰোৱাটো সঁচা আৰু পৰিয়ালসহ এল, টি, চি উপভোগ কৰাটোও সঁচা। শ্ৰীসুৰেন সিংহ আৰু যমুনা দেৱী স্বামী স্ত্ৰী হিচাবে বসবাস কৰা আজি প্ৰায় সাত বছৰ হ'ল। উক্ত মানুহ গৰাকীৰ ফালৰ শ্ৰীসুৰেণ সিংহৰ দুটা লৰা আছে।

(খ) এই বিষয়টো অনুসন্ধান কৰা হৈছে।

(গ) যোৱা ১৪।২।৮৭ ইং তাৰিখে দ্বিতীয় শনিবাৰ বন্ধৰ দিনা আই-টি-আইৰ অধিক্ষকে তেওঁ নিজে কেছামালৰ যোগান ধৰি বনাবলৈ

দিয়া আৰু ইতিমধ্যে সম্পূৰ্ণ হোৱা ৫ (পাচ) খন খিৰিকীৰ গ্ৰিল 'কৃষ্ণা ট্ৰেভেলচ"ৰ বাচত আই-টি-আইৰ পৰা গুৱাহাটীলৈ আনটো সচা। প্ৰশ্নত উল্লেখিত মতে ২২।২।৮৭ ইং তাৰিখে ১৫ খন গ্ৰিল একলব্য নামৰ বাছত নিয়া কথাটো সচা নহয়।

(ঘ) মাত্ৰ বন্ধৰ দিনতে নহয় আনকি কামৰ দিনতো চৰকাৰৰ বস্তু কতৃপক্ষৰ বিনা অনুমতিত আই-টি-আইৰ বাহিৰলৈ নিয়াটো অনিয়ম। কিন্তু উল্লেখিত বস্তুখিনি অৰ্থাৎ ৫খন গ্ৰিল অধিক্ষকে নিজে কেচা মাল যোগান ধৰি বনাবলৈ দিয়া বস্তু, আৰু বস্তু খিনিৰ তত্বাবধায়ক, বিভাগীয় প্ৰশিক্ষক আদিৰ লগত আলোচনা কৰি আৰু চকীদাৰৰ জ্ঞাতে নিয়ে। ইয়াৰ অন্তৰালত বেয়া উদ্দেশ্য থকাৰ প্ৰমান অনুসন্ধান কৰি পোৱা নাই।

(ঙ) বৰপেটা আই-টি-আইৰ নামত কিনা বস্তুবোৰ আই-টি- আইত প্ৰশিক্ষণৰ বাবে ব্যৱহাৰ হৈছে।

(চ) প্ৰশ্ন নুঠে।

শ্ৰীআব্দুল জলিল ৰাগীবি: মাননীয় অধ্যক্ষ মহোদয়, বৰপেটা জিলাৰ বাংলাদেশী অধ্যুশিত অঞ্চল বুলি যে কৈছে ইয়াৰ এটা ক্লেৰিফিকেচন লাগে।

শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী: মাননীয় অধ্যক্ষ মহোদয়, বৰপেটাত যদি বাংলাদেশী আছে তেনেহলে সেইবিলাক খেদাৰ ব্যৱস্থা কৰিব লাগে।

**Re :— Gaurang Lift Irrigation Scheme.**

Sri Amrit Lal Basumatary asked :

17. Will the Minister Irrigation be pleased to State :

(a) The present condition of Futkibari lift Irrigation?

(b) Whether it is working?

(c) If not, why ?.

Sri Pabindra Deka (Minister Irrigation) replied :

(A) The Gauranga Lift Irrigation Scheme of Futki bari is not under operation at present.

(B) No.

(C) Due to devastating flood of 1983 the river shifted its course eastward leaving the pumping station

dry, Hence the scheme is not in operation now.

Shri A.F. Golam Osmani : Sir, a point of order in regard to short notice question No. 16. I refer to rule 279 (1) (iii) and (vii). Rule 279 is the main rule. Sir, here it is stated in the rules " A member while speaking shall not use offensive expressions about the conduct or proceedings of parliament or any State Legislature" and"utter unreasonable, seditious or defamatory words."

Sir, here an insinuation has been made to a particular area of the State termed as inhabitated by Bangla Deshi. sir, this is a controversial issue as by Bangla Deshi. we mean Foreigners. So, Sir, we demand that such insinuation or reflection or implications to a pattern of controversy should not have been made.

Mr. Speaker : I will examine the matter and give my decision later on

শ্ৰীঅমৃতলাল বসুমতাৰী ঃ লিফট্ৰ ইৰিগেচনত ১ কৌটি টকা খৰছ হৈছে। ইমান টকা খৰছ কৰাৰ পাচত ৰিপেয়াৰ নকৰাকৈ ৰাখিব পাৰে নেকি? এই কেনেলটোৰ ৫/৬ কিলোমিটাৰ উত্তৰ ফালে ৰাইজৰ সুবিধাৰ কাৰণে ইৰিগেচন কৰি দিয়াৰ আশ্বাস দিবনে?

Shri Pabindra Deka (Minister, Irrigation): Mr. Speaker Sir, the Gaurang Lift Irrigation Scheme was administratively approved in the year 1971 for Rs. 23,-06,000 (Ruppees twenty three lakhs and six thousand) to irrigate an area of 750 hects in futkibari area in Dhubri District. During the construction of the scheme it was seen that the main course of the river had the tendency to shift away towards the left bank and thus making the proposed lift point abandoned. A new lift point was fixed about half K.M. down streem of the bridge and the scheme was put to operation in the year 1977.

Again in the year 1979 the river shifted to the left bank thus making the lifting point dry. In order to put

this scheme under operation a re-modelling scheme was approved for Rs. 16, 32, 460 in the year 1980. The lifting point was taken near the bridge with provision of line canal and some other structures. Which the works of modernisation were in progress an unprecedented flood occur in September, 1983 and the course of the river completely changed outflanking bridge approach and damaged the newly constructed canals.

Efforts were made to restore the supply of water from the scour pit upstream of the bridge, but without success. How the course of the river has completely changed leaving pumping station high and dry.

It is now learnt that the P. W.D. Department has proposed for construction of a new bridge somewhere in the vicinity of the abundant one. A High Level Committee has been constituted to select the site of the bridge. After construction of the bridge the pumping station will be selected near the guide-bund in order to avoid any future shifting of the river course. Thank you, Sir

**Re : Allotment of C. S. land acquired in Nakari Mouza to the landless local Tribal people.**

Shri Phani Tayeng, asked :

18 Will the minister of Revenue be pleased to state ;

a) whether it is a fact that a public petition in regard to a big plot of land taken over by the Government under ceiling Act in Nakari mouza under North Lakhimpur Sub-Division was received on 11.2.87 ?

b) If so, the action taken so far in this regard ?

c) Whether the land would be settled with the landless local tribal people as prayed for and when ?

Sri Tanesawar Boro, (Revenue Minister) replied :

a) Yes, a petition submitted by Shri Nameswar pegu,

Ex-MLA, has been received regarding allotment of land acquired under Land Ceiling Act to local landless tribal people in Nakari Mouza of North Lakhimpur Sub-Division of Lakhimpur District.

b) In this regard the District Authority has been requested to enquire into the matter and to submit report to Governmnet urgently. Deputy Commissioner, Lakhimpur has already directed S. D. C., North Lakhimpur Circle to complete necessary spot enquiry in this regard.

c) After receipt of the proposal from the District authority, necessary action for allotment of land to the landess and deserving local Tribal people would be taken up as admissible under the Land policy of Governmnet.

শ্ৰীথানেশ্বৰ বড়ো ( মন্ত্ৰী ) : প্ৰশ্নটো লেণ্ড চিলিং সম্পৰ্কত। চিলিংৰ বাহি হোৱা মাটি স্বাভাবিকতে বসবাসৰ কাৰণে, ঘৰ বস্তি কৰিবৰ কাৰণে আঢ়ৈ কঠাৰ পৰা এবিঘা মাটি দিয়াৰ ব্যৱস্থা আছে। মানুহজন যদি খেতিয়ক হয় তেতিয়াহলে বাহি মাটি যদি থাকে চিলিঙৰ পৰা পোৱা তেতিয়া হলে ৮ বিঘা মাটি দিব পাৰি। কিন্তু টাউন এলেকাৰ হলে চাব লাগিব। টাউন এলেকাত পৰিলে বাসবাসৰ কাৰণে দিব পাৰি। কিন্তু খেতি কৰিবৰ কাৰণে অধিক পৰিমানৰ মাটি বোধহয় দিব পৰা নাযাব। সম্পূৰ্ণ তথ্য অহাৰ পাচত কব পৰা যাব।

Undisposed unstarred Question

To which oral answers were not called for want of five. However written answers were deemed to have been laid on the Table as follows

বিষয় : ধুবুৰী জিলাৰ উপায়ুক্ত কাৰ্য্যালয়ৰ মুছলমান কৰ্ম্মচাৰীক নামাজ আদায় কৰাত বাধাদান।

শ্ৰীইউছুফ আলী আহমেদে সুধিছে :

৬৩০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰে ধুবুৰী জিলাৰ উপায়ুক্ত মহোদয়লৈ কাৰ্য্যালয়ত কাম কৰা মুছলমান কৰ্ম্মচাৰী সকলক নামাজ আদায়, কৰাত কিবা বাধা আৰোপৰ নিৰ্দ্দেশ দিয়া হৈছে নে ?

(খ) যদি কোনো নিৰ্দ্দেশ দিয়া হোৱা নাই তেনেহলে ধুবুৰী জিলাৰ উপায়ুক্ত মহোদয়ে DRE. 61/86/8, dt. 20.2.87 চিঠি যোগে দিয়া নিৰ্দ্দেশটো কি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চৰকাৰৰ ফালৰ পৰা ধুবুৰী জিলাৰ উপায়ুক্ত মহোদয়লৈ এই সন্দৰ্ভত কোন নিৰ্দ্দেশ দিয়া হোৱা নাই।

(খ) ২০/২/৮৭ তাৰিখৰ DRE. 61/86/8 নংৰ চিঠিখনৰ যোগে ২৪/১০/৮৬ তাৰিখে ধুবুৰী জিলাৰ উপায়ুক্তই কাৰ্য্যালয়ত এটা নিৰ্দ্দেশ জাৰি কৰে যে যি সকল মুছলমান কৰ্মচাৰীয়ে প্ৰতি শুক্ৰবাৰে নামাজ আদায় কৰিব বিচাৰে সেই সকল কৰ্মচাৰীয়ে অতিৰিক্ত উপায়ুক্তৰ দৃষ্টি গোচৰ কৰি আৰু জৰুৰী কাম কাজ সম্পূৰ্ণ কৰা সাপেক্ষে নামাজ আদায় কৰিবলৈ যাব পাৰে।

**Re : Norms For Constitution of Char Areas Development Authority**

Shri Sheikh Saman Ali, Asked :

631 Will the Chief Minister be pleased to state :—

(a) What is the norm for the Constitution of the Board of Char Areas Development Authority, Assam ?

(b) Whether there is any representative in the Board included from the Char Areas of Lower Assam ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসম চৰউন্নয়ন কৰ্তৃপক্ষৰ ব'ৰ্ড গঠন কৰাৰ ক্ষেত্ৰত নিৰ্দ্দিষ্ট নীতি-নিয়ম নাই।

(খ) নাই।

**বিষয় : বেচৰকাৰী মাধ্যমিক ইংৰাজী বিদ্যালয়ৰ প্ৰাদেশীকৰণ।**

শ্ৰীৰত্নেশ্বৰ চৰকাৰে সুধিছে।

৬৩২ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৬ চনটোত চৰকাৰে কিমানখন বেচৰকাৰী মাধ্যমিক ইংৰাজী বিদ্যালয়ক প্ৰাদেশীকৰণ কৰিছে ?

(খ) ১৯৮৩ চনত কিমানখন বিদ্যালয়ক চৰকাৰীকৰণ কৰা হৈছে ?

শ্ৰীবৃন্দাবন গোস্বামীয়ে, (শিক্ষা মন্ত্ৰী) উত্তৰ দিছে:

(ক) ১৯৮৬ চনত ৭৮ খন তদৰ্থ মঞ্জুৰীপ্ৰাপ্ত হাইস্কুল প্ৰাদেশীকৰণ কৰা হয়।

(খ) ১৯৮৩ চনত ৩৩ খন হাইস্কুল প্ৰাদেশীকৰণ কৰা হয়।

**বিষয়: তুলীয়াজান ছাত্ৰ সন্থাৰ দ্বাৰা আন্দোলন।**

শ্ৰীমতী অমিয়া গগৈয়ে সুধিছে:

৬৩৩। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) তুলীয়াজান অইল ইন্দিয়া ছাত্ৰ সন্থাৰ দ্বাৰা বৰ্ত্তমান পৰিচালিত আন্দোলনৰ বিষয়ে চৰকাৰ অবগতনে ?

(খ) যদি অবগত চৰকাৰে এই বিষয়ত কোনো ব্যৱস্থা লৈছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হয়, অৱগত।

(খ) হয়।

**Re :— Proposal for creation of new District and Sub-Division.**

Shri Manilal Gowala, asked :

634. Will the Chief Minister, be pleased to state :

(a) Whether there is any proposal with the Government to create new histricts and Sub-Division ?

(b) If so, would the Government kindly na[illegible] those districts/sub-divisions ?

(c) Would the Government kindly consider to create a subdivision in the karimganj district with its Head-quarter at Patharkandi.

(d) If so, by when will the long standing demand be materialised ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) নতুনকৈ জিলা আৰু মহকুমা গঠনৰ দাবী জনোৱা বহু প্ৰস্তাৱ চৰকাৰে পাইছে।

(খ) এখন তালিকা ইয়াৰ লগত সন্নিবিষ্ট কৰা হল। (তালিকা অনুবন্ধ ১, ৩ চাওক)

(গ) "কৰিমগঞ্জ জিলাত এটা মহকুমা গঠনৰ প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন

(ঘ) হৈ আছে।

**Re : Appointment under Deputy Commissioners establishment.**

Shri Altaf Hussain Muzumdar, asked :

635. Will the Chief Minister be pleased to State :—

(a) Whether a merit list (Panel list) for Gr. III (Clerk) was prepared by the D. C., Cachar vide his order dt. 27. 6. 84 for appointment serially ?

(b) If so, who was serial 12 (twelve) in the panel list and whether Sl. 12 has been disharged after appointment and if so, dates of appointment anddischarge ?

(c) Is it a fact that Sl. No. 12 was not allowed to continue and absorbed in regular post, but Sl. 25, 26,29, and 28 and unregistered (outside panel) candidates were absorbed by passing Sl. 12 ?

(d) If so, is it not a violation of the condition of merit list (panel list) as stated above ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৰ'ষ্টাৰ অনুযায়ী তৃতীয় শ্ৰেণীৰ কৰ্ম্মচাৰী নিয়োগৰ বাবে তালিকা প্ৰস্তুত কৰা হৈছিল।

(খ) উক্ত তালিকাখনৰ দ্বাদশ স্থানত থকা ব্যক্তিজন হ'ল শ্ৰীবোৰহান উদ্দিন মজুমদাৰ। সময়ে সময়ে খালি হোৱা পদত তেওঁক মকৰল কৰা হৈছিল আৰু অৱশেষত ছুটীৰ বিপৰীতে খালি হোৱা পদ এটিত ২০/৯/৮৬ লৈকে মকৰল কৰা হৈছিল।

(গ) ক্ৰমিক নং ১২ ( শ্ৰীবোৰহান উদ্দিন মজুমদাৰ ) ক ২০/৯/৮৬ ৰ পিছত চাকৰিত নৰখাৰ কথাটো সচঁা। ক্ৰমিক নং ২৫, ২৬, ২৮ আৰু ২৯ ত থকা প্ৰাৰ্থীকেইজনক নিয়োগ কৰাৰ কাৰণবোৰ এনেধৰণৰ—

২৫ নং অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ সঞ্চালকালয়ে কেন্দ্ৰীয় নিয়োগ কমিটিৰ দ্বাৰা অনুমোদিত তালিকাৰ পৰা এজন অনুসূচীত সম্প্ৰদায়ৰ প্ৰাৰ্থীৰ নাম বিচাৰিছিল। জিলাৰ কেন্দ্ৰীয় নিয়োগ কমিটিয়ে প্ৰস্তুত কৰা কোনো তলিকা নাছিল। ফলস্বৰূপে ১৯৮৪ চনৰ নিৰ্ব্বাচিত প্ৰাৰ্থী তালিকা খনৰ ২৫ নং স্থানত থকা অনুসূচীত সম্প্ৰদায়ৰ প্ৰাৰ্থীজনৰ নাম উক্ত সঞ্চালকালয়লৈ পঠিওৱা হৈছিল।

২৬ নং এই প্ৰাৰ্থীজনক সাময়িক ভাবে মকৰল কৰা হৈছিল আৰু ইতিমধ্যে কামৰ পৰা অব্যাহতি দিয়া হল।

২৮ নং এওঁ অন্যান্য পিছপৰা শ্ৰেণীৰ এজন শাৰীৰিক ভাবে অক্ষম লোক। সংৰক্ষিত আসনৰ পৰা এওঁক নিয়োগ কৰা হৈছে।

২৯ নং ১৯৮৪ চনৰ বাছনী তালিকাৰ প্ৰাৰ্থী সকল আৰু তাৰ বাহিৰেও অন্য প্ৰাৰ্থী সকলৰ মাজত মুদ্ৰালিখন গতি পৰীক্ষা কৰি কাছাৰ জিলাৰ অবৈধ প্ৰবজনকাৰী (নিৰ্দ্ধাৰণ) ট্ৰিবুনেলৰ চেয়াৰমেনৰ কাৰ্য্যালয়ত তেখেতৰ অনুমোদন ক্ৰমে মুদ্ৰালেখক হিচাবে নিয়োগ কৰা হৈছিল।

(ঘ) ওপৰৰ তথ্যসমূহৰ পৰা এইটো প্ৰমানিত হ'ল যে উক্ত বাছনী তালিকাৰ ক্ষেত্ৰত কোনো অনিয়ম হোৱা নাই।

**বিষয়ঃ বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ নিয়ম অনুসৰি অৰ্হতা নথকা শিক্ষকৰ সংখ্যা।**

কুমাৰ দীপক দাসে সুধিছেঃ

৬৩৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ—

(ক) অসমৰ বিভিন্ন মহাবিদ্যালয়ত শিক্ষকতা কৰি থকা যিসকল শিক্ষকৰ বিশ্ব-বিদ্যালয় মঞ্জুৰী আয়োগ (বিঃ মঃ আঃ)ৰ নিয়ম অনুসৰি অৰ্হতা নাই সেই সকল শিক্ষকে কি আচনিৰ অন্তৰভূক্ত হৈ কি হাৰত দৰ্মহা পাই আছে জনাবনে?

(খ) ১৯৮৪ চনৰ পৰা ১৯৮৬ চনলৈ এনে কিমান সংখ্যক শিক্ষকক উক্ত আচনীৰ অন্তৰ্ভূক্ত কৰি লোৱা হৈছে?

(গ) এতিয়ালৈকে কিমান সংখ্যক বিঃ মঃ আঃ ৰ নিয়মাধিন দৰ্মহা নোপোৱা শিক্ষক উক্ত আচনিৰ অন্তৰ্ভুক্ত কৰিবলৈ বাকী আছে?

(ঘ) উক্ত আচনীৰ অন্তৰভুক্ত নোহোৱা শিক্ষক সকলক কেতিয়া অন্তৰ্ভুক্ত কৰা হব?

(ঙ) একে আঁচনিৰ অধিনত অন্তৰভুক্ত হৈ যিসকলে যি হাৰত দৰমহা পালে সেই সকলৰ সতে একে সময়তে নিযুক্তি পোৱা আৰু মহাবিদ্যালয় কৰ্ত্ত পক্ষই অনুমোদন কৰা যিসকল শিক্ষকক একে সময়তে অন্তৰভুক্ত কৰা নহল তেওঁলোকক অগ্ৰাধিকাৰৰ ভিত্তিত উক্ত দৰ্মহা দিয়াৰ ব্যৱস্থা লব নেকি ?

শ্ৰীবৃন্দাবন গোস্বামী, ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ৰাজ্যিক পৰ্য্যায়ৰ অনুমোদিত ৫০০-১২২৫ টকা হাৰত দৰমহা আৰু তাৰ ওপৰত মৰগীয়া বোনাচ আদি পাই আছে। আৰু যাৰ ৰাজ্যিক পৰ্য্যায়ৰ অনুমোদিত দৰমহা পাবলৈ শৈক্ষিক অৰ্হতা নাই, সেই সকলক মহাবিদ্যালয়ৰ কতৃপক্ষই নিজস্ব ভাবে মোটামুটি হিচাবে দৰমহা দিয়ে।

(খ) প্ৰায় ৭০ জন।

(গ) উক্ত আঁচনীত অন্তৰ্ভূক্ত কৰিবলৈ বাকী থকা শিক্ষক নাই। কিন্তু নতুনকৈ মহাবিদ্যালয় সমূহত থকা পদৰ বিপৰীতে যদি পৰিচালনা সমিতিৰ পৰা ৰাজ্যিক হাৰত দৰমহা দিব পৰা শিক্ষকৰ নাম প্ৰস্তাবিত হয়, তেতিয়া চৰকাৰে বিধিগত ব্যৱস্থালৈ সেই নিযুক্তি অনুমোদন কৰি আছে।

(ঘ) যি সকল শিক্ষকৰ ৰাজ্যিক পৰ্য্যায়ৰ দৰমহা পাবলৈ শৈক্ষিক অৰ্হতা নাই, তেখেত সকলক বৰ্ত্তমানে ৰাজ্যিক পৰ্য্যায়ত দৰমহা দিবলৈ চিন্তা কৰা নাই, কিন্তু চৰকাৰে সমূহীয়া হিচাবে গোটেই বিষয়টো অৰ্থাৎ বিশ্ববিদ্যালয় অনুদান আয়োগে নিৰ্দ্ধাৰিত কৰা শৈক্ষিক অৰ্হতাৰ মান ৰাজ্য চৰকাৰৰ নিয়হাৰৰ বেতন আৰু একে লেঠাৰিয়ে ৪/৫ বছৰ কাম কৰি থকা, অথচ বিশ্ববিদ্যালৰ অনুদান আয়োগ বা ৰাজ্য চৰকাৰৰ নিম্ন হাৰৰ বেতনত অন্তৰ্ভূক্ত কৰিব নোৱাৰা শিক্ষক সকলৰ কথা চিন্তা কৰি এটা সুষ্ঠ মিমাংসাত উপনীত হবলৈ চেষ্টা কৰিছে।

(ঙ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

Re : Adverse remarks in the ACR of the ACS of officers.

Shri Phani Ram Tayeng, asked :

637. Will the chief Minster be pleased to state :

(a) what steps have been taken in respects of

ACS officers against whom there were some adverse remarks in their A.C. Rs during the last period of agitation to expunge for their benefit as per provision of Assam Accord of August, 1985 ?

(b) How many ACS officers were debarred from promotion to higher scale due to adverse remarks against them in the ACR during that period ?

Shri Prafulla Kumar Mahanta, (Chief Minister) replied :

(a) For expunction of adverse remarks recorded in the ACRs of State Government employees for their involvement in the Assam movement the State Government have already issued a general instruction as per O.M.NO ABP.40/86/2 dt. 5.4. 86.

By following the procedure as outlined in the said O.M. the State Government have already expunged the adverse remarks from the ACRs of somc ACS officers.

The cases of other officers are still under examination and necessery decision will be taken keeping in view the provisions of the above instruction.

**Re : Two cases are pending against the same persons in Illegal Migrants ( Ditermination ) Tribunal, Silchar:**

Shri Aubdul Rob laskar, asked :

638. Will the chef minister be pleased to State :

(a) Whether the Government is aware that reference case No. 67 of 1986 and 7 of 1987 are pending against the one and the same person Shri Nepali Das son of late Sachindra Das of village Sadagram P. S. Dholai district Cachar in the Court of illegal Mig-

rants determination Tribunal, Silchar, Cachar ?

(b) If so, the reasons there of ?

Shri Prafulla Kumar Mahnta, (Chief Minister) replied :

(a) (i) Reference Case No.7/87 is pending against Shri Nepal Das (not Nepali Das) son of late Sachindra Das of village Sadagram, P.S. Dholai and others.

(ii) Reference Case No. 67/86 is pending against Shrimati Sindhu Bala Das wife of late Sachindra Das of village Sadagram, P.S. Dholai and others. In this case, the name of Shri Nepal Das was also included in advertantly.

(b) Reference case no 7/87 was initiated against Shri Nepal Das and others on the report of Sub-Inspector S. Roy and Reference case No. 67/86 was initiated against Smti sindhu Bala Das and others on the report of Sub-Inspector Moqbool Hussain in which the name of Shri Nepal Das was also included. These two cases had been initiated on the report of two Sub-Inspectors at different times. Due to this reason the name of Nepal Das was included in the latter case (case No.67/86) in advertantly. The Superintendent of police, Cachar who instituted these cases had already requested the IM(D) Tribunal, Silchar to hear the cases jointly as they are found to be members of the same family.

**Re : Principal of Gargaon College : Nazira.**

**Shri Shio Shambhu Ojha Asked :**

639 : Will the Minister, Education be pleased to state :

(a) When the Principal of the Gargaon College, Nazira was appointed and when he is due to retire ?

(b) Whether it is a fact that there are some discrepancies in his date of birth as produced by him ?

(c) Wheiher it is a fact that his date of birth has been tempered in the the A. C. R. ?

শ্ৰীবৃন্দাবন গোস্বামী, (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১।৩।৬০ তাৰিখে অধ্যক্ষ হিচাবে নিযুক্তি হৈছিল আৰু ১।৯।৮৯ তাৰিখে অৱসৰ হব।

(খ) চৰকাৰে তেনেকুৱা কোনো অভিযোগ পোৱা নাই।

(গ) নহয়।

**বিষয় : অসমীয়া বিশ্বকোষ আৰু অসমৰ পূৰ্ণাংগ বুৰঞ্জীৰ প্ৰকাশন**

শ্ৰীগুণীন হাজৰিকাই সুধিছে :

৬৪০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰিবলৈ লোৱা "অসমীয়া বিশ্বকোষ আৰু ইংৰাজীত অসমৰ পূৰ্ণাংগ বুৰঞ্জীখন কিয় এতিয়ালৈকে বজাৰত বিক্ৰিৰ বাবে পোৱা হোৱা নাই ?

(খ) অসমীয়া বিশ্বকোষ প্ৰকাশৰ আচনিত এতিয়ালৈকে কিমান টকা ব্যয় হৈছে ?

(গ) ছপাবৰ বাবে এতিয়ালৈকে কেইটা খন্দ প্ৰস্তুত হল জনাবনে ?

(ঘ) অসমৰ পূৰ্ণাংগ বুৰঞ্জীখন প্ৰণয়নত এতিয়ালৈকে কিমান টকা ব্যয় হৈছে ?

শ্ৰীবৃন্দাবন গোস্বামী, (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসমীয়া বিশ্বকোষ আৰু ইংৰাজীত অসমৰ পূৰ্ণাংগ বুৰঞ্জীখন এতিয়াও ছপা হৈ ওলোৱা নাই।

(খ) অসমীয়া বিশ্বকোষ প্ৰকাশৰ আঁচনিত এতিয়ালৈকে সৰ্ব্বমুঠ ৯৪,৩৬৬ টকা ব্যয় হৈছে।

(গ) অসমীয়া বিশ্বকোষৰ প্ৰথম খন্দৰ ১৪৪ পৃষ্ঠালৈ ছপা হৈছে। দ্বিতীয় ভাগৰ ৬০% প্ৰবন্ধ গোট খাইছে। প্ৰস্তাবিত ১২টা খন্দৰ বাবে ৫০,০০০ প্ৰবন্ধৰ শিৰোনামা নিৰ্বাচিত কৰি ৰখা হৈছে।

(ঘ) অসমৰ পূৰ্ণাংগ বুৰঞ্জীখনৰ আঁচনিত এতিয়ালৈকে সৰ্ব্বমুঠ ৯৮,৪৮২·১৩ ব্যয় হৈছে।

**বিষয় : বৃহত্তৰ মিজোৰাম গঠনৰ ক্ষেত্ৰত অসম চৰকাৰৰ নীতি।**

শ্ৰীৰমেন্দ্ৰ দে, সুধিছে :

৬৪২। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :—

(ক) মিজো নেচনেল ফ্ৰন্ট আৰু মিজোৰাম কংগ্ৰেছৰ বৃহত্তৰ মিজোৰাম গঠনৰ কথা চৰকাৰে জানেনে ?

(খ) বৃহত্তৰ মিজোৰাম গঠনৰ ক্ষেত্ৰত অসম চৰকাৰে কি নীতি গ্ৰহণ কৰিছে ?

(গ) যদি অসন্মতি প্ৰকাশ কৰিছে, তেন্তে অসম মিজোৰাম সীমান্তত শান্তি স্থাপনৰ কোনো ব্যৱস্থা লৈছে নেকি ?

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কাগজে পত্ৰই প্ৰকাশ পোৱা বাতৰিত বাহিৰে, চৰকাৰী ভাৱে ইয়াৰ কোনো তথ্য পোৱা হোৱা নাই।

(খ) বৰ্ত্তমানলৈ কোনো নীতি গ্ৰহনৰ প্ৰশ্ন উঠা নাই। কিন্তু অসমৰ অঞ্চল সামৰি সব খোজা কোনো প্ৰস্তাব চৰকাৰে গ্ৰহণ কৰাৰ প্ৰশ্ন নুঠে।

(গ) মিজোৰাম সীমান্তত, অসমৰ সকলো ঠাইত শান্তি শৃঙখলা ৰক্ষাৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

## বি: শিলচর করিমগঞ্জ ও হাইলাকান্দি পৌর সভা কৰ্ম্মীর বিরুদ্ধে শাস্তিমূলক ব্যবস্থা।

শ্রীরামেন্দ্র দে জিজ্ঞাছা করিয়েছেন :

নং ৬৪৩। মাননীয় পৌর প্রশাসন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাচেন কি ?

(ক) শিলচর করিমগঞ্জ ও হাইলাকান্দি পৌরসভা কর্ত্তৃপক্ষ কতজন শ্রমীক কর্ম্মচারীর বিরুদ্ধে শাস্তিমূলক ব্যবস্থা নিয়েছেন ১৯৮৩-৮৪-৮৫-৮৬ ইংরাজির মধ্যে ?

(খ) তাদের মধ্যে সাময়িক ভাবে বরখাস্ত কতজন ও বরখাস্ত কত জন

(গ) সাময়িক ভাবে বরখাস্ত ও বরখাস্ত কর্ম্মীদেরকে কাজে ফিরিয়ে নেওয়ার ব্যবস্থা সরকার করবেন কি ?

পৌর প্রশাসন বিভাগের মন্ত্রী শ্রীছহিদুল আলম চৌধুরী উত্তর দিয়েছেন, :

(ক)

| পৌরসভা | শাস্তিমূলক ব্যবস্থা | | | | |
|---|---|---|---|---|---|
| | ১৯৮৩ | ১৯৮৪ | ১৯৮৫ | ১৯৮৬ | মোট |
| শিলচর | — | ৩ | — | ৬ | ৯ |
| করিমগঞ্জ | — | — | — | — | — |
| হাইলাকান্দি | ২ | ২ | ২ | ১ | ৭ |
| মোট | ২ | ৫ | ২ | ৭ | ১৬ |

(খ)

| পৌরসভা | সামায়িক ভাবে বরখাস্ত | বরখাস্ত |
|---|---|---|
| শিলচর | ৯ | — |
| করিমগঞ্জ | | — |
| হাইলাকান্দি | ৬ | ১ |
| মোট | ১৫ | ১ |

(গ) কাজে কিরিয়ে নেওয়ার কর্ত্ত ও পৌরসভার এই বিষয়ে চরকার ব্যবস্থা নেওয়ার প্রয়োজন বোধ করে না।

**Re : Total earnings and expenditures of Karimganj Municipility**

Shri Ramendra De asked

644. will the Minister of Municipal Administration be Pleased to State:-

(a) Total earning and expenditure of Municipal Board Karimganj under the Town Committee, Badarpur during the year 1984-85-86 ?

(b) Total amount spent as salaries of the employees and total amount spent for the development works during thet period ?

(c) Total amount sanctioned by the State Governmet into Municipal Board, Karimganj during the year 1983-84-85-86 ?

Shri Sahidul Alam Choudhury, (Minister of Municipal Administration,) replied :

| (a) Name of Municipal Board/Town Committee. | Earnigs (Rs | | Expenditure (Rs) | |
|---|---|---|---|---|
| | 1984-85 | 1985-86 | 1984-85 | 1985-86 |
| Karimganj Municipal Board. | 16,23, 210.99 | 18,24, 932.92 | 16,03, 774.28 | 17,88, 752.61 |
| Badarpur Town Committee. | 1,77, 648,34 | 3,70, 180,42 | 2,26, 102.07 | 3,62, 899.24 |
| Total— | 18,00, 859.33 | 21,95, 113,34 | 18,29, 876 35 | 21,51, 651.85 |

| (b) Name of Municipal Board/Town Committe. | Spent for salaries (in Rs.) | | Spent for development works(inRs | |
|---|---|---|---|---|
| | 1984-85 | 1985-86 | 1984-85 | 1985-86 |
| Karimganj Municipal Board. | 7,80,820 .48 | 9,53,431 .78 | 3,77.318 .93 | 3,48,214 .76 |
| Bodarpur Town Committee. | 1,12,383 .18 | 1,16,174 .45 | 34,209 .86 | 1,46,686 .10 |
| Total. | 8,93,203 .66 | 10.69,606 .23 | 4,11,528 .79 | 4,94,900 .86 |

(c) State Government sanction to Karimganj Municipal Board. (in Rs.)

| 1283-84 | 1984-85 | 1985-86 | Total |
|---|---|---|---|
| 3,37,503.90 | 6,29,893 60 | 5,41,405.90 | 15,08,803.00 |

Shri Ramendra De, asked :

645: Will the Chief Minister bc pleased to State :

(a) The total amauut of Sales Tax assessed during the last five years in Cashar District ?

(b) Total amount collected during this periods and the amount outstanding ?

(c) If so, whether there has been huge accumulation of taxes and are yet to be realised ? What are the causes the accumulation of the taxes ?

(d) What is the total amount out standing in Silchar Town ?

Shri Prafulla Kumar Mahanta, (Chief Minister i/c Finance): replied :

(a) The amount of sales Tax assessed in Cachar District during the last five years is as follows :

| year | Amount (Rs. lakhs) |
|---|---|
| 1981-82 | 87.25 |
| 1982-83 | 105.60 |
| 1983-84 | 106 84 |
| 1984-85 | 87.34 |
| 1945-86 | 109.09 |

(b)

| Year | Amount of Sales Tax collected (Rs. lakhs). | Amount of Sales Tax outstanding at the end of the year (Rs. lakhs). |
|---|---|---|
| 1981-82 | 67.26 | 63.20 |
| 1982-83 | 86.62 | 62.26 |
| 1983-84 | 102.33 | 3[illegible]-78 |
| 1984-85 | 75 56 | 37.86 |
| 1985-86 | 102.33 | 26.76 |

(c) It is a fact that a substantial amount of assessed tax is Yet to be realised. The main reason for this situation is the non-payment of assessed taxes by some assessees within the date fixed far payment. Another reason for accumulation is that a substantial amount is involved in appeals etc. against the assessment orders.

(d) Total amount of Sales Tax outstanding in Silchar Town as on 31 3-86 was Rs. 13.87 lakhs.

**বিষয়— বেলতলা মৌজাৰ অধীনস্থ ধাৰান্দা, বাঘৰবাৰ আদি গাওঁত ঘৰ সজা বন্ধ।**

শ্ৰীমজিৰুদ্দিন আহমেদে সুধিছে।

৬৪৬ঃ মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ—

(ক) বৃহত্তৰ গুৱাহাটী এলেকাৰ অন্তৰ্গত বেলতলা মৌজাৰ অধীনত ধাৰান্দা, বাঘৰবাৰ গাওঁ আদিকে ধৰি বহুতো গাৱঁত নতুনকৈ ঘৰ সাজিবলৈ বন্ধ ৰখা কথাটো সচানে আৰু যদি সচা হয় তাৰ কাৰন কি?

(খ) এই হুকুম কিমান দিনলৈকে বলবৎ থাকিব আৰু কেতিয়ালৈ উক্ত হুকুম বাতিল কৰা হব?

শ্ৰীহুহিহুল আলম চৌধুৰী, (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ—

(ক) সঁচা। গুৱাহাটী চহৰৰ মাজেদি যোৱা ৰেলৰ লাইনটো ৩৭ নং ৰাষ্ট্ৰীয় পথৰ আশে পাশেৰে শৰাইঘাটৰ পৰা নিয়াৰ বাবে বিকল্প পথ সজাৰ বিষয়ে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে। প্ৰস্তাবটো কাৰ্য্যকৰী হলে এই গাওঁবোৰৰ মাটি ব্যৱহৃত হব

(খ) ওপৰোক্ত প্ৰস্তাবটো সুনিশ্চিত সিদ্ধান্তত উপনীত হলে এই বিষয়ে স্থিৰ কৰা হব।

**বিষয়ঃ গুৱাহাটী মহকুমাৰ প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ শিক্ষক পদত নিযুক্তি।**

শ্ৰীগোপী নাথ দাসে সুধিছেঃ

৬৪৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গুৱাহাটি মহকুমাত ১৯৮৬ চনৰ ১ জানুৱাৰীৰ পৰা ৩১ ডিচেম্বৰলৈকে কিমান জন প্ৰাৰ্থীক প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ অস্থায়ী পদত নিযুক্তি দিয়া হৈছে।

(খ) উক্ত নিযুক্তিবোৰ কি নীতিৰ ওপৰত ভিত্তি কৰি দিয়া হৈছে জনাবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰীয়ে) উত্তৰ দিছেঃ

(ক) মুঠ ১৮১ জন।

(খ) উপদেষ্টা পৰিষদে প্ৰাৰ্থীৰ বাছনি তালিকা চুড়ান্ত নকৰা পৰ্য্যন্ত কাম চলাবলৈ অতি অস্থায়ীভাবে অতি প্ৰয়োজনীয় স্থলত অস্থায়ী নিযুক্তি দিবলৈ চৰকাৰৰ পৰা নিৰ্দেশ দিয়া আছে।

বিষয়ঃ পৌৰ এলেকাৰ বাবে নতুন কাৰিকৰী বিভাগ।

শ্ৰী দেবেশ্বৰ বৰাই সুধিছে।

মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) পৌৰ প্ৰশাসন বিভাগে পৌৰ এলেকাত পানী যোগান আৰু ৰাস্তা পথ নিৰ্মাণৰ বাবে "মুখ্য অভিযন্তা" পদ এটি সৃষ্টি কৰি এটি কাৰিকৰী বিভাগ খোলাৰ ব্যৱস্থা কৰিবনে?

(খ) যদি কৰে তেন্তে চৰকাৰে ১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰতে এই ব্যৱস্থা লবনে?

শ্ৰীছহিদুল আলম চৌধুৰী, (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰীয়ে) উত্তৰ দিছে:

(ক) চৰকাৰৰ হাতত তেনে কোনো প্ৰস্তাব নাই।

(খ) প্ৰশ্ন নুঠে।

বিষয়ঃ শিক্ষক শিক্ষয়িত্ৰীৰ ছুটীৰ দৰখাস্ত।

শ্ৰী দেবেশ্বৰ বৰাই সুধিছে:

৬৪৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) কামৰূপ জিলাৰ প্ৰাথমিক শিক্ষা বিষয়াৰ অধীনত বিভিন্ন স্কুলৰ শিক্ষক শিক্ষয়িত্ৰীৰ ১৯৮৬ চনৰ জানুৱাৰী মাহৰ পৰা পোৱা ছুটীৰ দৰখাস্ত কিমানখন নিষ্পত্তি নোহোৱাকৈ পৰি আছে জনাবনে?
(শিক্ষক আৰু স্কুলৰ নাম তালিকা এখন দাখিল কৰিব।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) ৫০ খন। এখন তালিকা সদনৰ মজিয়াত দিয়া হৈছে। (তালিকা অনুবন্ধ-'২' ত চাওক)

বিষয়ঃ চাহ বাগিছাৰ প্ৰাথমিক বিদ্যালয় সমুহৰ পৰিদৰ্শন।

শ্ৰীচিন্নবিউছ কন্দপানে সুধিছে:

৬৫০: মাননীয় শিক্ষাবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমৰ চাহ বাগিছা সমূহৰ নিয়মীয়া চৰকাৰী পৰিদৰ্শন হয় নে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) নিয়মিত ভাৱে পৰিদৰ্শন কৰিবলৈ নিৰ্দ্দেশ দিয়া আছে

**Re : vacant post of Asstt. Headmaster/ Principal of Adharnath High School, Silchar.**

Shri Sheikh Abdul Hamid, asked :

651: Will the Minister, Education be pleased to state:-

(a) Whather it is a fact that several posts of graduate teachers and Asstt. Head Masters of High and Higher Secondary Schools are lying vacant in Silchar Sub-Division in the district of Cachar for a considerable period of time ?

(b) It is a fact that posts of Asstt. Headmaster/Vice-Principal of Adharnath High School, Silchar and a post of Graduate teacher/Asstt Headmaster are lying vacant and the matter has been referred to D.P.I., Assam long ago but is still pending ?

(c) If so, why ?

শ্ৰীবৃন্দাবন গোস্বামী, (শিক্ষা মন্ত্ৰীয়ে) উত্তৰ দিছে :

(ক) হয়

(খ) হয়।

(গ) চিলচৰৰ অধৰ চান্দ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কাম কৰি থকা সহকাৰী প্ৰধান শিক্ষক জনে উপাধ্যক্ষ হিচাবে কাৰ্য্যনিৰ্বাহ কৰি আছে। উপাধ্যক্ষ আৰু বিষয় শিক্ষক দুয়োজনৰ পদোন্নতি হোৱা। ফলত দুটা স্নাতক শিক্ষকৰ পদ খালি হৈ আছে। জিলা বাচনি কমিতি গঠণ হলেই শিক্ষক বাচনি কৰি খালি পদ সমূহ পূৰণ কৰা হব।

বিষয়ঃ I.M. (D) T আদালতৰ সংখ্যা।

শ্ৰীশ্বেখ আব্দুল হামিদে সুধিছে :

৬৫২। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত Illegal Migrants (Determination by Tribunals) Act, 1983 ৰ অধীনত কিমানটা আদালত চলি আছে ?

(খ) উক্ত আদালত সমুহৰ স্থান জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান অসমত Illegal Migrants (Determination by Tribunals) Act, 1983 ৰ অধীনত ৪ (চাৰিখন) অবৈধ প্ৰব্ৰজনকাৰী চিনাক্তৰণ ন্যায়ধীকৰণ চলি আছে।

(খ) উক্ত ন্যায়ধিকৰণ সমূহ গুৱাহাটী, যোৰহাট, তেজপুৰ আৰু চিলচৰত স্থাপন কৰা হৈছে।

**Re: Appointment For Char Development Centres.**

Shri Sheikh Abdul Hamid, asked

653 Will the Chief Minister be pleased to state:

(a) Is it a fact that Government has advertised for appointment for four Char Development Centres? (please mentiones the date of advertisement)

(b) If so when the appointment will be made?

Shri Prafulla Kumar Mahanta, (Chief Minister) replied:

(a) Yes.

The Advertisement was made on 2nd. December, 1985.

(b) Panel of names of candidates have already been recommended for various categories of posts by the Selection Board and sent to Police for verification of character and antecedents.

**Re: Buffaloes Distributed in Char Areas**

Shri Sheikh Abdul Hamid, asked:

654, will the Chief Minister be pleased to state:

(a) How many Buffaloes have been distributed to the people of char Areas?

(please state block-wise and the cost price of each buffalo)

(b) Whether the buffaloes are of local or improved variety?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) যে উত্তৰ দিছে:

(ক) মুঠ ৬৪টা।

(১) গোৰীপুৰ উন্নয়ন খন্দ——— ১১ টা
(মাইকী ম'হ—১০, মতা ম'হ ১)
(২) দক্ষিন শালমৰা উন্নয়ন খন্দ——— ৬টা
(মাইকী ম'হ—— ৫, মতা ম'হ— ১)
(৩) চমৰীয়া উন্নয়ন খন্দ— ৬ টা
(মাইকী ম'হ——৫, মতা ম'হ——১)
(৪) ছিপাঝাৰ উন্নয়ন খণ্ড——— ১৮ টা
(মাইকী ম'হ—— ১৬ মতা ম'হ ২)
(৫) মাজুলী উন্নয়ন খণ্ড——— ২৩ টা
(মাইকী ম'হ ২০, মতা ম'হ ৩)

মুঠ ৬৪ টা

এই ম'হ বিলাকৰ কিনা মূল্য গড়ে ৭,০০০ টকা।

(খ) এই বিলাক ম'হ স্থানীয় উন্নত জাতৰ আৰু মুৰা আৰু চুটি (Murrah and Surti) জাতৰ।

**বিষয়ঃ মুখ্য মন্ত্ৰীৰ বানপানী সাহায্য পুঁজি।**

শ্ৰীআব্দুল জলিলে সুধিছে:

৬৫৫। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) মুখ্য মন্ত্ৰীৰ বানপানী সাহায্য পুঁজিত মুঠ কিমান টকা সংগৃহীত হয়?

(খ) কোন জিলাৰ পৰা কিমান টকা সংগৃহত হয়?

(গ) এই টকা ইতিমধ্যে সাহায্য হিচাবে বিতৰণ কৰা হ'ল নেকি?

(ঘ) যদি হৈছে, কত কেনেকৈ আৰু কিমানকৈ সাহায্য বিতৰণ কৰা হৈছে?

(ঙ) যদি বিতৰণ কৰা হোৱা নাই, কত কেতিয়া কেনেকৈ বিতৰণ কৰা হব?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে য়ে উত্তৰ দিছে:

(ক) মুখ্য মন্ত্ৰীৰ "বানপানী সাহায্য পুঁজি" বুলি কোনো পুঁজি নাই। খ, গ, ঘ, ঙ, প্ৰশ্ন নুঠে।

**বিষয়ঃ ধুবুৰী পৌৰ এলেকাৰ বাট পথৰ শোচনীয় অৱস্থা।**

শ্ৰীমছিবউদ্দিন সেখে সুধিছে:

৬৫৬। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ধুবুৰী পৌৰ এলেকাৰ সৰহভাগ ৰাস্তাৰ শোচনীয় অৱস্থাৰ বিষয়ে

চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে ধুবুৰী চহৰৰ ৰাস্তা পথ মেৰামতিৰ বাছৰ আৰ্থিক অনুদান দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীচহিদুল আলম চৌধুৰী (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) ধুবুৰী পৌৰ এলেকাৰ কেইটামান ৰাস্তাৰ মেৰামতিৰ প্ৰয়োজনৰ কথা চৰকাৰে জানে।

(খ) অসমৰ অন্যান্য পৌৰ সভা/ নগৰ সমিতি আদিৰ লগতে ধুবুৰী পৌৰ এলেকাৰ ৰাস্তা আদি মেৰামতিৰ কাৰণে বছৰি জনসংখ্যাৰ ভিত্তিত প্ৰাপ্য অনুদান দিয়া হৈছে।

**Re : Tube wells to char areas**

Shri Abdul Jabbar, asked :

657. Will the Chief Minister be pleased to state—

The name of the villeges of Char Areas where tube wells were installed in 1986 under (1) Dalgaon Sialmari Dev. Block.
(2) Kalaigaon Dev. Block.
(3) Sipajhar Dev. Block

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(১) দলগাওঁ- উন্নয়ন খণ্ডত মুঠ ৪৮ টা নলীনাদ বিভিন্ন গাওঁ অঞ্চলত বহুৱা হৈছে।

(ইয়াৰ এখন তালিকা সদনৰ মেজত ৰখা হৈছে) অনুবদ্ধ ৩ (ক)ত চাওক

(২) কলাইগাওঁ- উন্নয়ন খণ্ডত মুঠ ৪৮ টা নলীনাদ বিভিন্ন গাওঁ অঞ্চলত বহুৱা হৈছে।

(ইয়াৰ এখন তালিকা সদনৰ মেজত ৰখা হৈছে) (তালিকা অনুবদ্ধ '৩' (খ)ত চাওক)

(৩) ছিপাঝাৰ- উন্নয়ন খণ্ড অঞ্চলৰ বাবে গত বিত্তীয় বছৰৰ (১৯৮৬-৮৭ চনত) মাৰ্চ্চ মাহত মুঠ ৪৭ টা নলীনাদ অনুমোদন কৰা হৈছে। এই নলীনাদ বিলাক ছিপাঝাৰ উন্নয়ন খণ্ডলৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছে। এই বিলাক তাৰ খণ্ড পৰ্য্যায় সমন্বয় কমিটীৰ (Block level Co-ordination Committee) পৰামাৰ্শ মতে উপযুক্ত ঠাইত বহুওৱা হয়।

**Re : Appointment of A.P.Ps.**

Shri Abdul Jabbar, asked :

658. Will the Minister, Judicial be pleased to state :

(a) What is the principle followed in appointment of A.P. Ps. in the Courts ?

(b) How many A.P. Ps. are there in Barpeta Courts ?

Sri Surendra Nath Medhi (Judicial Minister) replied:

(a) Assistant Public Prosecutor is appointed under Sub-Section (1) of Section 25 of the Criminal Procedure Code, 19 73. Nothing has been provided in Section 25 about the requirement of panel and the practice as Advocate in the matter of appointment of Assistant Public Prosecutor. Rule 2(2) of the Assam Law Department Manual, as amended, however, provides that in the matter of appointment of Assistant Public Prosecutor, Government may require a Deputy Commissioner or a Sub-Divisional Officer to prepare a panel of names in consultation with the Chief Judicial Magistrate or the Sud-Divisional Judicial Magistrate, as the case may be.

(b) There are at present 7( seven) Assistant Public Prosecutors in Barpeta Courts.

**বিষয়ঃ পথালিবাম আৰু লেজাই উচ্চমাধ্যমিক বিদ্যালয় দুখনৰ একত্ৰিকৰণ।**

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে :

৬৫৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিব্ৰুগড় মহকুমাৰ অন্তৰ্গত পথালিবাম আৰু লেজাই উচ্চ মাধ্যমিক বিদ্যালয় দুখনৰ একত্ৰিকৰণৰ বিষয়টো কেনে অৱস্থাত আছে ?

(খ) চলিত বছৰতে দুয়োখন বিদ্যালয়ৰ একত্ৰিকৰণৰ আশা কৰিব পাৰিনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) লেজাই উচ্চ ইংৰাজী বিদ্যালয়ৰ লগত মধ্য ইংৰাজী বিদ্যালয় একত্ৰিকৰণৰ বিষয়ত ডিব্ৰুগড় জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ

পৰা ছুটা প্ৰস্তাৱ মাধ্যমিক শিক্ষা সঞ্চালকে পাইছে। এই বিষয়ত বিতং তথ্যপাতি বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ পৰা বিচৰা হৈছে।

(খ) তথ্যপাতি চাইহে ব্যৱস্থা লোৱা হব।

**Re : Establishment of new Politechnic.**

Shri Dewan Joynal Abedin asked :

660. Will the Minister, Education be pleased to State :

(a) Whether the Government is planning to set up new Polytechnics in the State ?

(b) If so, how many and the places where these are to be located ?

(c) Whether there is any propsal to set up a Polytechnic at South Salmara ?

(d) Whether there is any proposal to upgrade the Goalpara Junior Technical School into a Polytechnic ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) উত্তৰ লক্ষীমপুৰ, তেজপুৰ আৰু ডিফু প্ৰত্যেকতে একোটাকৈ।

(গ) নাই।

(ঘ) হয়।

**Re: Amalgamation of Schools.**

Shri Altaf Hussain Mazumdar asked :

661. Will the Minister, Education be pleased to state:

(a) When did Government got the representations for amalgamation of (i) Dalu High School and Dalu M.E. School (ii) Sirajul Ali High School and Sirajul Ali M.E. School (under Inspector of Schools, Cachar) and the necessary reports were called for ?

(b) Have the reports been received and amalgamation ordered ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ডলু হাইস্কুলৰ লৈতে ডলু এম ই স্কুলৰ একত্ৰিকৰণ বিষয়ত কোনো

ৰাজহুৱা আবেদন পত্ৰ পোৱা দেখা নাযায়। অৱশ্যে এই বিষয়ত মাননীয় বিধায়ক জনব পৰা যোৱা চেপ্তেম্বৰ মাহত এখন চিঠি পোৱা বুলি মাধ্যমিক শিক্ষা সঞ্চালকে জনাইছে। এই সম্পৰ্কে চিলচৰৰ স্কুল পৰিদৰ্শকৰ পৰা প্ৰস্তাৱ বিচৰা হৈছে।

চিৰাজুল আলি হাইস্কুলৰ সৈতে চিৰাজুল আলি এম, ই স্কুলৰ একত্ৰিকৰণৰ বিষয়ত কোনো প্ৰস্তাৱ/আবেদন পত্ৰ পোৱা দেখা নাযায়।

(খ) ডলু হাইস্কুল আৰু ডলু এম, ই স্কুলৰ একত্ৰিকৰণ বিষয়ত মাধ্যমিক শিক্ষাধিকৰ্ত্তাই চিলচৰ স্কুল পৰিদৰ্শকৰ পৰা আৱশ্যকীয় প্ৰতিবেদন যোৱা ৯।১।৮৭ তাৰিখে পাইছে। একত্ৰিকৰণৰ বিষয়টো বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন।

**Re : Dilapidated condition of Manipur M. E. School.**

Shri Altaf Hussain Mazumdar, asked :

662. Will the Minister, Education be pleased to state :

(a) Is the Government award that the Building of Manipur M. E. School at Chesri, under District Elementary Education Officer, Cachar is in a dilapidated and unsafe condition and requires construction of the building ?

(b) If so will the Government provide building grant to this Manipuri Institution ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এই কথাখিনি ইতিপূৰ্বে চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাই।

(খ) এই ক্ষেত্ৰত বিধিমতে ব্যৱস্থা লোৱা হব।

## ANNOUNCEMENT FROM THE CHAIR

অধ্যক্ষ : এতিয়া অসম বানীৰ ওপৰত বিশেষ অধিকাৰ ভঙ্গৰ প্ৰস্তাব শ্ৰীশ্বেখ চামান আলি আৰু শ্ৰীৰত্নেশ্বৰ চৰকাৰে আনিছে। এই বিষয়টো ১০ তাৰিখত হব। এতিয়া শ্ৰীদেৱেশ্বৰ বৰাই এটা বিষয় উত্থাপন কৰিব।

## MISCELLANEOUS DISCUSSION

শ্ৰীদেৱেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মই এটা বিষয় উত্থাপন

কৰিব বিছাৰিছো সেই বিষয়টো ৩ এপ্ৰিল তাৰিখৰ অসম বানী কাকতত যোগান বিৰোদ্ধে প্ৰকাশ পাইছে। "যোগান বিভাগৰ দুৰ্নীতি আদিৰ কিছুমান কথা সন্নিবিষ্ট কৰিছে। ইয়াৰ ওপৰি নিমখ, আমদানি কৃত চেনি আৰু ৰেপচিডৰ আবণ্টনৰ ক্ষেত্ৰত প্ৰধানকৈ দুৰ্নীতি আৰু স্বজনপ্ৰীতিৰ অভিযোগ উঠিছে। বাতৰিটোত আৰু দুটা কথা কৈছে। মই পঢ়ি দিছো, এতিয়া এই চাম ঘোৰ ব্যৱসায়ীয়ে সন্মুখত থলুৱা যুৱকক থিয় কৰাই জাল কৰি ধন ঘটাত লাগিছে আচল চাবি কাঠি বোলে পূৰ্ব্বৰ দৰে ফাটি বজাৰেই পকাই আছে। নতুন নতুন ভূমিকাত তেওঁলোক অৱতীৰ্ণ হৈছে। যোগান মন্ত্ৰী বিৰাজ শৰ্ম্মাই হ'ল বা যিয়েই নহল তাতে কি আহে যায়? একেদৰে গণপ-ৰিষদৰ মন্ত্ৰীও ৩১ টা ভোট পোৱা ফাচি বজাৰতে বন্দী। গতিকে মূল্য বৃদ্ধি ৰোধ কৰিব কোনে? অসম বানী কাকতত এনেদৰে বাতৰি প্ৰকাশ কৰি চৰকাৰৰ বিৰুদ্ধে ষৰযন্ত্ৰ চলাইছে। গতিকে এই বিষয়টো মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো। যদি সচা নহয় স্পষ্টিকৰণ দিব লাগে। কাৰণ গণপৰিষদ চৰকাৰৰৰ দিনত স্বজনপ্ৰীতি হোৱা নাই।

শ্ৰীবিৰাজ কুমাৰৰ শৰ্মা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আজি শ্ৰীদেবেশ্বৰ বৰাই যিটো প্ৰস্তাব আনিছে তাত সুখী হৈছো।

( বিবৃতি অশোংধিত )

যোৱা ইং ৩-৪-৮৯ তাৰিখৰ 'অসম বানী'ত প্ৰকাশিত "যোগান মন্ত্ৰীৰ কামে কাজে দুৰ্নীতি আৰু স্বজন প্ৰীতিতহে ইন্ধন যোগাইছে" শীৰ্ষক বাতৰিৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষিত হৈছে। এই বাতৰি সম্পূৰ্ণ ভিত্তিহীন আৰু উদ্দেশ্য প্ৰাণোদিত। এই বাতৰিত বিশেষ সংবাদদাতাই পৰিবেশন কৰা তথ্য সমূহ শুদ্ধ নহয়। এই সংক্ৰান্তত মই সদনৰ মাননীয় সদস্যসকলৰ জ্ঞাতাৰ্থে এটি স্পষ্টিকৰণ দিবলৈ ওলাইছো।

১) সমগ্ৰ দেশতে খাদ্য সাগ্ৰীৰ মূল্য বৃদ্ধি হৈছে। এই ক্ষেত্ৰত খাদ্য আৰু অসামৰিক যোগান বিভাগে চোকা দৃষ্টি ৰখাৰ উপৰিয়ো মূল্য বৃদ্ধি ৰোধ কৰাৰ বাবে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিছে। বৰ্ত্তমান মুকলি বজাৰত খাদ্য সামগ্ৰীৰ মূল্য স্থিতাৱস্থা থকাতো পৰিলক্ষিত হৈছে। ১৯৮৭ চনৰ জানুৱাৰী মাহৰ শ্ৰমিক কাৰ্য্যালয়ৰ গ্ৰাহক মূল্যসূচী (Labour Burean's

Consumer price index for industrial worker for January 1987 ) মতে উৰ্দ্ধগামী মূল্য ৰোধ কৰাত ভাৰতৰ পাঁচখন ৰাজ্য অসম পশ্চিমবঙ্গ, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ ইত্যাদি কৃতকাৰ্য্য হৈছে। এই সংবাদ যোৱা ২৭ মাৰ্চ তাৰিখৰ 'অসম ট্ৰিবিউন (Assam Tribune ) কাকতত প্ৰকাশ পাইছে। মিঠাতেল, মচুৰ দাইল; আদিৰ নিচিনা কিছুমান খাদ্য দ্ৰব্যৰ মূল্যমান ওচৰ চুবুৰীয়া অন্যৰাজ্যৰ তুলনাত কম ৰাখিব পৰাটো উল্লেখনীয়। ইয়াৰ উপৰিও গ্ৰাহকৰ স্বাৰ্থ সুৰক্ষাৰ বাবে ১৯৮৬ চনত গ্ৰাহক সুৰক্ষা আইন বলবৎ কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

২) দুৰ্নীতি আৰু স্বজন প্ৰীতিৰ অভিযোগৰ কোনো থল নাই। যিহেতু মোৰ পৰিয়ালৰ কোনো ব্যক্তিয়েই খাদ্য সামগ্ৰীৰ ব্যসায়ৰ লগত জৰিত নাই। ৰাজ্যৰ অনুজ্ঞা পত্ৰ দিয়াত শিক্ষিত নিবনুৱা যুবকক ব্যৱসায়ত উদগনি যোগোৱাটো স্বজনপ্ৰীতি নহয়। যোৱা ত্ৰৈমাসিক নিমখ আৱণ্টনত ১১ জন অনুজ্ঞা পত্ৰধাৰী স্থানীয় অসমীয়া ব্যৱসায়ীক একোটাকৈ নিমখৰ ৰেকআবণ্ঠন দিয়া হৈছে। বাকী নিমখৰ ৰেক সমূহ জিলা আৰু মহকুমাৰ উপায়ুক্তৰ মনোনীত ব্যৱসায়ী আৰু অনুজ্ঞাপত্ৰ ধাৰী অভিজ্ঞ ব্যৱসায়ীক আবন্তণ দিয়া হৈছে। এই ক্ষেত্ৰত অনাঅসমীয়া মালিকৰ দালালক আৱন্তন দিয়াৰ অভিযোগ সম্পূৰ্ণ ভিত্তিহীন। ফাচী বজাৰৰ কোনো ব্যৱসায়ীৰ লগত মোৰ কোনোধৰনৰ সম্পৰ্ক থকা কথাটো সম্পূৰ্ণ অসত্য ও অমূলক। এনেধৰনৰ অবান্তৰ উক্তি অনাটো নিম্নৰুচীৰ পৰিচায়ক যদিও স্থানীয় অসমীয়া ব্যৱসায়ী সকলক ব্যৱসায় কৰিবলৈ উদগনি দিয়াটো আমাৰ চৰকাৰে বিচাৰে। সেই বুলি আন আন স্থানীয় অভিজ্ঞ স্বীকৃতি প্ৰাপ্ত ব্যৱসায়ীক বঞ্চিত কৰাতো আমাৰ উদ্দেশ্য নহয়।

৩) কেন্দ্ৰীয় চৰকাৰে প্ৰতি মাহে আমাৰ ৰাজ্যক আবন্তন দিয়া ৰেপচীড বিতৰনৰ এক নিৰ্দিষ্ট নীতি আছে। এই নীতি অনুসৰি এন চি চি এফ (NCCF) ষ্টেটফেডে আৰু অন্যান্য পঞ্জীভুক্ত সমবায় সমিতিক আবন্তন দিয়া হয়। কিন্তু মাজতে কিছু দিন ষ্টেটফেডে ৰেপচীড তেল বিতৰনৰ অসুবিধাৰ কাৰনে নিৰ নোৱাৰাত অন্যান্য স্বীকৃতি প্ৰাপ্ত সমবায় সমূহকহে আবন্তন দিয়া হৈছে। যিকোনো পৰিস্থিতিতে কোনো ব্যক্তিগত ব্যৱসায়ীক ৰেপচীড তেলৰ আবন্তন দিয়া নাই। কাছাৰৰ কেইখনমান

সমবায় সমিতিক প্ৰথম অৱস্থাত আবন্তন দিয়া হৈছিল যদিও আভি যোগ পোৱাৰ কথা অবগত হোৱাত আৱন্তন দিয়া হোৱা নাই।

বাতৰিত উল্লেখিত ফাটী বজাৰত ৰেপচীড তেল জব্দ কৰা সংক্ৰান্তত গোচৰ বৰ্ত্তমান বিচাৰাধীন হৈ আছে। ইয়াৰ দায়িত্ব জিলা কৰ্তৃপক্ষৰ হাতত আছে গতিকে এই সংক্ৰান্তত কোনো মন্তব্য দিব পৰা নেযায়। আবন্তন পোৱা সমবায় সমিতি সমূহৰ সামৰ্থ অনুযায়ী কম বেচি পৰিমানে আবন্তন দিয়া হয় কেবল এন চি চি এফ বা ষ্টেদফেডৰ ক্ষেত্ৰতহে অধিক পৰিমানে আবন্তন দিয়া হয়।

৪) প্ৰথম অৱস্থাত আমদানিকৃত চেনি কেবল ষ্টেদফেড আৰু এন চি চি এফকহে আবন্তন দিয়া হৈছিল। কিন্তু তেওঁলোকে সম্পৰ্ণ অথবা কিছু অংশ উঠাব নোৱাৰাৰ কাৰনে আমাৰ ৰাজ্যই আমদানিকৃত চেনিৰ পৰা বঞ্চিত হৈছিল। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত স্থানীয় নিবন্ধুৱা অনুজ্ঞাপত্ৰ-ধাৰী ব্যৱসায়ীক আবন্তন দিয়া হৈছিল। কিন্তু তেওঁলোকেও নানা কাৰনত এই কাম সুচাৰুপে কৰিব নোৱাৰাত পুনৰ ষ্টেদফেড আৰু এন চি চি এফক আবন্তন দিয়া হৈছে।

আমাৰ চৰকাৰ কোনো ব্যৱসায়ী চক্ৰৰ হাতত বন্দী হোৱা বুলি তোলা অভিযোগ অবান্তৰ। চৰকাৰৰ সকলো নীতি নিয়মৰ মাজেদিহে বিতৰনৰ ব্যৱস্থা চলি আছে।

এই ব্যক্তিগত আক্ৰোশ মূলক বাতৰি আমাৰ চৰকাৰৰ ভাৱমূৰ্ত্তি নষ্ট কৰাৰ উদ্দেশ্যে পৰিবেশন কৰিছে। কিন্তু আমাৰ দৃঢ় বিশ্বাস যে এনে ধৰনৰ অপপ্ৰচাৰৰ দ্বাৰা অসম গন পৰিষদ চৰকাৰৰ ভাৱমূৰ্ত্তি ম্লান কৰিব নোৱাৰে।

Mr. Speaker: এতিয়া মাননীয় সদস্য কুমাৰ দীপক দাস। (Shri Kumar Dipak Das adsent.) Now hon'ble Shri Ramendra De will Speak regarding eviction operation in Cachar.

শ্রীরামেন্দ্র দে : অধ্যক্ষ মহোদয়, সারা আসাম রাজ্যে উচ্ছেদের ভয়াবহতা সম্পর্কে এই সদনে পুংখানুপুংখরূপে আলোচনা হয়েছে। আমরা মূলতঃ এই ধরনের উচ্ছেদের বিরোধী। কারন, বিকল্প ব্যবস্থা না করে যে কোনও যায়গার যে কোনো লোককে যে কোনও অজুহাতে উচ্ছেদ করা অগণতান্ত্রিক এবং

অমানবিক। কাছাড় জেলায় এবং করিমগঞ্জ জেলায় ব্যাপকহারে বনাঞ্চলে উচ্ছেদ চলছে। বনাঞ্চল ছাড়াও করিমগঞ্জ জেলার বিভিন্ন যায়গায় উচ্ছেদ চলছে। আমি এই কথাটারে গুরুত্ব এজন্যই দিচ্ছি যে উচ্ছেদ যদিও আজকের দিনের নতুন কোনও ঘটনা নয়। কিন্তু বর্তমান সরকারের উচ্ছেদের পরিকল্পনা আসামের বিভিন্ন অংশে বসবাসকারী মানুষের মনে আতঙ্কের সৃষ্টি করেছে। তার কারন, সরকার একেবারে বিজ্ঞপ্তি দিয়ে বলেছেন যে উচ্ছেদ আমরা করবোই। আর এই উচ্ছেদ করার সময় জমির পাটা আছে কি না তা পরীক্ষা নিরীক্ষা না করেই একেবারে নির্বিচারে উচ্ছেদ করা হচ্ছে। আর পুলিশের হাতে এই উচ্ছেদ কার্যের সকল ক্ষমতা তুলে দেওয়ার ফলে সেটা চরম রূপ ধারন করেছে। এই ব্যাপারে আমি বনমন্ত্রী এবং গৃহমন্ত্রী উভয়ের দৃষ্টি আকর্ষন করছি। কাছাড় জেলার বনাঞ্চলে বরনছড়া, ময়নারখাল, ঘাড়ঘোড়া, হাওয়াইজান প্রভৃতি অঞ্চলে ব্যপক উচ্ছেদ চলছে। হাওয়াইজান প্রভৃতি অঞ্চলে ব্যাপক উচ্ছেদ চলছে। হাওয়াইজান, ঘাড়ঘোড়া-মিজোরাম সীমান্ত আঞ্চল। সেখানে রিয়াং, টিপরা, চাকমা প্রভৃতি নানা উপজাতি বাস করে। এই সব বসতি প্রায় ৬০ বৎসর আগের। এই উচ্ছেদের ফলে একদিকে যেমন আসাম সরকার জমি খালি করছেন অন্যদিকে মিজোরাম থেকে লোক এসে-সেই জমি দখল করছে। তাহলে সরকার অন্ততঃ হাইলাকান্দি মহকুমায় যে উচ্ছেদের পরিকল্পনা নিয়েছেন তা মিজোরামের হাতে জমি তুলে দেওয়ার জন্য কি? গত ১৬ মার্চ সেই সব অঞ্চলে যে উচ্ছেদ করা হয়েছে ২০ মার্চে দেখাগেল যে প্রায় ৩৫ টি পরিবার মিজোরাম থেকে এসে দখল করে বাড়ীঘর তৈরী করে ফেলেছে। সুতরাং বন বিভাগের কাছে আমার প্রশ্ন হলো যে এই উচ্ছেদ করে মিজোরামের হাতে জমি তুলে দেওয়ার পরিকল্পনা তাঁরা নিয়েছেন কি?

আমার দ্বিতীয় প্রশ্ন হলো যে বন বিভাগ পুলিশ নিয়ে যে উচ্ছেদ করছে এতে পুলিশের লোক উচ্ছেদের নামে সেখানকার অসহায় লোকেদেরে সর্বস্ব লুঠ করে অমানুষিক অত্যাচার চালাচ্ছে তা অবিলম্বে বন্ধ করে সেখানে জনসাধারনের মধ্যে একটা শান্তির বাতাবরন সৃষ্টি করবেন কি? এই ব্যাপরে আমি সদনে আলোচনা উত্থাপন করলাম।

শ্রীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, বেদখলকাৰীক উচ্ছেদ

কৰা সম্পৰ্কত মই আগতেও ইয়াত বহুবাৰ কৈছো। মাননীয় সদস্যই মানুহৰ ওপৰত সন্ত্ৰাসৰ সৃষ্টি কৰা হৈছে বুলি যি অভিযোগ আনিছে সেই অভিযোগ ভিত্তিহীন। সংৰক্ষিত বনাঞ্চল বে-দখলকাৰী সকলক উচ্ছেদ কৰাৰ অভি-প্ৰায় বনবিভাগৰ আছে। এইটো গোপনে ৰখা নাই। সংৰক্ষিত বনাঞ্চল উচ্ছেদ কৰা হৈছে। আৰু ইতিমধ্যে ১ হেজাৰ ৯ শ ৮ টা পৰিয়ালক সৰ্ব্বমুঠ ৬ হেজাৰ পৰিয়ালক উচ্ছেদ কৰা হৈছে। ইয়াত লু-ঢাক কৰিব খোজা নাই। মাননীয় সদস্যজনে ভূমিহীনক মাটি দিয়া কথা কৈছে কিন্তু ভূমিহীনক মাটি দিয়া নিদিয়াটো বন বিভাগৰ ভিতৰত নপৰে। আজি ৩২ জন মন্ত্ৰীৰ বেলেগ বেলেগ বিভাগ আছে। মই মাত্ৰ ৰাজহ বিভাগৰ লগত যোগাযোগ কৰিবৰ কাৰণে অনুৰোধ কৰিব পাৰো। বন বিভাগে মাটি দিব লাগে বুলি কোনো কথা সংবিধানত নাই। তাৰ বাবে কোনো অনুচ্ছেদ আৰু আইন নাই। গতিকে এনেধৰণৰ ভিত্তিহীন অভিযোগ কৰি মাননীয় সদস্যই বনাঞ্চল বেদখল কৰিবলৈ উদগনি দিয়া যেনহে লাগিছে। সংখ্যাগৰীষ্ঠ লোক সকলৰ বে-দখল কৰাটো আজি ব্যৱসায়ত পৰিনত হৈছে সেইটো মই কেতিয়াও হবলৈ দিব নোৱাৰো। আমাৰ গণ পৰিষদ চৰকাৰে এইটো হবলৈ দিব নোৱাৰে।

Shri Ardhendu Kumar Dey : Mr Speaker Sir, I would like to draw the attention of the Hon'ble Minister for Municipal Administretion about the malpractices that are going on at Lanka Town Committee. In the name of giving or dtstributing Bhetis, some sort of malpractices are going on throughout the State and particulariy in the Hojai Subdivision. In Lanka Bazar under Lanka Town Committee, there are many poor merchants who have been earning their livelihood by selling their many business products. But those People were evicted by the then SDC of Lanka Circle, who was also in-charge of Lanka Town Committee. In the name of development of Lanka market, abcut 320 Bhetis were thus allotted for distribution to some persons. In the name of distribution of Bhetis, the SDC who is in-charge of Lanka Town Committee, charged Rs. 3000.00 Per

Bheti. The amount collected comes to Rs. 9,42,000/Instead of allotting those Bhetis to the persons concerned who enlisted their names and deposited Rs. 3000/-, the Lanka Town Committee spent only Rs.1000/- Per Bheti. This is published in Dainik Janambhumi where it is clearly stated that instead of spending Rs. 3000/- per Bheti, the Lanka Town Committee spent only Rs. 1000/- per Bheti. As such, he spent only Rs. 3 lakhs or so, out of Rs. 6,42,000. Nobody knows about the unspent amount. It is a corrupt practice of the lanka Town Committee. Similar such corrupt practices are slso prevalent in Hojai Munciipality. So, I want to know from the Hon'ble Minister in-charge of Municipal Administration whethr he is going to enquire into this matter of malpractices going on in Hojai Municipality as well as in Lanka Town Committee.

শ্ৰীশফীহুল আলম চৌধুৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যই যিটো প্ৰশ্ন উত্থাপন কৰিছে সেই সম্পৰ্কে চৰকাৰে বিহিত ব্যৱস্থা লোৱাৰ কাৰণে তদন্ত আদি কৰাইছে। মিউনিচিপাল বা টাউন কমিটি অফিচাৰ সকলৰ দায়িত্ব আছে। যদি কিবা অভিযোগ আছে তেতিয়াহলে চৰকাৰৰ ফালৰ পৰা বিহিত ব্যৱস্থা লোৱা হব।

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, দৈয়াং অঞ্চলৰ খেতিয়ক ৰাইজ আহি জনতা ভৱনৰ সন্মুখত উপস্থিত হৈছেহি। এই খেতিয়ক ৰাইজে সেই অঞ্চলত বহুদিন ধৰি বসবাস কৰি আছে। আজি পৰ্য্যন্ত তেওঁলোকৰ মাটি পট্টন হোৱা নাই। গতিকে মন্ত্ৰী মহোদয় আৰু আমিও সদস্য সকল গৈ তেওঁলোকক কলে ভাল হয় নেকি?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, দৈয়াং আৰু মেৰাপানীৰ সমস্যাটো চৰকাৰৰ অৱগত। উক্ত সমষ্টিৰ বিধায়কৰ লগত, ৰাজহ মন্ত্ৰী আৰু মুখ্য মন্ত্ৰীৰ লগত এই সম্পৰ্কে আলোচনা কৰা হৈছে। এই সম্পৰ্কে কাৰ্য্যকৰী ব্যৱস্থা লোৱা হব।

শ্ৰীদেবেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, চৰকাৰৰ ফালৰ পৰা কোনোবা

গৈ ৰাইজক কলে ভাল হয়।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, তেওঁলোকৰ দুজন প্ৰতিনিধিয়ে মোক ১।টা ৰজাত অফিচত লগ ধৰিলেই হব। আৰু আলোচনাৰ বিতং বিবৰণ তেওঁলোকৰ প্ৰতিনিধি দুজনেই কব।

## ANNOUNCEMENT FROM THE CHAIR

Mr Spesker - (Read out in Assamese the special session of the Assembly from 7th April to 9th April, 1987) Now Item No 2.

## CALL ATTENTION NOTICE

Shri Ardhendu Kumar Dey :— Mr. Speaker, Sir, I beg to call the attention of the Minister, Education under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news-item appearing in the 'weekly Prahari' dated 29th January, 1987, under the caption "শিক্ষক বাচনিত অনিয়ম"।

Sir, this House has discussed many things about the rampant corruption and irregularities which are going on in the Education Department. from time to time. The newspapers which are the mirror of the public and this House which is also the mirror of the people have tried their to call the attention of the Education Minister about the corrupt practices which are going on in the Education Department. Sir, as regards the selection of teachers, this depart memt is playing a dubious role and the appointment of teachers is the most burning problem in the Department. Sir, I am just reading out a portion from the news item appeared in the' 'weekly Prahari' dated 29 th January, 1987. Sir, from this news item, you will definitely realise what sort of corruption is going on in this department.

মাননীয় অধ্যক্ষ মহোদয়, এই সন্দৰ্ভত ২৯ জানুৱাৰীৰ 'প্ৰহৰী' কাকতত প্ৰকাশিত 'শিক্ষক বাচনি অনিয়ম' শিতানত প্ৰকাশ পাইছে যে—

অলপতে অনুষ্ঠিত হৈ যোৱা প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ শিক্ষক পদৱীত নিযুক্তিৰ বাবে আয়োজিত বাছনি পৰীক্ষাত ব্যাপক অসৎ পন্থা অৱলম্বন কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

যোৱা ১০ জানুৱাৰী তাৰিখে নিয়োগৰ বাবে নিৰ্বাচিত প্ৰাৰ্থীৰ তালিকাখন প্ৰকাশ কৰা হয়। কিন্তু ইয়াত এনে কিছু লোকৰ নাম আছে যাৰ আৰ্থিক অৱস্থা স্বচ্ছল বা পৰিয়ালত অন্যান্য চাকৰিয়াল আছে। তালিকাত শতকৰা নব্বৈজন প্ৰাৰ্থীৰে প্ৰৱেশিকা পৰীক্ষাৰ শতকৰা নম্বৰৰ পৰিমাণ চল্লিশৰ তলত। অনেকেই তৃতীয় বিভাগতহে অথবা তিনি-চাৰি বাৰৰ অন্ততহে কম্পাৰ্টমেণ্টল পৰীক্ষাত উত্তীৰ্ণ হোৱা বুলি অভিযোগ পোৱা গৈছে। অথচ চৰকাৰৰ তৰফৰ পৰা (পৰীক্ষাৰ পূৰ্বে) প্ৰতিশ্ৰুতি দিয়া হৈছিল যে শতকৰা চল্লিশ শতাংশ নম্বৰ প্ৰাপ্ত, বিগত অসম আন্দোলনত নিৰ্য্যাতিত, মৃত অথবা অৱসৰপ্ৰাপ্ত শিক্ষকৰ পৰিয়ালৰ প্ৰাৰ্থীক নিয়োগৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হব। কিন্তু সমস্ত দেখা গ'ল যে যোগ্যতা অনুসৰি প্ৰাৰ্থী নিয়োগৰ বাবে নিৰ্ব্বাচন কৰাতো নহলেই বৰং মাতব্বৰী প্ৰথাৰে তালিকাত নাম অন্তৰ্ভুক্ত কৰা এনে এচাম প্ৰাৰ্থীৰ নাম দেখা গৈছে যি সকলে ইংৰাজীততো বাদেই অসমীয়াতে নিজৰ নামটো অথবা বাক্য এটা লিখিব পাৰিব নে নোৱাৰে সন্দেহৰ বিষয়।

ৰহস্যজনক ভাৱে নিয়োগৰ বাবে নিৰ্বাচিত প্ৰাৰ্থীৰ তালিকাখন তিনিবাৰকৈ সলনি কৰা হ'ল। প্ৰত্যেকবাৰেই বেলেগ বেলেগ প্ৰাৰ্থীৰ নাম তালিকাত অন্তৰ্ভুক্ত কৰা দেখা গৈছিল। নীতি অনুসৰি নিৰ্বাচিত প্ৰাৰ্থীৰ তালিকাখন ১।১।৮৭ তাৰিখেই প্ৰকাশ কৰিব লাগিছিল। কিন্তু কোনো অজ্ঞাত কাৰণত উক্ত তালিকাখন ১০।১।৮৭ তাৰিখেহে (মাহৰ দ্বিতীয় শনিবাৰ উপলক্ষে সেইদিনা কাৰ্য্যালয়সমূহ বন্ধ আছিল।) কাৰ্য্যালয়ৰ জাননী ফলকত আৰি দিয়া হয়। কিন্তু ৰহস্যজনক ভাৱে উক্ত তালিকাখন ১২।১।৮৭ তাৰিখে সোমবাৰৰ দিনা জাননী ফলকৰ পৰা অন্তৰ্ধান হয়।

বাছনি কমিটিৰ অন্যায় অবিচাৰৰ বলি হোৱা এচাম প্ৰাৰ্থীয়ে এই সংবাদদাতাক লিখিত ভাৱে দিয়া অভিযোগ অনুসৰি প্ৰকৃত শিক্ষিত

নিবনুৱাক পৰিকল্পিত ভাবে নিয়োগৰ পৰা বঞ্চিত কৰা হ'ল। এনেদৰে বঞ্চিত হোৱা প্ৰাৰ্থী সকলৰ মাজত এনে প্ৰাৰ্থীও আছে যি সকলক পৰিয়ালত কমেও তিনি চাৰিজন নিবনুৱাই চাকৰি বিচাৰি হাবাথুৰি খাইছে। আন্দোলনৰ সময়ত ব্যাপক পুলিচী নিৰ্য্যাতনৰ বলি হোৱা লোকো এনে দৰে বঞ্চিত হোৱা প্ৰাৰ্থীৰ মাজত আছে।

প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা তথা অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীক বঞ্চিত কৰি এনেদৰে প্ৰাৰ্থী নিৰ্ব্বাচন কৰা হ'ল কিয় সিহে ৰহস্যৰ বিষয়। নিয়োগৰ পৰা বঞ্চিত প্ৰাৰ্থীসকল উপায়হীন হৈ আদালতৰ কাষ চপাৰ কথা চিন্তা কৰা বুলি এই সংবাদদাতাক জানিবলৈ দিছে।

Sir, I am naming the present Chairman of Elemenetary Education Board of Hojai. Sir, there is a long'Que, in the residece of the present Chairman Smt. S. Sinha of Hojai Elementary Education Board. Sir, why there should be a que in her residence ? Smti. Sinha is indulging in corrupt practices. If any enquiry is made, then whole thing will be revealed as to how she is adopting corrupt practices in giving appointment of teachers. Sir, this is not only going in Hojai Subdivisional Elementary Education Board. This is going on everywhere throughout the State. Therefore, sir, this is hightime for the Hon'ble Education Minister to enquire into the whole affairs otherwise it will go beyond any limit. Therefore, sir, we want a clarification from the Hon'ble Eduction Minister and atleast to see that what is going on in Hojai Elementary Education Board, i.e , in the residence of Smti. Sinha and also in other parts of the State.

১৯৮৭ চনৰ ২৯ জানুৱাৰী তাৰিখে সাপ্তাহিক কাকত প্ৰহৰীত প্ৰচাৰিত শিক্ষক বাচনিত অনিয়ম শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষন হৈছে।

উত্তৰ লক্ষীমপুৰ মহকুমাৰ শিক্ষক পদৰ প্ৰাৰ্থী বাচনি উপদেষ্টা পৰিষদে কৰিছে আৰু পৰিষদৰ নিৰ্বাচিত সদস্যসকলে একগোট হৈ বাচনি

কার্যৰ অসৎ পন্থা অৱলম্বন কৰাটো সম্ভৱ নহয়। সেইদৰে মেধা ভিত্তিত বাচনি কৰা প্ৰাৰ্থীসকলৰ ক্ষেত্ৰত আৰ্থিক অৱস্থাৰ স্বচ্ছলতা বা পৰিয়ালত অন্য চাকৰিয়াল থকা আদি বিবেচনাৰ প্ৰশ্ন নুঠে। সেইদৰে উত্তৰ লক্ষীমপুৰ মহকুমা প্ৰাৰ্থমিক শিক্ষা উপদেষ্টা পৰিষদে নিৰ্বাচন কৰা প্ৰাৰ্থীসকলৰ শতকৰা ৯০ জন প্ৰাৰ্থীক প্ৰবেশিকা পৰীক্ষাত নিম্নতম ৪০ শতাংশ নম্বৰৰ তলত পোৱা নাই। অৱশ্যে কেইজনমান তৃতীয় বিভাগত আৰু পৰিপুৰক পৰীক্ষাত (Supplementory) উত্তীৰ্ণ হোৱা প্ৰাৰ্থী তালিকাত স্থান পাইছে। সেই বিষয়ে নিজে তথ্য সংগ্ৰহ কৰিবলৈ সঞ্চালকক কোৱা হৈছে।

বাচনি তালিকাত বিগত অসম আন্দোলনত জৰিত নিৰ্য্যাতিত, মৃত বা অবসৰ প্ৰাপ্ত শিক্ষকৰ পৰিয়ালৰ প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হৈছে। চৰকাৰৰ ১৯৮৬ চনৰ ২৬ ছেপ্তেম্বৰ তাৰিখৰ স্থাপিত ইং২৫/৮৩ অংশ নম্বৰৰ নিৰ্দেশনাত ধৰি দিয়া হিচাপ মতে উক্ত প্ৰাৰ্থীৰ তালিকাত আন্দোলনত নিৰ্যাতিত প্ৰাৰ্থীকে ধৰি সকলো শ্ৰেনীৰ প্ৰাৰ্থীয়ে যথাযথ স্থান পাইছে। সঞ্চালকৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে শিক্ষক বাছনি তালিকাখন পৰিষদৰ সভাপতিৰ নিৰ্দেশমতে ১০-১-৮৭ তাৰিখে প্ৰকাশ কৰা হৈছে আৰু বহুত দিনলৈকে কাৰ্যালয়ৰ ফলকত উক্ত তালিকা দিয়া আছিল। তালিকাৰ নকল জিলা প্ৰাৰ্থমিক শিক্ষা বিষয়া আৰু উপাযুক্ত কাৰ্যালয়লৈও প্ৰেৰন কৰা হৈছিল। গতিকে বাতৰিত প্ৰকাশ হোৱা ধৰনেৰে ১২-১-৮৭ তাৰিখে তালিকাখন অন্তৰ্দ্ধান হোৱা প্ৰশ্ন নুঠে। নিৰ্বাচিত কৰা প্ৰাৰ্থীৰ তালিকা খন তিনিবাৰকৈ সলনি কৰা কথাটো সচা নহয়। ১ম বিভাগত উত্তীৰ্ণ হোৱা কোনো প্ৰাৰ্থীয়ে সাক্ষাৎকাৰত পাৰদৰ্শিতা দেখুৱাব নোৱাৰিব পাৰে। প্ৰাৰ্থীৰ তালিকাত কিবা যদি আসোৱাহ থাকে সেই আসোৱাহ চৰকাৰৰ দৃষ্টি গোচৰ কৰিলে চৰকাৰে যথাবিহিত ব্যৱস্থা লব।

## MATTER UNDER RULE 301

Mr. Speaker : Now Item no 3

Shri Ramedra De : Mr. Deputy Speaker Sir, I beg to draw the attention of the Minister, Power by raising a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly

relating to the news item appearing in the 'Madhuparka' dated February, 1987 under the Caption "Sudhu Matra Sarkari Takar Adyashradhya Byatis Kajer Kaj Kisui Haini

উপাধ্যক্ষ মহোদয়, আমি কেবল মাত্র সরকারের দৃষ্টি আকর্ষণ করবো। কারন ঘটনাটা আজকের নয়, কয়েক বতসর আগের। শুধুমাত্র সরকারী টাকার আদ্য শ্রাদ্ধ ব্যতীত কাজের কাজ কিছুই হয়নি। আজ থেকে কয়েক বতসর আগে এই বরাক উপত্যকায় একটি মাত্র জেলা ও ৩টি মহকুমা ছিল। আজ কাছাড় ভাগ হয়ে ছুটো জেলা হয়েছে। কিন্তু করিমগঞ্জের ভাঙ্গা কপাল আর জোড়া লাগেনি। ইন্দিরা কংগ্রেসের আমন থেকে গ্রাম্য বৈদ্যুতিক করনের জন্য প্রায় ৬০ লক্ষ টাকা খরচ হয়েছে। গত ১৯৭৯ ইং থেকে ১৯৮৭ ইং পর্যন্ত প্রায় ২০ লক্ষ টাকার কেলেংকারী কেবল করিমগঞ্জ অফিস থেকে হয়েছে। তার চুরি থেকে আরম্ভ করে নানা রকমের দুনীতির ফলে এই বিরাট অংকের গড়মিলের ঘটনাকে অনবরত ধামাচাপা দেওয়ার চেষ্টা চলছে। শোনা যাচ্ছে যে গ্রাম্য বৈদ্যুতিক করনের ব্যাপারে ১০০টা গ্রামের হদিশ পাওয়া যাচ্ছে না। তাছাড়া, চাবাগান ও অন্যান্য বড় বড় ব্যবসায়ীদের সঙ্গে গোপনে বিদ্যুত চুরিতে উতসাহ যোগানোও হচ্ছে। ফলে লক্ষ লক্ষ টাকা আত্মসাত হচ্ছে। মহোদয়, আমি আগেই বলেছি যে কেবল সরকারের দৃষ্টি আকর্ষণ করব। কিন্তু ব্যাপারটা এতো জটিল যে আমি আশাকরি বর্তমান সরকার এই ব্যাপারে একটা তদন্ত করবেন। কারন, কয়েমদিন আগে বিদ্যুত মন্ত্রী আমাকে বলেছিলেন যে কাছাড় ও করিমগঞ্জ জেলায় তুলনামুলক ভাবে গ্রাম্য বৈদ্যুতিক করনের কাজ সবচেয়ে বেশী হয়েছে। কিন্তু আমি বলতে চাই যে কাছাড় ও করিমগঞ্জে যে সব গ্রামে বৈদ্যুতিকরন হয়েছে বলে রিপোর্ট এসেছে তার সব গ্রামে কাজ হয়নি। মন্ত্রী মহোদয় বলেছিলেন যে অনুসুচীত জাতির এলাকায় বৈদ্যুতিকরনের জন্য আলাদা কোন ব্যবস্থা নাই। কিন্তু আমি বলতে চাই যে অনুসুচীত, তপশীলি, এম ও বি সি প্রভৃতি লোকের বসবাসকারী অধিকাংশ গ্রামে বৈদ্যুতিকরন কাজ হয়নি। যেমন রায়পুর, কানিশাইল প্রভৃতি গ্রামে বৈদ্যুতিকরন হয়েছে বলে বলা হয়েছে অথচ সেখানে হয়নি করিমগঞ্জের নয়াগ্রামে বাবুয়া প্রভৃতি বহু অঞ্চলে বিদ্যুত দেওয়া হয়েছে বলা হচ্ছে কিন্তু সেখানেও হয়নি। সুতরাং এইসব গড়মিলের ব্যাপারে একটা তদন্ত করবেন বলে অনুরোধ করছি।

কৰিমগঞ্জ গ্ৰাম্য বৈদ্যুতিক সংমণ্ডলৰ (বৰ্তমান কৰিমগঞ্জ বৈদ্যুতিক সংমণ্ডল হিচাপে নামাকৰন কৰা হৈছে) কাৰ্য্যবাহী অভিযন্তাৰ গুদামৰ হিচাপ নিকাচ অন্তঃবিভাগীয় হিচাপ পৰীক্ষকৰ দ্বাৰা এটা বিশেষ (Special) পৰীক্ষা কৰোৱা হৈছিল। এই বিশেষ পৰীক্ষাত নথি পত্ৰ বিলাক পৰীক্ষা কৰা হয় আৰু গুদামৰ হিচাপ নিকাচত কিছুমান খেলিমেলি পোৱা যায় গতিকে ১০.৬০ লাখ টকাৰ সন্দেহজনক আত্মসাতৰ কথা এটা ধৰা পৰে। এই বিশেষ হিচাপ পৰীক্ষা কৰাৰ আগেয়ে ৰাজ্যিক চৰকাৰৰ দুৰ্নীতি নিবাৰণ বিভাগে গুদামৰ সকলো যাবতীয় নথিপত্ৰ জব্দ কৰে। বিশেষ হিচাপ পৰীক্ষকে পুংখানুপুংখৰূপে হিচাপ পৰীক্ষা কৰিবৰ কাৰণে দুৰ্নীতি নিবাৰণ বিভাগৰ পৰা জব্দ হোৱা নথিপত্ৰ হিচাপ সংগ্ৰহ কৰে আৰু পৰীক্ষা কৰাৰ পিচত সেই বোৰ পুনৰ ঘুৰাই পঠায়। দুৰ্নীতি নিবাৰণ বিভাগৰ অনুৰোধত পিচত সেই পৰীক্ষাৰ এটি টোকা তেওঁলোকলৈও পঠিয়ায়।

গুদামৰখীয়া জনক সামায়িক ভাবে বৰ্খাস্ত কৰা হয় আৰু যিসকল বিষয়াৰ কাৰ্য্যালয়ৰ গুদামৰ খেলি-মেলি বোৰ হৈছিল তেওঁলোকক বেলেগ ঠাইলৈ বদলি কৰা হয়। বৰ্ত্তমানৰ কাৰ্য্যবাহী অভিযন্তা জনে ১৯৮৬ চনৰ অক্টোবৰ মাহত জব্দ হোৱা সকলো নথিপত্ৰ দুৰ্নীতি নিবাৰণ বিভাগৰ পৰা সংগ্ৰহ কৰে আৰু গোটেই কথাটো সঠিক ভাবে মূল্যায়ন কৰিবলৈ আৰু হিচাপ পৰীক্ষকৰ টোকাৰ মাত্ৰ দিবলৈ তেওঁৰ পূৰ্ববৰ্ত্তী কাৰ্য্যবাহী অভিযন্তা সকলৰ পৰা সহায় সহযোগ বিচাৰিছে। বিষয়টো বৰ্ত্তমানৰ অৱস্থা এইটো - ৱেই। পৰিষদে বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰিছে আৰু শীঘ্ৰে যথোচিত ব্যৱস্থা লব।

ৰাজ্যিক বিদ্যুৎ পৰিষদৰ পুঁজি আৰু ভাণ্ডাৰত অপব্যৱহাৰৰ এনে অভিযোগ সময়ে সময়ে পাই থকা হৈছে। যিমান দূৰ পাৰি এনেধৰনৰ ঘটনা বিলাক নিবাৰণ কৰিবৰ বাবে পৰিষদে ব্যৱস্থা গ্ৰহন কৰিছে। যাহওক বিদ্যুৎ পৰিষদৰ বিস্তৃত আৰু বিকেন্দ্ৰীকৃত গঠনৰ বাবে আৰু বৰ্ত্তমানে থকা হিচাপ পৰীক্ষা আৰু পহৰাদাৰৰ ব্যৱস্থা পৰ্য্যাপ্ত পৰিমানে নোহোৱা বাবে কোনো জৰুৰী কাৰ্য্যব্যৱস্থা লোৱা সম্ভৱ নহয়। ফলত পিচলৈ অনুসন্ধান কৰিলেও যি ফলপ্ৰসূ নহয়। কোনো বিষয়াৰ বিৰুদ্ধে থকা বিভাগীয় অনুশাসনমূলক গোচৰবোৰ চলাই থাকিবলৈও পৰিষদৰ পৰ্য্যাপ্ত পৰিমানে বিষয়া নাই। যিকি নহওক পৰিষদৰ আন্তঃ হিচাপ পৰীক্ষা কৰা আৰু

পহৰাদাৰ ব্যৱস্থা শক্তিশালী কৰাৰ ব্যৱস্থা লোৱা হৈছে। বিত্তীয় খেলি-মেলি বোৰ তৎকালীন ভাবে অনুসন্ধান কৰিবলৈ এজন পূৰ্ণসময়ৰ অনুসন্ধান বিষয়া নিযুক্তি দিবলৈও ব্যৱস্থা লোৱা হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰভ এটা কথা কৈছিলো যে এচটিএচটি বুলি কথা নাই সকলো ঠাইতে বৈদ্যুতিকৰণ কৰা উচিত। যিবিলাক অঞ্চল এতিয়াও বৈদ্যুতিকৰণ কৰা হোৱা নাই সেই ঠাই বিলাক বৈদ্যুতিকৰণ কৰা বাবে আমাৰ চৰকাৰ আগ্ৰহী। তেখেতৰ যিখিনি পৰামৰ্শ সেইখিনি গুৰুত্ব সহকাৰে লোৱা হৈছে, সেইমতে ব্যৱস্থা লবলৈ চেষ্টা কৰা হব।

## LAYING OF REPORTS

Mr Deputy Speker : Now Item No. 4.

Shri Lalit Chandra Raikhowa (Minister) : Mr Speaker sir, I beg to lay in the House the 24th Annual Report and Accounts of the Assam State warehousing Corporation for the year 1984-85.

Mr Deputy Speaker : Item No. 5, Shri Pradip Gogoi.

## LAYING OF RULES

Shri Pradip Gogoi (Minister of State) : Sir, I beg to lay the Assam Ministers', Ministers of State, and Deputy Ministers, (Allowances&Privileges) Amendment) Rules, 1987.

Mr Deputy Speaker : Next, item No. 6, Shri Dinabandhu Choudhury.

## MATTER UNDER RULE 49

শ্ৰীদীনবন্ধু চৌধুৰী : মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৪৯ নং নিয়মৰ অধীনত ১৯৮৭ চনৰ ১৩ মাৰ্চ তাৰিখৰ "ষ্টেটফেদৰ বিক্ৰী কেন্দ্ৰ স্থাপন" সম্পৰ্কে সোধা ২৩৯ নম্বৰ তঁৰাবিহীন প্ৰশ্নৰ উত্তৰৰ পৰা উদ্ভৱ হোৱা বিষয়াৰ ওপৰত এটি আলোচনা কৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, যোৱা ১৩ মাৰ্চ তাৰিখৰ প্ৰশ্ন ষ্টেট ফেডৰ বিক্ৰী কেন্দ্ৰ স্থাপন সম্পৰ্কে (খ) প্ৰশ্ন আছিল "ষ্টেট ফেডৰ উপ বিধিত বিক্ৰী কেন্দ্ৰ স্থাপন কৰাৰ বিধান আছে নে? আৰু যদি আছে সেই ব্যৱস্থা নীতি সন্মত নে? "তাৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল হয় আছে আৰু ষ্টেডফেডৰ উপবিধি অনুযায়ী এনে বিক্ৰী কেন্দ্ৰ স্থাপন কৰিব পাৰে।" কিন্তু এই উপবিধিৰ পৰা দেখা যায় যে প্ৰশ্নৰ উত্তৰ অসম্পূৰ্ণ হৈছে। ইয়াৰ ব্যৱস্থা আছে উপবিধি নং ২ (এ) ১০ এই ব্যৱস্থাত ...............

Sub Rule 2(a) (x). "subject to the pernissier by the Registrar of Co-operative Societies provided that they do not work in conflict with any of the existing co-operative societies having similar activities and functioning in a particular area".

মোৰ প্ৰশ্ন উংথাপন কৰাৰ উদ্দেশ্য এইটোৱে আছিল যে ষ্টেট ফেডত ব্ৰান্স আৰু আউটলেট খুলিব পাৰি যদিহে ৰেজিষ্টাৰৰ আগতে পাৰমিচন লোৱা হয়। কিন্তু ৰেজিষ্ট্ৰাৰৰ পাৰমিচন আগতীয়াকৈ লোৱা হৈছিল নে নাই সেইটো প্ৰশ্নৰ উত্তৰত কোৱা হোৱা নাছিল আৰু এইটো এতিয়াও পৰীক্ষণীয় বিষয় হৈ আছে। দ্বিতীয়টো হ'ল যিহেতু গাওঁ পৰ্য্যায়ত গাওঁ পঞ্চায়ত লেভেলত চছাইটি বিলাক আছে, সেইবিলাক কনজুমাৰ্চ একটিভিটিৰ ওপৰতহে নিৰ্ভৰ কৰি চলে। যিহেতু গাওঁ অঞ্চলত গাও পঞ্চায়তৰ পৰা ষ্টেডফেডৰ মেম্বাৰ আৰু ব্ৰান্সও খোলা হৈছে, তাক ভাগ ভাগকৈ সজোৱা হব। তাৰ ফলস্বৰুপে কাম বন্ধ হব। যদি কো-অপাৰেটিভ চছাইটি ব্যৰ্থ হোৱা বুলি ভবা হায়, তেতিয়া হলে বিষয়া সকলৰ কাৰণে ক্ষতিকাৰক হব। গতিকে ৰিটেইল আউটলেট আৰু ব্ৰান্স খুলিব লাগে। ষ্টেডফেডে সমবায় নীতি আৰু আদৰ্শ মানি চলা নাই আৰু ইয়াৰ উদ্দেশ্যৰ পৰা ফালৰি কাটি গৈছে। নতুনৰ ভিতৰত অনাতম নিয়ম হৈছে মেম্বাৰক সহায় কৰাটো হৈছে ষ্টেডফেডৰ উদ্দেশ্য কম্পিটিচনত অৱতীৰ্ণ হোৱাটো ইয়াৰ উদ্দেশ্য নহয়।

উপাধ্যক্ষ মহোদয়, তৃতীয়তে (গ) প্ৰশ্ন আছিল "বিক্ৰী কেন্দ্ৰ স্থাপন কৰিবলৈ লোৱা বছৰৰ পৰা ৩১। ১২। ৮৬ তাৰিখলৈ অসমত কিমানটা বিক্ৰী কেন্দ্ৰ স্থাপন কৰা হৈছে? তাৰ ভিতৰত কিমানটা লাভজনক ভাবে চলি

আছে ?" উত্তৰত কোৱা হৈছিল যে ১৯৭৫ চনৰ পৰা ৩১।১২।৮৬ তাৰিখলৈ অসমত ১৮৮ টা বিক্ৰী কেন্দ্ৰ স্থাপন কৰা হৈছে। বৰ্ত্তমান ১০৩ টা খুচুৰা বিক্ৰী কেন্দ্ৰ ও ২৮ টা শাখা ও অন্যান্য সহ সৰ্ব্বমুঠ ১৩১ টা বিক্ৰী কেন্দ্ৰ চলি আছে। শাখা কেন্দ্ৰৰ ভিতৰত ১৯৮৫-৮৬ চনত ৯ টা শাখা কেন্দ্ৰত লাভ হৈছে। খুচুৰা বিক্ৰী কেন্দ্ৰত লাভ লোকচানৰ হিচাব শাখা অফিচ সমূহৰ বছৰেকীয়া সমূদায় হিচাব পত্ৰত সামৰি লোৱা থাকে। তথাপি থুলমুল হিচাবত বৰ্ত্তমান ৫০ টা লাভজনক ভাবে চলি আছে। কিন্তু চাৰ, এতিয়া দেখা যায় যে যিখন শেহতীয়া কমিটি আছে, প্ৰশাসনীয় হিচাপ তাৰ পৰা দেখুৱাইছে। এইটো অৱশ্যে পৰীক্ষনীয় হিচাব। ১৯৮৪ চনত ইয়াত মাত্ৰ দুটা শাখা বঙ্গাইগাওঁ আৰু মঙ্গলদৈত বাহিৰে বাকীবোৰ শাখাত লোকচান হৈছে। গতিকে ইয়াৰ পৰা এইটো অনুমান কৰিব পাৰি যে ৰিটেইল আউটলেট আৰু ব্ৰান্সৰ পৰা লাভজনক হোৱা নাই, বৰং তাৰ কাৰণে গোটেই ষ্টেটফেড লোকচান হৈছে। ইয়াৰ ফলত ষ্টেটফেড অৰগেনাইজেচন ক্ষতিগ্ৰস্ত হোৱা নাই, সমবায়ৰ যিবিলাক উদ্দেশ্য আছে, সেই বিলাক ধ্বংসৰ পথলৈ আগুৱাই নিয়া হৈছে।

অধ্যক্ষ মহোদয়, আমি পৰীক্ষনীয় হিচাবৰ পৰা দেখিছো যে ষ্টেটফেডৰ বিক্ৰী কেন্দ্ৰ আৰু শাখা বিলাকৰ ওপৰত নিয়ন্ত্ৰণ ব্যৱস্থা ৰখা উচিত হব।

অধ্যক্ষ মহোদয়, আজি আটাইতকৈ ডাঙৰ কথা হৈছে ষ্টেটফেডৰ বিক্ৰী কেন্দ্ৰ সমূহৰ ওপৰত ইয়াৰ মূখ্য কাৰ্য্যালয়ৰ নিয়ন্ত্ৰণ নোহোৱা অৱস্থা হৈছে। আচৰিত হবলগীয়া কথা বৰপেটা আৰু তিনিচুকীয়া কেন্দ্ৰত গ্ৰহ লচ হৈছে। সাধাৰণতে কোনো চচাইটিয়ে এনে লোকচান কৰিলে সেই চচাইটি চলি থকাৰ নিয়ম নাই। বৰপেটা কেন্দ্ৰত ৪ লাখৰ ওপৰ টকা লোকচান হৈছে আৰু তিনিচুকীয়া কেন্দ্ৰত ১, ২০, ১৭৬.৩১ পইচা লোকচান হৈছে। মই আৰু দুই এটা উদাহৰণ দিও ডিব্ৰুগড়ৰ মৰাণ শাখাত ১৯৮২ চনতে সেই শাখাৰ দায়িত্বত থকা শ্ৰীবিভাশ গোস্বামী নামৰ লোকজনে ১লাখ ৭৫ হেজাৰ টকা আত্মসাত্ কৰি উধাও হল। এই লোকজনক তেতিয়াৰ ষ্টেটফেডৰ মেনেজিং ডাইৰেক্টৰ শ্ৰীএন, ঘোষে নিয়োগ কৰিছিল। এই লোক-জনৰ আচল ঠিকনাও নাছিল। তেওক আজিও বিচাৰি পোৱা নাই। এনেদৰেও বিভাগে মানুহ নিয়োগ কৰে। প্ৰতিদিনৰ বিক্ৰীৰ টকা প্ৰতিদিনে জমা দিয়াৰ নিয়ম আছে যদিও উক্ত বিভাশ গোস্বামীয়ে ২-৩ সপ্তাহৰ

জমা হোৱা টকা কৰ্তৃপক্ষৰ হাতত জমা নিদিয়াকৈ ৰাখি থৈ শেষত আত্মসাত্ কৰিলে। তাৰাবাৰী চাব চেণ্টাৰত মৰাপাট কিনাৰ কাৰণে ষ্টেটফেডৰ পৰিদৰ্শক জনে আগধন হিচাবে এডজাষ্ট নকৰাকৈ ১ লাখ ৮০ হেজাৰ টকা দিয়া দেখুৱাই এই টকা আত্মসাত্ কৰে। এই টকাখিনি এতিয়ালৈকে ৰিয়েলাইজ কৰা হোৱা নাই।

অধ্যক্ষ মহোদয়, এতিয়া 'ম' প্ৰশ্নৰ কথালৈ আহো ইয়াত ৬১০.৫১ লাখ টকা প্ৰভিজনেল বেলেন্স ছিটত লচ দেখুৱা হৈছে। এইটো অলপ কষ্ট কৰি চালেই ওলাই পৰিব কিমান টকা লোকচান হব। আচলতে ইমান টকা লোকচান হোৱা নাই, ই মাত্ৰ ১৫-২০ কোটি মান টকাহে হব। ইয়াত হিচাব মেনুপুলেট কৰা হৈছে বুলি ধাৰণা হৈছে। প্ৰভিজনেল বেলেন্স ছিটত পৰিবহন চাৰ্জ দেখুৱা হৈছে। এইটো ট্ৰেডিং একাউণ্টত কেনেকৈ আহিব পাৰে? প্ৰভিজনেল লচ একাউণ্টত থাকিব লাগে। এইটো বেলেন্স ছিটত দেখুৱাৰ ফলত ১০ কোটি ৭৬ লাখ, ৯৪৯ টকা ৫৭ পইচা লোকচান হোৱা বুলি কোৱা হৈছে কিন্তু আচলতে এই লোকচান ১১, ৮৮, ৫২৩,৮১ টকাহে হৈছে। এইটো অংক ভুলকৈ দেখুৱা হৈছে। এই হিচাবটো ভালকৈ কৰিলে বহুত লচ কমি যাব। তেনেকৈ প্ৰফিট এণ্ড লচ একাউন্সত এঠাইত দেখুৱা হৈছে trasportation Charges ৰেইলওৱে ক্লেইমচ্ চত ৯১, ৬৭, ৩৯০ টকা দেখুৱাইছে এই টকা ইয়াত আহিব নোৱাৰে। Reiwburseable এইটো কথা মই বুজা নাই, এইটো প্ৰায় ১ কোটিমান টকা হব। বেলেন্স ছিটত আমাৰ চচাইটিখনক ফোপোলা কৰিছে। অসমৰ ৰাইজৰ চাহিদা পূৰণ কৰিবলৈ যি ব্যৱস্থা কৰিব লাগে চৰকাৰে কৰিব পাৰা নাই। আটাইতকৈ দুৰ্ভাগ্যৰ কথা হৈছে এই কনজুমাৰ চচাইটি বোৰক চৰকাৰে দিবলগীয়া টকাৰ হিচাব দেখিলে আচৰিত হব লাগে। কনজুমাৰ চচাইটিক চৰকাৰে ৩৪, ৯৭, ৪৩, ৯৬৯, ৮ টকা দিবলৈ বাকী আছে। এনেকুৱা হলে আমাৰ চচাইটি কেনেকৈ চলিব? অসমৰ এগ্ৰিকালচাৰ বিভাগে ৪৫ কোটি টকা দিবলৈ বাকী আছে। চৰকাৰে ইমান টকা দিবলৈ বাকী থাকিলে চচাইটি কেনেকৈ চলিব? চৰকাৰে যি খিনি তত্পৰতাৰে এই চচাইটিবোৰ কন্ট্ৰোল আৰু মেনেজমেণ্ট কৰিব লাগিছিল কৰা নাই। যাৰ কাৰণে ইয়াত কণ্ট্ৰোল নোহোৱা হৈছে।

মাননীয় অধ্যক্ষ: মাননীয় সদস্য গৰাকীয়ে বক্তব্য চমু কৰক।

শ্ৰীদীনবন্ধু চৌধুৰী : অধ্যক্ষ মহোদয়, চমুৱাইছো। এই চচাইটিবোৰৰ টকা আজি মিচইউজ হৈছে, অপব্যয় হৈছে। অধ্যক্ষ মহোদয়, ষ্টেটফেদৰ কানপুৰ, কলিকতা আৰু দিল্লীত তিনিটা লায়েচন অফিচৰ কাৰ্য্যালয় আছে এই কাৰ্য্যালয়কেইটাৰ টকা-পইচাৰ হিচাব কেনেকৈ টকা খৰচ কৰে, কি কাম কৰে একো বুজা নাযায়। সেয়ে মই অবজাৰভেচন কৰিছো যে ষ্টেটফেডে আজি সমবায়ৰ যি নীতি নিয়ম আছে তাক মানি চলা নাই। চৰকাৰে মানি চলাব পৰা নাই। সমবায়ৰ উদ্দেশ্য নষ্ট হৈছে। ২৩৭ জন ব্যক্তিগত সদস্যৰ ব্যৱসায়ী গোষ্টিৰ কিবা প্ৰভাব আছেনেকি বা তেওঁলোকৰ মাজত কিবা বেলেগ বুজা-পৰা আছেনেকি এই কথাটো ভালদৰে চাব লাগে। ব্যৱসায়ী গোষ্টিয়ে এই সদস্য সকলক নিজা লাভৰ কাৰণে কিবা প্ৰভাব পেলাইছেনেকি এইবোৰ ভালদৰে চাব লাগে।

এই পৰিচালন মণ্ডলী আৰু আমোলা মণ্ডলীৰ মাজত অমিল হোৱাৰ কাৰণে এই বস্তুটো প্ৰফেচনেলাইজন হোৱা নাই। বিজনেচ মেনেজ-মেণ্ট আৰু ফাইনেন্স মেনেজমেণ্টৰ মাজত সম্পৰ্ক নাই। এই ক্ষেত্ৰত এই অনুষ্ঠানটো পুণৰ গঠণৰ চিন্তা কৰিব লগীয়া আছে। আনহাতে আৰু এটা ডাঙৰ কথা হৈছে চাব, ষ্টেডফেডৰ সাংগাঠনিক প্ৰশাসনৰ বিজুতি ঘটা দেখাগৈছে। তাৰ ফলত এই অনুষ্ঠানটোৱে ৰাইজক সুলভ মূল্যত খাদ্য সামগ্ৰী যোগান ধৰিব পৰা নাই। গতিকে এই অনুষ্ঠানটো এট শক্তিশালী অনুষ্ঠান হিচাবে গঢ়ি তুলিব লাগে আৰু এইটো সুসংহত ভাবে চলাব পৰাকৈ এটা কমিটী গঠণ কৰি দিব লাগে। এই অনুষ্ঠানটোৰ ভৱিষ্যতৰ কাৰ্য্য পন্থা কি হব এই বিষয়ে এই সদনত সমবায় মন্ত্ৰীয়ে এটা বিবৃত্তি দিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যজনৰ বক্তব্যৰ ওপৰত মোৰ বিষয় স্পষ্টীকৰণ দাঙি ধৰিছোঁ।

১। অসম ৰাজ্যক বেচা কিনা আৰু গ্ৰাহক ফেডাৰেচন লিমিটেড (ষ্টেটফেড) সচাকৈয়ে এটি ৰাজহুৱা স্বাৰ্থজড়িত গুৰুত্বপূৰ্ণ প্ৰতিস্থান। ১৯৭৫-৭৬ চনৰ পৰা এই প্ৰতিস্থানটোৱে বিভিন্ন কাৰ্যকলাপৰ দ্বাৰা বিশেষ ভাৱে অত্যাৱশ্যকীয় সামগ্ৰী সমূহৰ বিতৰনৰ ব্যৱস্থা আৰু কিছুমান উদ্যোগ পৰিচালনা কৰি ৰাইজলৈ সেৱা আগবঢ়াই আহিছে। আৰম্ভনীৰে পৰা ১৯৮৫

৮৬ চনলৈকে মুঠ ১১ বছৰত ব্যৱসায়ৰ গতি-প্ৰকৃতি ব্যৱসায়ৰ। পৰিমান ইত্যাদি নানা ৰকম অৱস্থাৰ পৰিপ্ৰেক্ষিতত কেতিয়াবা লাভ, কেতিয়াবা লোকচান কৰিছে (৬ বছৰত লাভ আৰু ৫ বছৰৰ লোকচান)। ১৯৮৫-৮৬ চনত অপৰিক্ষীত হিচাব মতে অধিক পৰিমানৰ লোকচান হোৱাৰ কাৰনে সংশ্লিষ্ট সকলোৰে লগতে চৰকাৰৰ ফালৰ পৰা এই বিষয়ত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। কিন্তু ৰাজহুৱা ধনৰ অপচয় কৰা হৈছে অথবা পৰিচালনাৰ ত্ৰুটীৰ ফলতেই এইতো হৰলৈ পাইছে বুলি কোৱা ঠিক নহব। ১৯৮৫-৮৬ চনৰ লোকচানৰ কাৰণ পৰ্যালোচনা কৰিলে দেখা যায় যে কেইবাবছৰ আগৰে পৰা বেংক আৰু চৰকাৰৰ পৰা ঋনৰ টকা আৰু সুত পৰিশোধ কৰিব নোৱাৰাৰ ফলত অতি অধিক পৰিমানৰ সুতৰ বোজা এটা প্ৰধান কাৰন। অকল সেই বছৰত সুতৰ পৰিমান ১২.৪৬ কোটি টকা। বিশেষ ভাবে বেংকৰ দিবলগীয়া ঋনৰ বোজা চক্ৰবৃদ্ধি হাৰে বাঢ়ি থকাতো বিশেষ উদেগৰ কাৰণ হৈ পৰিছে। কেইবাবছৰো ধৰি চৰকাৰৰ বিভিন্ন বিভাগৰ পৰা পাবলগীয়া টকা আদায় দিব নোৱাৰাৰ বিষয়টো অতি জটিল হৈ পৰিছে। যোৱা বছৰত চৰকাৰৰ সীমিত আৰ্থিক ক্ষমতাৰ ভিতৰত আগৰ কেইবা বছৰৰ কাৰনে দিবলগীয়া টকাৰ পৰা প্ৰায় ৬.৭২ কোটি টকা আদায় দিয়া হৈছে আৰু সমুদায় টকা বেংকৰ ঋনৰ বিপৰীতে জমা দিয়া হৈছে। ইমান বৃহৎ পৰিমানৰ টকা আগতে কেতিয়াও দিয়া হোৱা নাছিল।

পৰিচালনা ব্যৱস্থাৰ উন্নতি কৰাৰ বিষয়েও চৰকাৰ সজাগ হৈ আছে। চৰকাৰৰ জাননীৰ পৰিচালনা মণ্ডলীত সুযোগ্য সদস্য সকলক মনোনীত কৰা হৈছে।

২) ষ্টেটফেডৰ নিচিনা গুৰুত্বপূৰ্ণ সমবায় প্ৰতিস্থানটোক উত্তৰোত্তৰ উন্নতিৰ পথত আগুৱাই নিব নোৱাৰিলে ৰাইজৰ মাজত আৰু সমবায় আন্দোলনৰ ওপৰত প্ৰতিক্ৰিয়া হোৱাতো স্বাভাৱিক। এই সম্বন্ধে চৰকাৰে গভীৰ ভাবে বিবেচনা কৰি আছে। ইতিমধ্যে ষ্টেটফেডৰ সকলো বিষয় পৰ্যালোচনা কৰিচাই উপায় নিৰ্দ্ধাৰনৰ কাৰনে এখনি উচ্চ পৰ্য্যায়ৰ কমিটি গঠন কৰা হৈছে। এই কমিটীত ভাৰতীয় ৰিজাভ বেংক আৰু জাতীয় সমবায় বিকাশ নিগমৰ প্ৰতিনিধিও আছে। কমিটিয়ে ইতিমধ্যে কাম আৰম্ভ কৰিছে। এই কমিটীৰ প্ৰতিবেদন পালে যথাবিহিত ব্যৱস্থা গ্ৰহন কৰা হ'ব।

শ্ৰীযতিন মালি (ৰাজ্যিক শিক্ষা মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী অন্ধ বিদ্যালয় খন কেৱল অন্ধ ছাত্ৰ ছাত্ৰীৰ শিক্ষানুষ্ঠান। এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে শিক্ষানুষ্ঠানত শিক্ষা লৈ থকা সময়ত বিভিন্ন দাবীৰ সন্দৰ্ভত তেখেত সকলে সন্মুখীন হোৱা সমস্যা সমূহৰ সমাধানৰ বাবে চৰকাৰৰ ওচৰত দাবী চনদ দাখিল কৰিছে। এটা সময়ত চৰকাৰৰ লগত অন্ধ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিনিধিয়ে আলোচনা কৰিলে। সেই আলোচনাৰ মৰ্ম্মে চৰকাৰে দাবী চনদৰ দুই এটা দাবীৰ বাহিৰে সৰহ সংখ্যাকেই কাৰ্য্যকৰী কৰণৰ ব্যৱস্থা লবলৈ ইতিমধ্যে আদেশ দিয়া হৈছে আৰু তাৰ ফলশ্ৰুতি হিচাবে চৰকাৰে বিগত দিন কেইটাত সমস্যা সমাধানৰ প্ৰচেষ্টা হাতত লৈছিল। এই দাবী সমূহৰ ভিতৰত আছিল শিক্ষক বদলি, শিক্ষানুস্থানত বিজুলি যোগান, বিদ্যালয় চৰকাৰীকৰণ ইত্যাদি।

অধ্যক্ষ মহোদয়, বিভিন্ন সমস্যাৰ ভিতৰত চৰকাৰীকৰণৰ যিটো প্ৰস্তাৱ আছিল সেই প্ৰস্তাৱ সম্পৰ্কে চৰকাৰৰ তৰফৰ পৰা অসুবিধা কিছু আছে, তাৰ বাহিৰে বাকী সমস্যা বিলাক পৰ্য্যায় ক্ৰমে সমাধা কৰা হৈছে আৰু এই কথা তেখেত সকলেও স্বীকাৰ কৰিছে। কিন্তু এটা কথা ইয়াত উল্লেখ কৰিব লাগিব যে অন্ধ বিদ্যালয়খন সমাজ কল্যাণৰ অধীনত ডাঃ লক্ষণ দত্ত আৰু ডাঃ গৌতম শইকীয়াই মুকলি কৰিছিল আৰু সমাজ কল্যাণৰ জৰিয়তে আৰু শিক্ষা বিভাগৰ জুটিয়া প্ৰচেষ্টাত চলি আছে। আমাৰ চৰকাৰৰ তৰফৰ পৰা শিক্ষা বিভাগৰ জৰিয়তে আৰু সমাজ কল্যাণৰ প্ৰচেষ্টাত যিটো আলোচনা হৈছিল সেই আলোচনা মৰ্ম্মে চৰকাৰী কৰণৰ বাহিৰে বাকী বিলাক প্ৰায়েই সমাধা কৰা হৈছে। কিন্তু দুখৰ বিষয়, যোৱা ১ এপ্ৰিলৰ পৰা আজি পৰ্য্যন্ত অন্ধ বিদ্যালয়ৰ দুগৰাকী ছাত্ৰী মহম্মদ নুৰ, শ্ৰীপাটগিৰি বুলি আমৰণ অনশনৰ কাৰ্য্যসূচী অব্যাহত ৰাখিছে। শিক্ষা বিভাগৰ তৰফৰ পৰা এই ছাত্ৰ সকলক অনশনৰ কাৰ্য্যসূচী উঠাই লবলৈ কোৱা হৈছে। তেখেত সকলে কয় যে আমি অন্ধ ছাত্ৰ-ছাত্ৰী সকলক আপোনালোকে মৰম নকৰে, আমি কৈছো মানুহ মাত্ৰেই সকলো সমান আৰু আমি সকলোকে সমানে চাওঁ। তেওঁলোকে বিচৰা প্ৰায় খিনিকে আমি দিছোঁ, তাৰ পিচতো অনশনৰ কাৰ্য্যসূচী চলাই ৰখাৰ কোনো যুক্তি আমি বিচাৰি পোৱা নাই। বিভাগীয় বিষয়া সকলৰ বাহিৰেও আমাৰ বিধায়ক তথা মুখ্য সচেতক জয় নাথ শৰ্ম্মা আৰু বিধায়ক দিলীপ শইকীয়া আদিয়ে তেওঁলোকৰ অনশন উঠাই লবলৈ অনুৰোধ কৰিছে।

ইয়াৰ ওপৰিও অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুব ছাত্ৰ পৰিষদ আৰু অন্যান্য অনুষ্ঠানৰ পৰাও তেওঁলোকৰ আমৰণ অনশন স্থগিত ৰাখিবলৈ অনুৰোধ জনাইছিল। কিন্তু তেওঁলোক ইমান এডামেণ্ট যে তেওঁলোকে কাৰোৱেই কথা মনা নাই। মই আগতেই কৈ আহিছো যে এইটো আগতে এটা স্বেচ্ছামূলক অনুস্থান আছিল আৰু ডাঃ লক্ষ্মন দত্ত আৰু ডাঃ গকুল শইকীয়াই চলাইছিল। তেখেত সকলে অনুৰোধ জনাইছে যে এইটো ঘুৰাই দিব লাগে। এতিয়া সমাজকল্যাণ বিভাগৰ ফালৰপৰা শিক্ষা বিভাগক অনুৰোধ জনাইছে যে এইটো শিক্ষা বিভাগৰ ফালৰ পৰা পৰিচালনা কৰাৰ ভাৰ লব লাগে। সমাজ কল্যাণ বিভাগৰ ফালৰ পৰা শিক্ষা বিভাগলৈ লিখা হৈছে যে চলিত বিত্তীয় বছৰৰ পৰাই এই বিদ্যালয় খনৰ পৰিচালনাৰ ভাৰ লব লাগে। আমিও সমাজ কল্যাণ বিভাগক এই বিদ্যালয়খন হস্তান্তৰ কৰিবলৈ অনুৰোধ জনাইছো। চৰকাৰীকৰণৰ ক্ষেত্ৰত, অধ্যক্ষ মহোদয়, বহুখিনি নিয়ম নীতি চাবলগীয়া হয়। এতিয়া কথা হৈছে যে এম ই খাপলৈকে চৰকাৰীকৰণ কৰা হৈ গৈছে। কিন্তু উচ্চ খাপৰ যি খিনি কাৰিকৰী বিষয় পৰিচালনা কৰা হৈছে সেই ক্ষেত্ৰত আগতে এক্সপাৰ্ট কমিটিৰ অনুমোদন নোলোৱাৰ কাৰণে এটা অসুবিধা হৈছে। ক্লাচ এইটৰ পৰা যি খিনি ছাত্ৰ আছে তেওঁলোকক যোৰ-হাটলৈ বদলি কৰাৰ কথা ভবা হৈছিল। কাৰণ ইয়াত ছাত্ৰ কম হোৱাৰ কাৰণে আৰু যোৰহাটত চিট থকাৰ কাৰণে আৰু যোঁৰহাটৰ স্কুলখন চৰকাৰী হোৱাৰ কাৰণে ইয়াৰপৰা যোৰহাটলৈ বদলি কৰাৰ কথা ভবা হৈছিল যদিও তেওঁলোকে সেই কথা মানি নললে। কিন্তু তেওঁলোকে এই কথাটোত বেলেগ মনোভাব লৈ এডামেণ্ট এটিচিউদ ললে। পিচত তেওঁলোকক গুৱাহাটীৰ পৰা যোৰহাটলৈ বদলি কৰাৰ কথাটো স্থগিত ৰাখিবলগীয়া হল। ইয়াত তেওঁলোকক যিখিনি সুবিধা লাগে সেই গোটেই খিনিয়েই দিয়া হৈছে। ইয়াত এটা গ্ৰেহ খোলা হৈছে, খোৱা পানীৰ যোগান ধৰা হৈছে, বিদ্যুত যোগান ধৰা হৈছে। মই মাননীয় সদস্য সকলক কব খুজিছোঁ যে আমি ইমানখিনি কৰাৰ পিচতো, কেৱল চৰকাৰীকৰণ কৰাৰ বাহিৰে বাকী সকলোখিনি কৰা হৈছে সিদিনা মই মাননীয় সমাজ কল্যাণ দপ্তৰৰ মন্ত্ৰীৰ লগত প্ৰায় ৪৫ মিনিট সময় আলোচনা কৰিছো আৰু যিখিনি আলোচনা হৈছিল সেই খিনিও তেওঁলোকক জনোৱা হৈছে আৰু এটা কথা মই এইখিনিতে উল্লেখ কৰিব বিচাৰিছো যে এই দুগৰাকী ছাত্ৰই আমাৰ মাননীয় কেইৰাজনো

মন্ত্ৰীক বেয়া ব্যৱহাৰ কৰাৰ প্ৰমান পাইছো। এই কথাটোত আমি বৰ দুখ পাইছো। তেওঁলোকে কৈছে যে চৰকাৰীকৰণ তেওঁলোকৰ আমৰণ অনশনৰ ভিতৰতে হব লাগিব। কিন্তু মই আগতেই কৈছো যে চৰকাৰী কৰণ কৰিবলৈ আমি কিছুমান নিয়মৰ মাজেৰে যাব লাগিব। যেনে সেইখন স্কুলত এম ই চৰকাৰীকৰণ হৈছে যদিও ক্লাচ এইটৰ পাৰমিচন আছে যদিও ক্লাচ নাইনৰ ৰিকমেডেচন এতিয়ালৈকে হোৱা নাই। গতিকে ততাতৈয়াকৈ এখন স্কুল চৰকাৰীকৰণ কৰিব পৰা সম্ভব নহয়।

মাননীয় অধ্যক্ষ মহোদয়, সমস্যা সমাধান কৰাৰ কাৰণে শিক্ষা বিভাগ অপাৰগ নহয়। আমি তেওঁলোকৰ সকলো সমস্যা প্ৰয্যায়ক্ৰমে সমাধান কৰা হব বুলি আশ্বাস দিছো। আমি এই অন্ধ বিদ্যালয়খন এখন পূৰ্ণাংগ বিদ্যালয়ত পৰিনত কৰিবৰ কাৰণে আচনি লৈছো। তথাপিও তেওঁলোকে এডামেণ্ট এটিচিউদ লৈছে। তেওঁলোকে ইয়াৰ দ্বাৰা অসমৰ ৰাইজক দেখুৱাব বিচাৰিছে যে দুজন অন্ধ লৰাই আমৰণ অনশন কৰি মৰিবলৈ ওলাইছে তথাপি শিক্ষা বিভাগ নিমাতে আছে। আচলতে অসমৰ শিক্ষা বিভাগ নিমাতে থকা নাই। যিমানখিনি এই সম্পৰ্কত ততপৰ হব লাগে সিমানখিনিয়েই ততপৰ হোৱা গৈছে। কিন্তু এই খিনিতে এটা ভাব হয় যে ইমান বিলাক এম এল এ, ছাত্ৰ সন্থা, ছাত্ৰ যুবপৰিষদ বা অন্যান্য অনুস্থান প্ৰতিস্থানকে ধৰি ইমান বিলাক গন্য মান্য ব্যক্তিৰ অনুৰোধ উপেক্ষাৰ কৰাৰ মুলত হয়তো ইয়াত কোনোবা ব্যক্তি বা ৰাজনৈতিক নেতাৰ উচটনি থাকিব পাৰে। মই মাননীয় সদস্য সকলৰ আগত যি খিনি কৰিছো এই সকলোখিনি কৈছে। আৰু যিখিনি অসুবিধা আছে সেই আটাইখিনিকেই ব্যক্ত কৰিছো। মই মাননীয় সদস্য সকলক কি ধৰণেৰে সমস্যাটো সমাধান কৰিব পৰা হব তাৰ কাৰণে চিন্তা চৰ্চা কৰিবলৈ আৰু আমাক দিহা-পৰামৰ্শ দিবলৈ অনুৰোধ জনাইছো। লগতে আমৰণ অনশণ কৰি থকা মৰমৰ ছাত্ৰ দুগৰাকীক তেওঁলোকৰ আমৰণ অনশন ভংগ কৰিবলৈ অনুৰোধ জনাইছো। তেওঁলোকে অনশন ভংগ কৰি এই বিদ্যালয়খনলৈ যাতে শিক্ষাৰ পৰিবেশ পুনৰ ঘুৰাই আনিব পৰাত সহায় কৰে তাৰ বাবে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Shri Ardhendu Kumar Dey : Mr. Speaker, Sir, while going through and appreciating the report from

the State Education Minister, we would like to say that the blind people never see the day light and their psychology is affected due to this reason that they will never see the day light. It is very hard to tackie blind people as they know that they will never see the day light in their life. Sir, we the normal people are enjoying everything and these blind people are never enjoying everything. I thing, Sir, their case should be considered more sympathycally. Sir, their Institution may be provincilised even if not now may be next year. The Education, Minister of State, asted that there is a political hand in this. He should not point in this way This is a more separate thing and anybody here in his normal sence will never play such a game with the blind people Sir.

